



দৈনিক
# বাতৰি কাকত
সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 191 ত্ৰিবিংশ বছৰ, সংখ্যা- ১৯১, ১০ জুন, বুধবাৰ, ২০২৬, ২৬ জেঠ, ১৯৪৫ শক, BATORI KAKOT, Wednesday, 10 June, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




২০২৭ৰ লোকপিয়ল

## অসমৰ মাষ্টাৰ ট্ৰেইনাৰৰ প্ৰশিক্ষণ কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ জুন ঃ** ২০২৭ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায় অৰ্থাৎ গৃহতালিকা আৰু গৃহপিয়ল (এইচ এল অ')ৰ বাবে অসমৰ চাৰিদিনীয়া সম্পূৰ্ণ আৱাসিক মাষ্টাৰ ট্ৰেইনাৰসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী আজিৰে পৰা গুৱাহাটীৰ লালমাটিস্থিত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই)ত আৰম্ভ হৈছে। ৯ জুনৰ পৰা ১২জুন ২০২৬ লৈ আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচীত অসমৰ বিভিন্ন জিলাৰ ■ *এঘাৰ পৃষ্ঠাত*

প্ৰশ্নকাকত প্ৰস্তুতকৰ্তাক বন্দী কৰি ৰাখিব গোপন কক্ষত

# ২১ জুনত নীট দেশজুৰি সতৰ্কতা কেন্দ্ৰৰ

### সেনাৰ হেলিকপ্টাৰেৰে দেশৰ ১৮ স্থানলৈ নিব প্ৰশ্নকাকত ঃ অভূতপূৰ্ব নিৰাপত্তা-কৰ্তন হ'ব ইণ্টাৰনেট সেৱা

**নতুন দিল্লী, ৯ জুন ঃ** দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত হ'বলগা চলিত বৰ্ষৰ নীট পৰীক্ষা সুৰুঙা ৰাখিব বিচৰা নাই কেন্দ্ৰৰ নৰেন্দ্ৰ মোডী চৰকাৰে। সেয়ে পৰীক্ষা অনুষ্ঠিত কিম্বা শেষ নোহোৱা পৰ্যন্ত কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজত থাকিব নেচনেল টেষ্টিং এজেন্সী চমুকৈ এন টি এ। তদুপৰি পৰীক্ষা শেষ হোৱালৈ নীটৰ প্ৰশ্নকাকত প্ৰস্তুত কৰ্তাক গোপন কক্ষত ৰখাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পৰীক্ষাৰ প্ৰশ্নকাকত সেনাবাহিনীৰ বিশেষ বিমানৰ জৰিয়তে দেশৰ ১৮ স্থানলৈ লৈ যোৱা হ'ব। উল্লেখ্য, প্ৰশ্নকাকত ফাদিলক লৈ দেশজুৰি সৃষ্টি হোৱা তীব্ৰ বিতৰ্কৰ মাজতে ■ *এঘাৰ পৃষ্ঠাত*



## দিল্লীক অসমৰ কাষ চপাই অনা প্ৰধানমন্ত্ৰীগৰাকী

ড° হিমন্ত বিশ্ব শৰ্মা



**অ**সমৰ এটা প্ৰজন্মই দীৰ্ঘদিন ধৰি এক নীৰৱ অথচ অবিৰত বিচ্ছিন্নতাবোধৰ মাজত ডাঙৰ-দীঘল হৈছিল। সেই সময়ৰ ৰাজনীতি আৰু অভিজ্ঞতাই তেওঁলোকক বিশ্বাস কৰিবলৈ বাধ্য কৰাইছিল যে দিল্লীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক সদায় অৱহেলাৰ দৃষ্টিৰে চায়। ই কেৱল এক কাল্পনিক ক্ষোভ নাছিল; ইতিহাসেও ইয়াৰ ভিত্তি প্ৰস্তুত কৰিছিল আৰু চৰকাৰী নীতিসমূহেও প্ৰায়ে ইয়াকে প্ৰতিপন্ন কৰিছিল। দশকৰ পিছত দশক ধৰি অসমৰ বহু লোকে অনুভৱ কৰিছিল যে কেৱল সংকটৰ সময়তহে উত্তৰ-পূৰ্বাঞ্চলক মনত পেলোৱা হয় আৰু দেশৰ পৰিকল্পনাৰ সময়ত ৰাজ্যখন সদায় ■ *এঘাৰ পৃষ্ঠাত*

## ছেৰফাংগুৰীত মৰেল পুলিচিং অন্তঃসত্ত্বা মহিলা আহত

**বাতৰি কাকত, কচুগাঁও, ৯ জুন ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ গোঁসাইগাঁও আৰক্ষী চকীৰ অন্তৰ্গত ২ নং ছেৰফাংগুৰী গাঁওত সংঘটিত এক মৰেল পুলিচিঙৰ ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাটোত এগৰাকী ৯ মহীয়া অন্তঃসত্ত্বা মহিলা আৰু তেওঁৰ ভাতৃ গুৰুতৰভাৱে আহত হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ভুক্তভোগী পৰিয়ালৰ মুৰব্বী খালেক আলীয়ে ঘটনাৰ সৈতে জড়িত সাতজন লোকৰ বিৰুদ্ধে মঙলবাৰে গোঁসাইগাঁৰ চকীত এজাহাৰ দাখিল কৰে। সাতজন অভিযুক্ত ক্ৰমে ৰাহিদুল শেখ, ইলিয়াছ শেখ, নাছিৰ আলী, মহিদুল শেখ, ছহিদুল আলী, জমেৰ আলী ■ *এঘাৰ পৃষ্ঠাত*

টকিঅ'ৰ পৰা পোনে পোনে আহিব বৰঝাৰ বিমান বন্দৰলৈ

## তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিব জাপানৰ প্ৰধানমন্ত্ৰী

### প্ৰধানমন্ত্ৰী মোডীৰে বৈঠকত বহিব টাকাইচি ঃ চুক্তিত কৰিব স্বাক্ষৰ



**নতুন দিল্লী, ৯ জুন ঃ** ১ জুলাইৰ পৰা তিনিদিনীয়া ভ্ৰমণসূচীৰে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকী ভাৰতলৈ আহিব। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে এই ভ্ৰমণসূচীৰ বিষয়ে আনুষ্ঠানিকভাৱে দুয়োখন চৰকাৰৰ তৰফৰ পৰা সদৰী কৰা হোৱা নাই। ৰাষ্ট্ৰীয় সংবাদমাধ্যমৰ খবৰ অনুসৰি, জাপানৰ প্ৰধানমন্ত্ৰী টাকাইচি গুৱাহাটীলৈ আহিব। ইয়াৰ পূৰ্বে ২০১৯চনৰ ডিচেম্বৰত জাপানৰ প্ৰধানমন্ত্ৰী শ্বিনজ' আবেয়ে ■ *এঘাৰ পৃষ্ঠাত*

## স্বাধীনতাৰ ৭৯ বছৰ পিছতো ঘোগাপাৰা - আহোম খাট পথত নপৰিল এটা শিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৯ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও বিধানসভা সমষ্টিৰ ভেৰগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত দাৰোগা খাট ৰাজহ গাঁৱৰ ঘোৰামাৰা, ঘোগাপাৰা লগতে আহোমখাট, তৰাবাৰী আদি কেইবাখনো গাঁৱ আৰু চুবাৰ সহস্ৰাধিক গঞা ৰাইজৰ আয়ুস ৰেখা স্বৰূপ ঘোগাপাৰা-আহোমখাট পথটো যদিও টংলা আৰু ভেৰগাঁও মহকুমা সদৰ লগতে খৈৰাবাৰীক সংযোগ কৰা এই গুৰুত্বপূৰ্ণ পথৰ দুৰ্বস্থাই জলা কলা খুৱাইছে সহস্ৰাধিক গঞা ৰাইজক । প্ৰতি বাৰিষাত পথে পাথাৰে একাকাৰ হোৱা এই গুৰুত্বপূৰ্ণ পথটোৰ বাবে বছৰৰ পিছত বছৰ ধৰি ছাত্ৰ-ছাত্ৰীৰ লগতে ব্যৱসায় বাণিজ্য কৰি খোৱা সাধাৰণ ৰাইজে যমৰ যাতনা ভূগি আহিছে। অতি জৰাজীৰ্ণ আৰু বাৰিষাত কদৰ্যময় ■ *এঘাৰ পৃষ্ঠাত*

ধুবুৰীত পকচ' আদালতৰ ৰায়

## নাবালিকাৰ নিৰ্যাতনকাৰীক ১০ বছৰৰ কাৰাদণ্ড

**বাতৰি কাকত, ধুবুৰী, ৯ জুন ঃ** ধুবুৰীৰ পকচ' আদালতে নাবালিকা অপহৰণ আৰু যৌন নিৰ্যাতনৰ এক গুৰুত্বপূৰ্ণ গোচৰৰ ৰায়দান কৰি দোষীক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহিছে। ধুবুৰীৰ ■ *এঘাৰ পৃষ্ঠাত*

অসম-ইউৰোপত নতুন অধ্যায়
ব্লু ভেলী ক্লাষ্টাৰ মুকলি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## ব্লু ভেলী ক্লাষ্টাৰে অসমক ভাৰত-ইউৰোপৰ সহযোগিতাৰ কেন্দ্ৰবিন্দুত ৰাখে ঃ ড° শৰ্মা



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল

## ডিগবৈত পথ দুৰ্ঘটনাত দুই যুৱক নিহত

**বাতৰি কাকত, ডিগবৈ, ৯ জুন ঃ** নিশা ডিগবৈত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। পথ দুৰ্ঘটনাটোত দুই উদীয়মান যুৱকৰ থিতাতে মৃত্যু হয়। নিশা প্ৰায় ১১.৩০ বজাত তিনিচুকীয়াৰ পৰা ডিগবৈ অভিমুখী এ এছ ২২ বি ১৩৯০ নম্বৰৰ ৱাগনাৰ বাহনখন ৩৮নং ৰাষ্ট্ৰীয় ঘাইপথৰ বগাপানী ডাঙৰীয়া মন্দিৰৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা গছত ■ *এঘাৰ পৃষ্ঠাত*

হোজাই-নগাঁৱৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ মন্ত্ৰী পীযুষ হাজৰীকাৰ

## ৰাজ্যত প্ৰয়োজনীয় খাদ্যসামগ্ৰী উৎপাদনৰ লক্ষ্যৰে সকলোৱে কাম কৰিব লাগিব

**বিশেষ প্ৰতিনিধি, নগাঁও, ৯ জুন ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই আজি হোজাই আৰু নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে জিলাখনত ৰূপায়িত হৈ থকা উন্নয়নমূলক আৰু জনকল্যাণমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ পাছত তেওঁ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নগাঁও ■ *এঘাৰ পৃষ্ঠাত*




বিশ্ব সংবাদ কেন্দ্ৰৰ সহযোগী অনুষ্ঠান

## ২৪-২৫ অক্টোবৰত চলচ্চিত্ৰমৰ দশম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ জুন ঃ** উত্তৰ-পূব ভাৰতৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান তথা বিশ্ব সংবাদ কেন্দ্ৰ , অসমৰ সহযোগী অনুষ্ঠান চলচ্চিত্ৰমেঞ্জ আয়োজন কৰি অহা চলচ্চিত্ৰম্ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ এই বেলি অহা ২৪ আৰু ২৫ অক্টোবৰত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব। গুৱাহাটীৰ কাহিলিপাৰাৰ জ্যোতি চিত্ৰবনত এই ছবি মহোৎসৱ অনুষ্ঠিত হক্সৰ বুলি চলচ্চিত্ৰমৰ সভাপতি নৱ ঠাকুৰীয়া আৰু সম্পাদক ভগৱত প্ৰীতমে ■ *এঘাৰ পৃষ্ঠাত*

বৰপেটাত অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ


## উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা




**ষ্টাফ ৰিপ'ৰ্টাৰ, বৰপেটা, ৯ জুন ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী তথা বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে আজি বৰপেটা জিলাত প্ৰথমবাৰৰ বাবে চৰকাৰী কাৰ্যসূচীত উপস্থিত হৈ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক ■ *এঘাৰ পৃষ্ঠাত*

## ইউ পি এছ চি পৰীক্ষা ঃ অষ্টম অনুসূচিত ভাষাত প্ৰশ্নকাকত নথকাত লাখ লাখ পৰীক্ষাৰ্থীৰ হাহাকাৰ

### তামিলনাডু বিধানসভাত প্ৰস্তাৱ গৃহীত কৰিবলৈ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৯ জুনঃ** ইউপিএছচিৰ দ্বাৰা পৰিচালিত প্ৰাৰম্ভিক আৰু মূল সেৱা পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলৰ সুবিধাৰ্থে অষ্টম অনুসূচিত ভাষা আৰু ইংৰাজীৰ দুয়োটা ভাষাতে প্ৰশ্ন কাটিবলৈ আহ্বান জনাইছে আৰটিআই কৰ্মী ওক্ৰাম প্ৰশান্ত সিঙে। এই সন্দৰ্ভত আজি তেওঁ তামিলনাডুৰ মুখ্যমন্ত্ৰী চন্দ্ৰশেক্ৰন জোচেফ বিজয়লৈ ■ *এঘাৰ পৃষ্ঠাত*

অসমীয়াৰ ওপৰত আক্ৰমণ

## নলবাৰীত বৃহত্তৰ অসমীয়া মঞ্চৰ তীব্ৰ প্ৰতিবাদ বহিৰাগতক সকীয়নি

**মজিবুৰ ৰহমান, নলবাৰী, ৯ জুন ঃ** গুৱাহাটী মহানগৰীৰ আৰ্যনগৰ আৰু শাৰাভাটি অঞ্চলত সংঘটিত স্থানীয় অসমীয়া লোকৰ ওপৰত আক্ৰমণ আৰু 'অসমীয়া গ' বেক'' ধ্বনি দিয়াক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত আছে। এই ঘটনাৰ পিছতে বৃহত্তৰ অঞ্চলটোত এটা সম্প্ৰদায়ৰ লোকৰ দ্বাৰা অসমীয়াক উপলুঙা কৰি ''অসমীয়া গ' বেক' আৰু 'এক বিহাৰী সব পে ভাৰী' ধ্বনি দিয়াৰ অভিযোগ উঠে। ইয়াৰ পিছতে পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰিছিল । পিছত আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে যদিও এই ঘটনাৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত আছে। এই ঘটনাৰ খবৰ সংগ্ৰহ কৰিবলৈ যোৱা একাংশ সংবাদ কৰ্মীও দুষ্কৃতিকাৰীৰ আক্ৰমণৰ বলি হৈছিল। ■ *এঘাৰ পৃষ্ঠাত*

## ধেমাজিত জলসম্পদ বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ

সাপেখাতিৰ মথাউৰি নিৰ্মাণত ব্যাপক অনিয়ম

**বাতৰি কাকত, ধেমাজি, ৯ জুন ঃ** ধেমাজি জিলাৰ গাই নদী সাপেখাতি অঞ্চলৰ মথাউৰি নিৰ্মাণৰ কামত ব্যাপক অনিয়ম আৰু দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগত জিলাখনত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মঙলবাৰে ধেমাজি জিলা জলসম্পদ বিভাগৰ কাৰ্যালয়ৰ সন্মুখত বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজে একত্ৰিত হৈ এই ধৰ্ণা কাৰ্যসূচী পালন কৰে। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ধেমাজি জিলা সমিতি, ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কৰ্মকৰ্তাসকলৰ ■ *এঘাৰ পৃষ্ঠাত*



দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# জাগীৰোডত টাউনশ্বিপ নিৰ্মাণৰ বিৰোধিতাৰে পুনৰ উত্তাল প্ৰতিবাদ




**বাতৰি কাকত, জাগী ভকতগাঁও, ৯ জুন ঃ** সদৌ তিৱা ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদত পুনৰ কপিল জাগীৰোড। জাগীৰোডৰ সিন্ধিশৰত অসম চৰকাৰৰ প্ৰস্তাৱিত টাউনশ্বিপ নিৰ্মাণৰ ঘোৰ বিৰোধিতাৰে সদৌ তিৱা ছাত্ৰ সন্থাই সোমবাৰে জাগীৰোডৰ ৰৌমাৰীৰ পৰা দেওশাল শিৱ মন্দিৰলৈ এক বিশাল প্ৰতিবাদী মিচিল উলিয়াই। উল্লেখ্য যে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে উলিওৱা এই প্ৰতিবাদী সমদলত প্ৰতিবাদকাৰীসকলে হাতে-হাতে বেনাৰ, পষ্টাৰ, ফেষ্টোন লৈ জাগীৰোডৰ সিন্ধিশৰত টাউনশ্বিপ নিৰ্মাণ কাৰ্য বন্ধ কৰক, তিৱা স্বায়ত্ত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰক, ন' চিক্স চিডোৱেল ন' ৰেষ্ট, টাউনশ্বিপ আমাক নালাগে, অসম চৰকাৰ হুঁচিয়াৰ, পীয়ুষ হাজৰিকা মুৰ্দাবাদ, তেজ দিম মাটি নিদিও আদি চৰকাৰ বিৰোধী শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি তোলে। এই কাৰ্যসূচীত তিৱা জনগোষ্ঠীৰ লগতে মধ্য অসমৰ ভূমিপুত্ৰ খিলঞ্জীয়া জনগনৰ অমীমাংসিত সমস্যা সমাধানৰ দাবী সজোৰে উত্থাপন কৰে। প্ৰতিবাদী কাৰ্যসূচীত তিৱা জনগোষ্ঠীয় নেতাসকলৰ লগতে বড়ো, কাৰ্বি, ৰাভা, মিচিং, দেউৰী জনগোষ্ঠীৰ কেইবাজনো নেতাই অংশগ্ৰহণ কৰে।

# ধুবুৰীত প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, ধুবুৰী, ৯ জুন ঃ** ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি আজি ধুবুৰী জিলাৰ প্ৰতিটো স্বাস্থ্য কেন্দ্ৰতে প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান (পি এম এছ এম এ)ৰ কাৰ্যসূচী সফলতাৰে ৰূপায়ন কৰে। পি এম এছ এম এ ৰ মূল উদ্দেশ্য হ'ল গৰ্ভৱতী মহিলাক প্ৰতি মাহৰ ৯ তাৰিখে বিনামূলীয়াকৈ গুণগত প্ৰসৱপূৰ্ব স্বাস্থ্যসেৱা প্ৰদান কৰা। বিশেষকৈ গৰ্ভাৱস্থাৰ দ্বিতীয় আৰু তৃতীয় ত্ৰৈমাসিকত থকা মহিলাসকলক এই সেৱাৰ আওতাত অন্তৰ্ভুক্ত কৰা হয়। আজি ধুবুৰী নগৰ স্বাস্থ্য আৰু প্ৰসূতি কল্যাণ কেন্দ্ৰত চিকিৎসক, নাৰ্ছ, আশা কৰ্মী আৰু অন্যান্য স্বাস্থ্য কৰ্মীয়ে নিয়াৰিকৈ উপস্থিত হৈ গৰ্ভৱতী মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰে। ৰক্তচাপ, ওজন, হিম'গ্লবিন পৰীক্ষাৰ লগতে ইউএছ জি আৰু অন্যান্য পৰীক্ষা সমূহ বিনামূলীয়াকৈ প্ৰদান কৰাৰ লগতে পুষ্টি আৰু প্ৰসৱপূৰ্ব যত্নৰ বিষয়ে মহিলাসকলক সজাগ কৰে। জিলাখনৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰতো একে সময়তে এই কাৰ্যসূচী ৰূপায়ন কৰাৰ ফলত বহু গৰ্ভৱতী মহিলাই লাভৱান হয়। স্বাস্থ্য বিভাগে জনোৱা মতে, মাতৃ আৰু শিশু মৃত্যু হাৰ হ্ৰাস কৰাৰ বাবে এই অভিযান অতি গুৰুত্বপূৰ্ণ।

# নলবাৰী জিলা কৃষি বিষয়া কাৰ্যালয়ত 'সাৰ ক্ৰয়ৰ ৰূপৰেখা' বিষয় সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্য্যসূচী

**মজিবুৰ ৰহমান, নলবাৰী, ৯ জুনঃ** নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি আয়োজন কৰা হয় এক জিলাভিত্তিক প্ৰশিক্ষণ কাৰ্য্যসূচী। উক্ত কাৰ্য্যসূচীত জিলাখনৰ প্ৰায় দুই শতাধিক সাৰ বিক্ৰেতাক বিশেষভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হয়। যিহেতু সমগ্ৰ দেশৰ লগতে অসমতো কৃষক পঞ্জীয়ন বাধ্যতামূলক কৰা হৈছে, সেয়েহে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে জনোৱা হয় যে, কৃষক পঞ্জীয়ন অবিহনে কৃষকে সাৰ বিক্ৰেতাৰ পৰা কিনিব নোৱাৰিব প্ৰয়োজনীয় সাৰ। সেয়েহে আজি নলবাৰী জিলা কৃষি বিষয়াই সাৰ বিক্ৰেতা সকলক কৃষক পঞ্জীয়নকৃত কৃষককহে সাৰ বিক্ৰীৰ অনুমতি প্ৰদান কৰে। 'সাৰ ক্ৰয়ৰ ৰূপৰেখা' বিষয় সন্দৰ্ভত আজি ৰাজ্যিক পৰ্যায়ৰ আৰু জিলা পৰ্যায়ৰ প্ৰশিক্ষকে জিলাখনৰ দুই শতাধিক সাৰ বিক্ৰেতাক কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে জিলা কৃষি বিষয়া দিবাকৰ ডেকা, মহকুমা কৃষি বিষয়াদ্বয় ক্ৰমে ৰমণীকান্ত শৰ্মা, চৈয়দ জাকিৰ হুছেইন আৰু জিলাখনৰ কৃষি উন্নয়ন বিষয়া সকলৰ লগতে কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীসকল।

# শিঙিমাৰীত মদৰ দোকানৰ অনুজ্ঞাপত্ৰ বাতিলৰ দাবীত প্ৰতিবাদী সভা

**বাতৰি কাকত, শুৱালকুছি, ৯ জুন ঃ** ৮৬ নং শিঙিমাৰী গাওঁ পঞ্চায়তৰ সভানেত্ৰী ভূমিকাত অসন্তুষ্ট, গৰিহণা কামৰূপ জিলাৰ ৰবি শস্যৰ ভাবে সমগ্ৰ অসমতে খ্যাতি অৰ্জন কৰা শিঙিমাৰী এক বজাৰত বিলাতী সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ দিয়াকলৈ বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কোনো কাৰণতে শিঙিমাৰীত সুৰাৰ দোকান হ'বলৈ দিয়া নহ'ব বুলি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সোমবাৰে ৩৭১ নং শিঙিমাৰী প্ৰাথমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষক বগাৰাম বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰা সকলো শ্ৰেণীৰ ৰাইজে শিঙিমাৰীত বৈধ অবৈধ সুৰাৰ বিৰুদ্ধে গৰজি উঠে। শিঙিমাৰীত মদৰ দোকানৰ অনুজ্ঞাপত্ৰ ভয়ানক পৰিস্থিতিৰ উদ্ভৱ হ'ব বুলি সকিয়াই দিয়ে। প্ৰয়োজন সাপেক্ষে তীব্ৰ গনতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। ইফালে ৮৬ নং শিঙিমাৰী গাওঁ পঞ্চায়তৰ সভানেত্ৰী কৌশল্যা বৰ্মনে পঞ্চায়তৰ আন আন, সদস্যসকলৰ সৈতে কোনো আলোচনা নকৰাকৈয়ে নিজাববীয়াকৈ মদৰ দোকানৰ বাবে আপত্তি বিহীন প্ৰমাণ পত্ৰ দিয়া কাৰ্য কো কঠোৰ ভাষাৰে সমালোচনা কৰা হয়। সভানেত্ৰী কৌশল্যা বৰ্মনৰ উক্ত অগনতান তান্ত্ৰিক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। ভৱিষ্যতে এনে কাৰ্য নকৰিবলৈ আহ্বান জনায়।

# নগাঁৱৰ ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**বিশেষ প্ৰতিনিধি, নগাঁও, ৯ জুনঃ** যোৱা বিধানসভা নিৰ্বাচনত ভোটাৰসকলক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে ভোটাৰ সজাগতা বৃদ্ধিৰ উদ্দেশ্যে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এটি অভিনৱ প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। জিলাখনৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰকে আদৰ্শ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ জৰিয়তে অনুষ্ঠিত কৰা এই মুকলি প্ৰতিযোগিতাৰ মূল বিষয়বস্তু আছিল 'আপোনাৰ ভোট আপোনাৰ অধিকাৰ, ইয়াক অপচয় নকৰিব'। সেই উদ্দেশ্যেই ভোটগ্ৰহণ কেন্দ্ৰ সমূহ আকৰ্ষণীয় ৰূপত সজাই পৰাই তোলাৰ লগতে পৰিস্কাৰ পৰিচ্ছন্নতা বৰ্তাই ৰখা, ভোটাৰৰ বাবে সা-সুবিধা নিশ্চিত কৰা আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। এই সকলো দিশ চালিজাৰি চাই, ইয়াৰ বাবে নিয়োগ কৰা বিচাৰক সমিতিয়ে ইতিমধ্যে দাখিল কৰা চূড়ান্ত প্ৰতিবেদন অনুসৰি আজি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সমষ্টিভিত্তিক ফলাফল সমূহ ঘোষণা কৰিছে। সেই অনুসৰি ৫৬ নং ৰূপহীহাট বিধানসভা সমষ্টিৰ ৫৩নং মাগুৰি বালিকা মোক্তাবে প্ৰথম, আলীটঙানি ওছমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ে দ্বিতীয় আৰু জুৰিয়া উচ্চ মাধ্যমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। ৫৭ নং কলিয়াবৰ বিধানসভা সমষ্টিত আমবাগান উচ্চ মাধ্যমিক বিদ্যালয় প্ৰথম, দক্ষিণ খলিহামাৰী প্ৰাথমিক বিদ্যালয় দ্বিতীয়, দক্ষিণ লাইলুৰি প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। ৫৮ নং চামগুৰি বিধানসভা সমষ্টিত বি চি দাস কানুৱামাৰী মজলীয়া বিদ্যালয় প্ৰথম, সোণালীবালি বালিকা প্ৰাথমিক বিদ্যালয় দ্বিতীয় আৰু সোণালীবালি প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। ৫৯ নং বৰহমপুৰ বিধানসভা সমষ্টিৰ ২৬ নং বামুনী জে বি স্কুল প্ৰথম, বৰহমপুৰ এছ এছ এ হাইস্কুল দ্বিতীয় আৰু পিএমশ্ৰী ২১ নং চাপানালা প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। ৬০ নং নগাঁও -বটদ্ৰৱা বিধানসভা সমষ্টিৰ বটদ্ৰৱা এছ এছ এছ হাইস্কুল প্ৰথম, কিৰণবালা গোস্বামী বালিকা বিদ্যাপীঠ দ্বিতীয় আৰু নগাঁও বঙালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। ৬১ নং ৰহা বিধানসভা সমষ্টিৰ পিএমশ্ৰী বাৰপুজীয়া চৰকাৰী মজলীয়া বিদ্যালয় প্ৰথম, বাৰপুজীয়া উচ্চ মাধ্যমিক বিদ্যালয় দ্বিতীয় আৰু ৰহা মজলীয়া বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। প্ৰথম পুৰস্কাৰ হিচাপে নগদ ৰপ্ত হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে নগদ ১০ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে নগদ ৫ হাজাৰ টকা নিৰ্বাচিত বিদ্যালয়সমূহক প্ৰদান কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে। এই প্ৰতিযোগিতাৰ প্ৰতি জিলাখনৰ প্ৰায় প্ৰতিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীসকলে দিয়া সঁহাৰিৰ বাবে জিলা আয়ুক্তগৰাকীয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

# শিৱসাগৰৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'আগন্তুক'ৰ উদ্যোগত স্মৃতি দিৱস উদ্‌যাপন

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৯ জুনঃ** শিৱসাগৰৰ এটি স্বেচ্ছাসেৱী অনুষ্ঠান 'আগন্তুক' ৰ উদ্যোগত প্ৰয়াত প্ৰাচ্যতত্ববিদ কৃষ্ণকান্ত সন্দিকৈ, সাহিত্যচাৰ্য অতুলচন্দ্ৰ হাজৰিকা, গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা ইত্যাদিৰ জীৱন কাহিনী সোঁৱৰাৰ উদ্দেশ্যে হোলাংকাটনি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী শিক্ষক নাট্যকৰ্মী কুমুদ কলিতাৰ বাসগৃহত স্মৃতি দিৱস উদযাপন কৰে। 'আগন্তুক'ৰ সভাপতি যোগ গগৈৰ সঞ্চালনাত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাখনিত বহু কণ-কণ শিশুৱেও অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বৃক্ষৰোপণ কৰে আদৰ্শ শিপিনী পূৰ্ণিমা দত্তই। অনুষ্ঠানৰ মূল শিৰোমণি প্ৰয়াতসকলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে লোক শিল্পী জুনু কলিতাই আৰু উক্ত কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় ক্ৰমে লীলা কান্ত নেওগ আৰু অকণ কলিতাই। ইয়াৰ পিছতেই প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু প্ৰয়াত শিক্ষাবিদ কমিউনিষ্ট নেতা খৰ্গেশ্বৰ কলিতাৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বুলু দত্ত আৰু বয়োজ্যেষ্ঠ নাগৰিক সুৰেন দত্তই । উদ্বোধনী ভাষণ আগবঢ়ায় শিক্ষাবিদ নাট্যশিল্পী প্ৰণৱজ্যোতি দত্তই। ইয়াৰ পিছতেই আদৰণি ভাষণ আগবঢ়ায় 'আগন্তুক'ৰ মুখ্য সম্পাদক দিলীপ শইকীয়াই। অনুষ্ঠানটোত মুখ্য বক্তা হিচাপে উপস্থিত থকা বিশিষ্ট লেখক শিল্পী সাংবাদিক ধীৰেণ ফুকনে তেখেতৰ ভাষণ প্ৰসংগত কয় যে-ড° কৃষ্ণকান্ত সন্দিকৈয়ে পাণ্ডিত্যপূৰ্ণ কামবোৰ কৰাৰ উপৰিও অসমৰ উচ্চ শিক্ষাৰ বুনিয়াদ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। অন্যহাতে তেখেতে উত্তৰ পূব ভাৰতৰ প্ৰথমখন বেচৰকাৰী ডিগ্ৰী মহাবিদ্যালয় যোৰহাট জে বি কলেজ আৰু অসমৰ প্ৰথমখন গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ লগতে দুয়োটা শিক্ষানুষ্ঠানৰ মুৰব্বী ৰূপে সফল আৰু সবল নেতৃত্ব দিবলৈ সক্ষম হৈছিল। অন্যহাতে অনুষ্ঠানত উপস্থিত থকা অন্যান্য নিমন্ত্ৰিত অতিথিসকলে নিজ নিজ ভাষণ প্ৰসংগত উল্লেখ কৰে যে- প্ৰয়াত অতুল চন্দ্ৰ হাজৰিকাই অসমীয়া নাট্য সাহিত্যৰ সমৃদ্ধ কৰি যোৱাৰ লগতে অসমীয়া সাহিত্যৰ ইতিহাস চিৰযুগমীয়া কৰি থৈ গৈছিল। অন্যহাতে তেখেতৰ সাহিত্যি একাডেমী বিজয়ী গ্ৰন্থ 'মঞ্চলেখা' বিগত পাঁচ বছৰে অসমীয়া নাটকৰ গৌৰৱ গাঁথা হৈ আছে আৰু তেওঁলোকে কয় যে- আধুনিক অসমীয়া সংগীতৰ ধাৰা সৃষ্টিত ত্ৰি- প্ৰসাদৰ অন্যতম পাৰ্বতী প্ৰসাদ বৰুৱাৰ অৰিহণা অনস্বীকাৰ্য। ইয়াৰ উপৰিও গীতিকবি হিচাপে অসমীয়া সাহিত্য সংগীতৰ বুৰঞ্জীত তেখেতৰ নাম সদায় লিপিবদ্ধ হৈ থাকিব। এই অনুষ্ঠানতেই কস্তুৰী বাইলুং, এনিশা দত্ত,আৰ্কিড চেতিয়া,আৰোহণ মিলি,



জ্যোতিষ্মান ফুকন,জ্যোতি স্মিতা শইকীয়া আদি কেইবাগৰাকীও কণ্ঠ সংগীতৰ শিক্ষাৰ্থীয়ে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। অন্যহাতে অনুষ্ঠানটোত উপস্থিত থকা জ্যেষ্ঠ শিল্পী প্ৰভাত কোঁৱৰ, বিপিন হাজৰিকা,মেদিনী মোহন মিলি,বুবুল দত্ত ইত্যাদিয়ে পাৰ্বতী প্ৰসাদ গীত পৰিৱেশন কৰে। ইয়াৰ লগতে অতুলচন্দ্ৰ হাজৰিকাৰ ৰচিত 'প্ৰথম সন্তান' কবিতাটি আবৃত্তি কৰে দৃষ্টিনন্দন কলিতাই। অন্যহাতেদি কুমুদ কলিতাই অতুল চন্দ্ৰ হাজৰিকাৰ ৰচিত 'শেষ নোহোৱা সাধু' কবিতাটো নাট্য ৰূপ দিয়ে আৰু উক্ত নাট্য ৰূপ দিয়া সাধুটোত ১৪ গৰাকী শিশুৱে নাটক আকাৰে অভিনয় কৰি সকলোকে মুগ্ধ কৰে। এই নাটখনিৰ সংগীত পৰিচালনাৰ দায়িত্বত আছিল দুই চেমনীয়া ক্ৰমে দিব্য দৰ্শন আৰু দৃষ্টি নন্দন। অনুষ্ঠানটোত নাট্যকৰ্মী অনুৰাগ শৰ্মা,অৰুণ কোঁৱৰ,পৰাগ ৰায় বৰুৱা, মনোজ ফুকন, মিণ্টু চেতিয়া, ৰমেন বৰুৱা, দেৱজিৎ শৰ্মা, ললিত গগৈ, মঞ্জু দত্ত, ৰিকুমণি ফুকন আদি সক্ৰিয় কৰ্মীসকল উপস্থিত থাকে। ৰণজিৎ ফুকনে আঁত ধৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় কুমুদ কলিতাই।

# বন্ধন বেংক-চেণ্ট্ৰাম ফিনভাৰ্চে মুকলি কৰিলে ৩-ইন-ৰ বিনিয়োগ মঞ্চ

## একেটা প্লেটফৰ্মৰ জৰিয়তে গ্ৰাহকে লাভ কৰিববেংকিং, ডিমেট আৰু ট্ৰেডিং সেৱা

**কলকাতা, ৯ জুনঃ** বন্ধন বেংকে আজি চেণ্ট্ৰাম গ্ৰুপৰ সম্পূৰ্ণ সেৱাপ্ৰদানকাৰী ব্ৰ'কাৰেজ প্ৰতিষ্ঠান চেণ্ট্ৰাম ফিনভাৰ্চ লিমিটেডৰ সৈতে এক কৌশলগত অংশীদাৰিত্বৰ কথা ঘোষণা কৰিছে। এই অংশীদাৰিত্বৰ জৰিয়তে এক নিৰৱিচ্ছিন্ন ৩-ইন-ৰ একাউণ্ট সুবিধা আগবঢ়োৱা হ'ব, য'ত বেংকিং, ডিমেট আৰু ট্ৰেডিং সেৱাসমূহ একেটা প্লেটফৰ্মত সংযুক্ত কৰা হ'ব। এই সহযোগিতাৰ মূল উদ্দেশ্য হৈছে গ্ৰাহকৰ বিনিয়োগ যাত্ৰাক অধিক সহজ কৰি তোলা আৰু ভাৰতৰ দ্ৰুতগতিত বিকশিত হৈ থকা বিত্তীয় বজাৰত অংশগ্ৰহণ অধিক সুবিধাজনক কৰা। এই সংযুক্ত সেৱাৰ জৰিয়তে গ্ৰাহকে কাগজবিহীন আৰু সহজ প্ৰক্ৰিয়াৰে নিজৰ বেংকিং, ডিমেট আৰু ট্ৰেডিং একাউণ্ট খুলিব আৰু পৰিচালনা কৰিব পাৰিব। বন্ধন বেংকৰ বিস্তৃত শাখা নেটৱৰ্ক আৰু ডিজিটেল প্লেটফৰ্মৰ সহায়ত গ্ৰাহকে ইকুইটি, আই পি অ', ডেৰিভেটিভ, ই টি এফ আৰু সূচকাংক আদি বিভিন্ন বিনিয়োগৰ সুযোগ লাভ কৰিব। লগতে চাৰ্ট-ভিত্তিক এক্সিকিউচন, এলগৰিদমিক কৌশল আৰু মাৰ্জিন লিভাৰেজৰ দৰে উন্নত ট্ৰেডিং সুবিধাও উপলব্ধ হ'ব। চেণ্ট্ৰাম ফিনভাৰ্চৰ প্ৰযুক্তিনিৰ্ভৰ বিনিয়োগ প্লেটফৰ্ম আৰু বন্ধন বেংকৰ শক্তিশালী গ্ৰাহকভিত্তিক ব্যৱস্থাক একত্ৰিত কৰি এই অংশীদাৰিত্বই সুৰক্ষিত, সহজ আৰু গ্ৰাহক-কেন্দ্ৰিক অভিজ্ঞতা প্ৰদানৰ লক্ষ্য লৈছে। ভাৰতৰ বিনিয়োগ পৰিস্থিতিতন্ত্ৰই এক উল্লেখনীয় গতি লাভ কৰিছে,যত উদ্যোগৰ ধাৰাসমূহে খুচুৰা অংশগ্ৰহণ আৰু ডিজিটেল গ্ৰহণযোগ্যতাৰ ধাৰাবাহিক বৃদ্ধিৰ দিশ আঙুলিয়াই দিছে। এহ ৩-ইন-ৰ প্লেটফৰ্মটো গ্ৰাহকসকলক নিজৰ বেংকিং আৰু বিনিয়োগৰ প্ৰয়োজনীয়তাসমূহ পৰিচালনা কৰাৰ বাবে একত্ৰিত আৰু দক্ষ উপায় প্ৰদান কৰি এই চাহিদা পূৰণ কৰিব পৰাকৈ ডিজাইন কৰা হৈছে। এই অংশীদাৰিত্ব সম্পৰ্কে মন্তব্য কৰি বন্ধন বেংকৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া পাৰ্থ প্ৰতিম সেনগুপ্তাই কয় যে 'বন্ধন বেংকত আমি সদায়েই গ্ৰাহকৰ বাবে বিত্তীয় সেৱাসমূহ অধিক সহজলভ্য, অন্তৰ্ভুক্তিমূলক আৰু সুবিধাজনক কৰাৰ চেষ্টা কৰি আহিছোঁ। চেণ্ট্ৰাম ফিনভাৰ্চৰ সৈতে এই অংশীদাৰিত্ব সেই লক্ষ্যৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ইয়াৰ জৰিয়তে বিশ্বাসযোগ্য বেংকিং আৰু উন্নত বিনিয়োগ সুবিধা একেটা প্লেটফৰ্মত উপলব্ধ হ'ব। আমি বিশ্বাস কৰোঁ যে এনে সমন্বিত সমাধানসমূহে দেশজুৰি গ্ৰাহকসকলক আত্মবিশ্বাস আৰু উপযুক্ত সঁজুলি প্ৰদান কৰি সঞ্চয় বৃদ্ধি আৰু সম্পদ সৃষ্টিত সহায় কৰিব।' চেণ্ট্ৰাম গ্ৰুপৰ কাৰ্যবাহী অধ্যক্ষ যশপাল বিন্দ্ৰাই কয় যে 'এই অংশীদাৰিত্বই বিনিয়োগৰ সুযোগসমূহ অধিক গণমুখী কৰাৰ প্ৰতি আমাৰ প্ৰতিশ্ৰুতিৰ প্ৰতিফলন। বন্ধন বেংকৰ গ্ৰাহক-কেন্দ্ৰিক দৃষ্টিভংগীৰ সৈতে আমাৰ দক্ষতা একত্ৰিত কৰি আমি এনে এক শক্তিশালী প্লেটফৰ্ম গঢ়ি তুলিছোঁ, যিয়ে সুৰক্ষা আৰু উৎকৃষ্ট সেৱা নিশ্চিত কৰাৰ লগতে বিনিয়োগ যাত্ৰাক অধিক সহজ কৰি তুলিব।'

# মৰিগাঁও জিলাৰ সমবায় সমিতি সমূহৰ কৰ্মচাৰী সন্থাৰ গঠন

**মৰিগাঁও, ৯ জুন ঃ** মৰিগাঁও জিলাৰ সমবায় সমিতি সমূহৰ কৰ্মচাৰীসকলৰ এখন সাধাৰণ সভা আজি মৰিগাঁও জিলাৰ সাংবাদিক সংস্থাৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। বঘৰা সমবায় সমিতি লিমিটেডৰ সচিব দিলীপ ৰাজকুমাৰৰ সভাপতিত্বত অনুষ্ঠিত আৰু ইছস্তাকুৰ ৰহমানে আঁত ধৰা সভাখনত সমবায় সমিতি সমূহৰ বিভিন্ন সমস্যাৰাজীৰ ওপৰত আলোচনা কৰা হয়। উক্ত সভাতে সমবায় সমিতি সমূহৰ কৰ্মচাৰীসকলৰ অভাৱ-অভিযোগ তথা সমস্যাৰাজীৰ সমাধানকল্পে মৰিগাঁও জিলাৰ সমবায় সমিতি কৰ্মচাৰী সন্থাৰ নামেৰে এটা নতুন সংগঠন আৰম্ভ কৰাত সভাই অনুমোদন দিয়ে। কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ সভাখনত ভৈৰৱ বৰকাকতিক সভাপতি, ইছস্তাকুৰ ৰহমানক সম্পাদক, দিলীপ ৰাজকুমাৰক উপদেষ্টা হিচাপে ২১ জনীয়া কাৰ্যকৰী সমিতি এখন নিৰ্বাচন কৰি নতুন সংগঠনটোৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰে সভাই।

# বজালীৰ বিভিন্ন প্ৰান্তত প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান

**প্ৰাঞ্জল দাস, পাঠশালা, ৯ জুনঃ** মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে সমগ্ৰ দেশৰ লগতে বজালী জিলাতো মংগলবাৰে 'প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান' সফলতাৰে ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান,বজালী জিলাৰ উদ্যোগত আঁচনিখনৰ ১০বছৰীয়া সফলতা উপলক্ষে জিলাখনৰ বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানত বিশেষ তৎপৰতাৰে কাৰ্যসূচীসমূহ ৰূপায়ণ কৰা হয়। জিলাখনৰ অগ্ৰণী চিকিৎসা প্ৰতিষ্ঠান শ্বহীদ মদন ৰাওতা অসামৰিক চিকিৎসালয়, মাজগাঁও আদৰ্শ চিকিৎসালয়,ভৱানীপুৰ সামূহিক স্বাস্থ্য কেন্দ্ৰ আৰু সৰুটাপা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লগতে বিভিন্ন অঞ্চলত অৱস্থিত আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত পুৱাৰে পৰা গৰ্ভৱতী মহিলাসকলক গুণগত মানসম্পন্ন স্বাস্থ্যসেৱা আগবঢ়োৱা হয়।আঁচনিখনৰ অধীনত গৰ্ভাৱস্থাৰ দ্বিতীয় আৰু তৃতীয় ত্ৰৈমাসিকত থকা মহিলাসকলক বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰাক-প্ৰসৱকালীন পৰীক্ষাৰ সুবিধা প্ৰদান কৰা হয়। লগতে গৰ্ভাৱস্থাত দেখা দিব পৰা উচ্চ বিপদাশংকা লক্ষণসমূহ আগতীয়াকৈ চিনাক্ত কৰি প্ৰয়োজনীয় চিকিৎসা আৰু বিশেষ যত্নৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।ইয়াৰ উপৰি গৰ্ভৱতী মহিলাসকলৰ ওজন, উচ্চতা,ৰক্তচাপ আদিৰ জোখ লোৱাৰ লগতে তেজ আৰু প্ৰস্ৰাৱৰ প্ৰয়োজনীয় পৰীক্ষাসমূহ সম্পূৰ্ণ বিনামূলীয়াকৈ সম্পন্ন কৰা হয়। আইৰণ-ফলিক এচিড টেবলেটকে ধৰি প্ৰয়োজনীয় ঔষধো বিনামূলীয়াকৈ বিতৰণ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান,বজালী জিলা কৰ্তৃপক্ষই গৰ্ভৱতী মহিলাসকলক অনাগত দিনত এই আঁচনিৰ পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। লগতে আঁচনিখনৰ বিষয়ে অধিক তথ্যৰ বাবে স্থানীয় আশাকৰ্মী, স্বাস্থ্যকৰ্মী অথবা নিকটৱৰ্তী স্বাস্থ্যকেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। বজালী জিলা স্বাস্থ্য বিভাগে জানিবলৈ দিয়া মতে অনুষ্ঠিত এই কাৰ্যসূচীত বহুসংখ্যক গৰ্ভৱতী মহিলাই অংশগ্ৰহণ কৰি স্বাস্থ্য পৰীক্ষা আৰু পৰামৰ্শৰ সুবিধা লাভ কৰে।

*No.DDB-148/15th FC/2020-21/1160* *Dated Debitola, the 09th June, 2026*

**SHORT NOTICE INVITING TENDER**

Sealed tender affixing Court Fee of Rs. 8.25 (Rupees eight & twenty five paisa) only with a validity period of 180 (One hundred eighty) days, which will subsequently to be converted and drawn up in the APWD's F-2 forms are invited from the registered contractors of Class-III, Class-II and Class-I (A, B & C) category of Assam (Roads & Building) and BTC, according to their eligibility for submitting tenders for the following works under 15th Finance Commission for the year 2024-25 during 2025-26. The tenders will be received by the undersigned up to 2:00 PM on 02/07/2026 and will be opened on the same date and place at 2:30 PM.

| Sl. No. | Name of work | A. A. Amount | Earnest Money | Cost of tender paper | Time of completion |
|---|---|---|---|---|---|
| 1 | Const. of Community Toilet at Shiv Mandir at Matijhora Village. | Rs.11,00,000/- | Rs. 11,000/- (1% for ST, SC & OBC) & Rs. 22,000/- (2% for Gen) | Rs. 330/- | 3 Months |

Details NIT may be seen in all working days during office hours in the office of the undersigned tender papers will be issued to the contractors or their authorized agent from 10/06/2026 to 02/07/2026 in the office of the undersigned on payment of cost of tender paper in the form of demand draft/bankers cheque from any Nationalized Bank, duly pledged in favour of the Principal Secretary, BTC, Kokrajhar, payable at Kokrajhar.

Sd/- Block Development Officer,
Debitola Dev. Block, Debitola

**IPR(BTC)/C/2026-27/492**

# ভাল কাম কৰাৰ সংকল্পৰে ৰাইজৰ আৰ্শীবাদ বিচাৰিলে মন্ত্ৰী পিয়ুষ হাজৰীকাই

**বাতৰি কাকত, কামপুৰ, ৯ জুন ঃ** 'এইবাৰৰ মন্ত্ৰীত্বৰ তৃতীয়টো কাৰ্যকালৰ প্ৰথম দিনটোত ছাত্ৰ -ছাত্ৰীৰ লগত সম্পৰ্কত থকা এটা ভাল কামৰে আৰম্ভ কৰিছো। এই কাম কৰি মই সুখী আৰু আনন্দিত । যাতে আগলৈও ভাল কাম কৰিব পাৰো তাৰ বাবে আপোনালোকৰ পৰা আৰ্শীবাদ। বিচাৰিছো।'— এই মন্তব্য অসম চৰকাৰ কৃষি, জলসিঞ্চন বিভাগৰ লগতে নগাঁৱকে ধৰি চাৰিখন জিলাৰ অভিভাৱক মন্ত্ৰীত্ব লাভ কৰা পিয়ুষ হাজৰিকা। উল্লেখ্য যে আজি মন্ত্ৰী হাজৰিকা তৃতীয়বাৰৰ বাবে মন্ত্ৰীত্বৰ দায়িত্ব লাভ কৰিয়েই নগাঁৱৰ কঠীয়াতলীত উপস্থিত হয়। অসম সৰ্বশিক্ষা অভিযান আঁচনিৰ অধীনত নিৰ্মাণ কৰা নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় শুভ উদ্বোধন কৰে মন্ত্ৰী গৰাকীয়ে। কৃষি আৰু জলসিঞ্চন বিভাগৰ দায়িত্ব লাভ কৰা পিছতে কয় যে অনাগত দিনত বঢ়মপুৰ সমষ্টিৰ কৃষক সকলক কৃষি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ ব্যাপক প্ৰচেষ্টা চলাব। এই সম্পৰ্কত মন্ত্ৰী হাজৰিকাই কয় যে অনাগত দিনত সমগ্ৰ অসমৰ লগতে বঢ়মপুৰ সমষ্টিৰ কৃষক সকলক কৃষি আৰু জলসিঞ্চনৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ ব্যাপক প্ৰচেষ্টা চলাব। তেওঁএনেধৰনে মন্তব্য কৰে 'আজি তৃতীয়বাৰৰ কাৰনে মন্ত্ৰী হোৱাৰ পাছত মই নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পালো, হোজাই জিলাৰ অভিভাৱক মন্ত্ৰীৰ দ্বায়িত্ব পালো ।আজি অভিভাৱক মন্ত্ৰীৰ দ্বায়িত্ব লবলৈ অহাৰ সময়ত এটা খুব ভাল কাম মোৰ হাতৰে হ'ল। জিতু গোস্বামী ডাঙৰীয়াই মোক কলে এশ ল'ৰা-ছোৱালী যাৰ পিতৃ -মাতৃ নাই ;যি আৰ্থিকভাৱে স্বচ্ছল নহয় ;তেওঁলোকক আৱাসৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই কামতো মোৰ হাতৰে কৰা হ'ল । মই অত্যন্ত সুখী অতন্ত আনন্দিত। কৃষকৰ লগত জড়িত দুটাকৈ বিভাগ লাভ কৰি কেনেদৰে পদক্ষেপ লব বুলি সাংবাদিকে কৰা প্ৰশ্নৰ কৃষি আৰু জলসিঞ্চন বিভাগৰ নৱনিৰ্বাচিত মন্ত্ৰী হাজৰিকাই কয় ;বহুত খিনি কাম কৰিব লাগিব, কিন্তু মই বিভাগৰ বিভাগৰ বিষয়া সকলৰ লগত বালকৈ বহাৰ সুযোগ পোৱা নাই, কিন্ত এটা কথা সত্তৰ শতাংশ -পয়সত্তৰ শতাংশ অসমৰ মানুহ কৃষিৰ লগত জড়িত ।কৃষকক সহায় কৰিবই লাগিব, কৃষকৰ উৰ্পাজন দুগুন কৰিবই লাগিব। আমাৰ যি পৰম্পৰাগত কৃষি পদ্ধতি তাক সলনি কৰিব লাগিব ।অকল ধান খেতি কৰি আমি লাভান্বিত হব নোৱাৰো। কি কি খেতি কৰিলে অধিক লাভান্বিত হ'ব পাৰো, উপাৰ্জন দুগুন বৃদ্ধি হ'ব পাৰে তাৰ কাৰনে কাম কৰিবলৈ নিশ্চয়কৈ যত্ন কৰিম আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই জলসিঞ্চন বিভাগটো মোক চাবলৈ দিছে ।কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগ খুব নিবিড় সম্পৰ্ক ।আমি কেতিয়া কৰিম, যেতিয়া পানী থাকে ।বাৰিষাও কেতিয়াবা খৰাং হয় তেতিয়া পানী দিব লাগিব। আমাৰ খৰালি দিনত যি খিনি খেতি হয় সেইখিনিৰ তুলনামূলক ভাৱে দাম বেচি হয়। কিন্তু পানীৰ অভাৱত আমি কৰিব নোৱাৰো ।গতিকে পানী দিবলৈ নিশ্চয় কৈ চেষ্টা কৰিম। বঢ়মপুৰ সমষ্টিৰ কামপুৰৰ কপিলী আৰু নিশাৰী নৈৰ বহু জলসিঞ্চন আচনিয়েই বৰ্তমান পৰিত্যক্ত হৈ থকা বুলি সাংবাদিকে সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী হাজৰিকাই কয়— মই মন্ত্ৰীৰ দ্বায়িত্ব লোৱাই নাই কিন্তু কাম কৰিবলৈ যত্ন কৰিম ।আজি বহুত কিবা কৈ দিম মানুহে কব বহুত বহুত কথা কয়। কিন্তু যত্ন কৰাৰ ক্ৰতি নকৰো। জলসম্পদ বিভাগৰ মন্ত্ৰী আছিলো ।চেষ্টা কৰিছিলো, সেইকাৰনে হয়তু বঢ়মপুৰ সমষ্টিত এতিয়া মথাউৰি নথকা এটা যেগাও নাই। গতিকে জলসিঞ্চন আৰু কৃষি বিভাগৰ কাম কৰিবলৈ যত্ন কৰিম। এই সম্পৰ্কত অনুষ্ঠিত এখন সভাত ভাষন প্ৰদান কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে।

## ধুবুৰীত চুৰি কৰা সামগ্ৰীসহ দুজন গভাইত চোৰক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ধুবুৰী, ৯ জুন ঃ** ধুবুৰীত চুৰি হোৱা এখন মটৰ চাইকেল উদ্ধাৰ কৰিবলৈ গৈ ধুবুৰী আৰক্ষীয়ে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে দুজন গভাইত চোৰক কৰায়ত্ব কৰিবলৈ সক্ষম হৈছে। যোৱা নিশা ধুবুৰী চহৰৰ পৰা এখন মটৰ চাইকেল চুৰি হোৱা বুলি ভুক্তভোগীয়ে ধুবুৰী সদৰ থানাত অভিযোগ দাখিল কৰাৰ পিছতেই আৰক্ষী তৎপৰ হৈ পৰে। অভিযোগৰ ভিত্তিত ঘটনাস্থলীৰ চিচিটিভি ফুটেজ সংগ্ৰহ কৰি তদন্ত আৰম্ভ কৰে যদিও ফুটেজত চোৰক ভালকৈ চিনাক্ত কৰিব নোৱাৰিলেও আৰক্ষীয়ে বিভিন্ন স্থানত খবৰ লৈ ধুবুৰী চহৰৰ সমীপৱৰ্তী ঝাগৰাৰপাৰ তৃতীয় খণ্ডলৈ বাইকখন নিয়া বুলি জানিব পাৰে। উক্ত তথ্যৰ ভিত্তিত ঝাগৰাৰপাৰ তৃতীয় খণ্ডত অভিযান চলাই আৰক্ষীয়ে স্থানীয় যুৱক সাজিত ৰোশণৰ ঘৰত তালাচী চলায়। তালাচীৰ সময়ত চুৰি হোৱা এএছ-১৭ডি-২৮৯২ নম্বৰৰ মটৰ চাইকেলখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সাজিত ৰোশণক ঘটনাস্থলীতে জেৰা কৰাৰ পিছত তেওঁৰ লগত আন এজন চোৰ জড়িত থকা বুলি স্বীকাৰ কৰে। সেই স্বীকাৰোক্তিৰ ভিত্তিত বগুলামাৰী গাওঁত অভিযান চলাই ৰফিকুল ইছলামৰ ঘৰত তালাচী চলোৱা হয়। তাতেই আৰক্ষীয়ে আন এখন চুৰি মটৰ চাইকেল, তিনিখন চাইকেল আৰু বৃহৎ পৰিমাণৰ বিভিন্ন ধৰণৰ চুৰি কৰা সামগ্ৰী উদ্ধাৰ কৰে। পিছত উদ্ধাৰ কৰা সকলো সামগ্ৰী জব্দ কৰি ঝাগৰাৰপাৰ তৃতীয় খণ্ডৰ সাজিত ৰোশণ আৰু বগুলামাৰী গাওঁৰ ৰফিকুল ইছলামক আটক কৰি সদৰ থানালৈ লৈ আনে। আৰক্ষীয়ে জনোৱা মতে এই চুৰিৰ ঘটনাৰ লগত আৰু কোন জড়িত আছে সেই বিষয়ে তদন্ত অব্যাহত ৰাখিছে। ধুবুৰী আৰক্ষীৰ এই তৎপৰতাক স্থানীয় ৰাইজে শলাগ লৈছে।

## যুৱ প্ৰজন্ম সমাজৰ প্ৰতি দ্বায়িত্বশীল হোৱা উচিত ঃ হেমন্ত চৌধুৰী

**বাতৰি কাকত,শুৱালকুছি, ৯ জুনঃ** সাম্প্ৰতীক সময়ত অধিক সংখ্যক যুৱ প্ৰজন্ম সমাজৰ প্ৰতি দ্বায়িত্বশীল নহয়। যাৰবাবে বেছিভাগ সমাজ এক বিশৃংখলতাৰ মাজৰে চলিছে। সমাজৰ এই বিশৃংখল পৰিৱেশ সলনি কৰিবলৈ হলে আজিৰ যুৱ প্ৰজন্ম সমাজৰ প্ৰতি দ্বায়িত্বশীল হোৱা উচিত। এই মন্তব্য মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ। আজি শুৱালকুছি নৱ যুৱ জাগৰণ। সংঘৰ এটা অনুস্থানত অংশ গ্ৰহণ কৰি তেওঁ পুনৰ কয় যে একাশং যুৱ প্ৰজন্ম সাংঘাটিক ধৰণে ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। এওঁলোক সদায় সমাজৰ পৰা বিছিন্ন হৈ থাকিব বিচাৰে। যাৰফলত সমাজত এওঁলোকৰে একাংশই বিশৃংখল সৃষ্টিত ইন্ধন যোগাই আহিছে। অৱশ্যে আন একাংশই সমাজৰ লগত নিজকে জড়িত কৰি নিজৰ নিজৰ সামজখন আগবঢ়াই নিয়াত উচিত ভূমিকা পালন কৰি আহিছে। আমি সকলোৱে জ্যেষ্ঠ সকলৰ আদৰ্শ গ্ৰহণ কৰি প্ৰতিখন সমাজত এক ভাতৃত্ববোধৰ সমন্নয় গঢ়ি তুলিব লাগে। বিষয়া গৰাকীয়ে নৱ যুৱ জাগৰণ সংঘৰ কাৰ্যকৰ্তা সকলক সমাজৰ প্ৰতি দ্বায়িত্বশীল হৈ ইয়াৰ সমাজ ব্যৱস্থা সুস্থিৰ আৰু একাত্মবোধৰে গঢ় দিবলৈ আহ্বান জনায়। সমাজৰ পৰা বিশৃংখল আতৰ হলেই অসমৰ সমাজ ব্যৱস্থা সুন্দৰ হৈ পৰিব আৰু প্ৰতিগৰাকী ব্যক্তি সমাজত সুখ আৰু শান্তিৰে বসবাস কৰিব পাৰিব। অনুষ্ঠানত শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, সমাজকৰ্মী ভৱেশ দাস, নৱ যুৱ জাগৰণ সংঘৰ ধনজিৎ নাথ প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ছমৰীয়াৰ টুপামাৰীত বাইক চুৰি, চাঞ্চল্য

**বাতৰি কাকত, নগৰবেৰা, ৯ জুনঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ টুপামাৰী আৰক্ষী চকী অন্তৰ্গত ৩ নং টুপামাৰীত যোৱা নিশা এগৰাকী লোকৰ ঘৰৰ পৰা চোৰে এখন বাইক চুৰি কৰি লৈ যোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে ৩ নং টুপামাৰী গাঁৱৰ হালিম আলীৰ এ এছ ২৫ এ বি ০৮২১ নম্বৰৰ এখন বাইক নিশা তেওঁৰ ঘৰৰ পৰা চুৰি কৰি নিয়ে। আজি পুৰা ভাগত এই চুৰি কাণ্ডৰ ঘটনা পোহৰলৈ আহে। ইতিমধ্যে ঘটনা সন্দৰ্ভত বাইকৰ স্বাধিকাৰী হালিম আলীয়ে টুপামাৰী আৰক্ষী চকীত এক এজাহাৰ দাখিল কৰিছে।

### হেৰাইছে

অলপতে মোৰ উচ্চতৰ মাধ্যমিক (H.S.) পৰীক্ষাৰ এডমিড কাৰ্ড, চাৰ্টিফিকেট, মাৰ্কশ্বীট আৰু ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেটখন হেৰাইছে। এই সন্দৰ্ভত হাজো থানাত এখন আৰক্ষী প্ৰতিবেদন দাখিল কৰা হৈছে। যদি কোনো সদাশয় ব্যক্তিয়ে উক্ত নথিপত্ৰসমূহ বিচাৰি পায়, তেন্তে তলত দিয়া ঠিকনাত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

**নাম ঃ ৰাজীৱ বৈশ্য**
গাঁও- উলুবাৰী
ডাকঘৰ ঃ উলুবাৰী
থানা ঃ নলবাৰী
জিলা ঃ নলবাৰী (অসম)

### স্পষ্টীকৰণ

বিগত মাহৰ ২৪ মে' তাৰিখে মন্দিয়া আৰক্ষী চকীৰ অন্তৰ্গত মন্দিয়া পাথাৰ গাঁৱত সংঘটিত বাইক দুৰ্ঘটনাত মোৰ মাতৃ চন্দ্ৰভানু (৫২)ৰ মৃত্যু ঘটে। এই বিষয়ে একাধিক অসমীয়া দৈনিক বাতৰি কাকতত প্ৰকাশিত বাতৰিবোৰ আমাৰ দৃষ্টিগোচৰ হৈছে। দুৰ্ঘটনাৰ সময়ত প্ৰকাশিত বাতৰিত এ এছ ১৫ টি ৭৬৬৩ নম্বৰৰ পালচাৰ ১৫০ মটৰচাইকেল খন ফৰহাদ আলীৰ পুত্ৰ আমিনুল ইছলামে চলাইছিল। কোনো ব্যক্তিয়ে সংবাদ দাতাক ভুল তথ্য দি বাতৰি পৰিৱেশন কৰাত দুখ অনুভৱ কৰিছোঁ।

**আলামিন**
পিতৃ ঃ খবিৰ উদ্দিন
মাতৃ ঃ চন্দ্ৰ ভানু
গাঁও ঃ মন্দিয়া পাথাৰ

## তেজপুৰৰ জনপ্ৰিয় দিব্যাংগ কণ্ঠশিল্পী স্বৰ্ণালী দেৱীৰ অকাল বিয়োগ

**বাতৰি কাকত, তেজপুৰ, ৯ জুন ঃ** তেজপুৰৰ এগৰাকী জনপ্ৰিয় দিব্যাংগ কণ্ঠশিল্পী স্বৰ্ণালী দেৱীৰ দীঘলীয়া অসুস্থতাৰ পাছত আজি দিনৰ প্ৰায় ১-৩০বজাত অকাল বিয়োগ ঘটে। উল্লেখযোগ্য যে শাৰীৰিক বাধাগ্ৰস্ততাৰ মাজতো প্ৰবল মানসিক শক্তিৰে জীৱন সংগ্ৰামত প্ৰতিটো পল অতিবাহিত কৰি শেহতীয়াকৈ প্ৰায় দুটাকৈ বছৰ শেতেলীতে জীৱন পাৰ কৰা তেজপুৰৰ নিকটৱৰ্তী নিজ হলেশ্বৰ নিবাসী সৰবৰহী দিব্যাংগ কণ্ঠশিল্পী স্বৰ্ণালী দেৱীৰ অকাল বিয়োগত দিব্যাংগ সুৰক্ষা মঞ্চ অসমে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰনিধানযোগ্য যে উত্তৰ অসম দিব্যাংগ সন্থাৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্বতো আছিল সুললিত কণ্ঠৰ অধিকাৰী স্বৰ্ণালী। শাস্ত্ৰীয় সংগীতত বিশেষ দক্ষতা থকা স্বৰ্ণালীৰ প্ৰায় দুবছৰ পূৰ্বে জাপানীজ এন কে ফেলাইটিছ ৰোগত আক্ৰান্ত হোৱাৰ পিছত আৰ্থিকভাৱে পিছপৰা পৰিয়ালটিয়ে চিকিৎসা কৰি কোনোমতে সুস্থ কৰি তুলিছিল। কিন্তু সেই ৰোগৰ পৰা সম্পূৰ্ণ আৰোগ্য কৰিবলৈ যথেষ্ট ব্যয় সাপেক্ষ উন্নত চিকিৎসাৰ প্ৰয়োজন আছিল যদিও জীৱন -মৃত্যুৰে যুঁজি থকা স্বৰ্ণালীয়ে আজি শেষ নিশ্বাস ত্যাগ কৰাত তেজপুৰৰ লগতে সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পৰিছে । উল্লেখ্য যে নিজ বাসগৃহতে এখন সংগীত শিক্ষাৰ অনুষ্ঠান গঢ়ি তুলি স্বৰ্ণালীয়ে নিজৰ লগতে পৰিয়ালটিৰ আৰ্থিক স্বাৱলম্বীতাৰ পথ প্ৰশস্ত কৰি অহা স্বৰ্ণালী নৰিয়া পাটীত পৰাৰ বিগত প্ৰায় দুবছৰতকৈও অধিক সময় পৰিয়ালটি চৰম আৰ্থিক সংকটত পৰে একাংশ ব্যক্তিৰ সামান্য সহায়ৰ বাহিৰে চৰকাৰীভাৱে কোনো সাহায্য লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। স্বৰ্ণালীৰ আজিৰ মৃত্যুত দিব্যাংগ সুৰক্ষা মঞ্চ অসম,উত্তৰ অসম দিব্যাংগ সন্থা, তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, শোণিতপুৰ জিলাৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, শোণিতপুৰ শিল্পী সমাজ, বাণ থিয়েটাৰ, তেজপুৰ সাহিত্য সভা ,সাংস্কৃতিক অনুষ্ঠান চাতকৰ লগতে শোণিতপুৰ প্ৰেছ ক্লাব, তেজপুৰৰ কাৰ্যকৰী সভাপতি পংকজ বৰুৱা, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সম্পাদক মনোজ কুমাৰ শইকীয়া, সাংবাদিক সন্থা জাফাৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক হেমন্ত কুমাৰ নাথ আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে ।

## নৃত্যসূৰ্য পংকজ বৰুৱালৈ দিল্লী দূৰদৰ্শনৰ বিশেষ সন্মান

**গুৱাহাটী, ৯ জুন ঃ** অসমৰ বিশিষ্ট সত্ৰীয়া নৃত্যশিল্পী নৃত্যসূৰ্য পংকজ বৰুৱালৈ প্ৰচাৰ ভাৰতী দূৰদৰ্শন কেন্দ্ৰ, নতুন দিল্লীৰ তৰফৰ পৰা সত্ৰীয়া নৃত্যত মৰ্যাদাপূৰ্ণ বি-হাই গ্ৰেডৰ স্বীকৃতি প্ৰদান কৰিছে । বৰপেটা সুন্দৰীদিয়া সত্ৰৰ বাৰবুঢ়া প্ৰয়াত বিজয় কুমাৰ বৰুৱা আৰু ধৰ্মপ্ৰাণা মহিলা প্ৰয়াত হিৰণবালা বৰুৱাৰ চতুৰ্থতম পুত্ৰ পংকজ বৰুৱাই অসম তথা ভাৰতৰ বিভিন্ন মঞ্চৰ উপৰি ঢাকা চহৰতো নৃত্য প্ৰদৰ্শন কৰি সুখ্যাতি অৰ্জন কৰিছে । ইতিমধ্যে বৰুৱাই ইণ্টাৰনেচনেল গ্লোৱেল এৱাৰ্ড, ইণ্টাৰনেচনেল এছিভাৰ্চ এৱাৰ্ড, আইকন অৱ ইণ্ডিয়া এৱাৰ্ড, প্ৰাইড অৱ ভাৰত এৱাৰ্ড, ড° বি আৰ আম্বেদকাৰ নেচনেল এৱাৰ্ড, ৰবীন্দ্ৰ ৰত্ন এৱাৰ্ড আদি বিভিন্ন সন্মান আৰু বঁটা লাভ কৰিছে । নতুন প্ৰজন্মক সত্ৰীয়া নৃত্য আৰু খোলবাদনৰ প্ৰশিক্ষণৰ মাজেৰে তেখেতে গুৰুজনাৰ মহান সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হৈ আছে । তেখেতৰ এই স্বীকৃতিত সত্ৰীয়া সুধী সমাজে আনন্দ লাভ কৰিছে ।

## তেজপুৰত শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী বিশ্বজিত দৈমাৰী

**বাতৰি কাকত, তেজপুৰ, ৯ জুন ঃ**বান অহাৰ পূৰ্বেই শোণিতপুৰত কেনেদৰে আগতীয়া প্ৰস্তুতি গ্ৰহণ কৰা হৈছে আৰু জিলাখনত বান-খহনীয়া কিদৰে প্ৰতিৰোধ কৰিব পাৰি বা নিৰ্দিষ্ট সময়ত কিদৰে মোকাবিলা কৰা হ'ব সেই সম্পৰ্কে আগতীয়াকৈ বুজ ল'বলৈ তেজপৰত আজি উপস্থিত হয় শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী বিশ্বজিত দৈমাৰী। তেওঁ কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰমাৰ নিৰ্দেশমৰ্মেই আজি তেওঁ তেজপুৰত উপস্থিত হৈ এই বিভিন্ন বিষয়ৰ বুজ লয়। আজি বিয়লি তেজপুৰ বাটমাৰীস্থিত কনভেনছন চেন্টাৰত এই উপলক্ষে আয়োজিত এক পৰ্যালোচনা বৈঠকত বহু কেইটা চৰকাৰী বিভাগৰ মূৰব্বী তথা শীৰ্ষ বিষয়া আৰু কেবাজনো বিধিয়কৰ স'তে আলোচনাত মিলিত হয় মন্ত্ৰী দৈমাৰী ।তেওঁ বিধানসভাৰ অধ্যক্ষ হৈ থকা সময়ত উত্থাপিত অভিযোগ খণ্ডন কৰি কয় যে,এই সন্দৰ্ভত তেওঁ উত্তৰ দিবলগীয়া হ'লে বিধানসভা মজিয়াতে দিব ।বিধিনসভাৰ বিষয় বাহিৰত চৰ্চাকৰাৰ বিষয় নহয় বুলিও উল্লেখ কৰি দৈমাৰীয়ে কয় যে বিধানসভাৰ অধ্যক্ষ হিচাপে তেওঁৰ কাৰ্যকালত বিধানসভাৰ উন্নয়ন সাধন হোৱাৰ বিষয়ে উল্লেখ কৰি তেওঁ প্ৰয়োজন হ'লে বিধানসভাৰ বুজ লবলৈ তেজপুৰৰ সাংবাদিককো আমন্ত্ৰণ জনায়। আনহাতে, বৰ্তমান তেজপুৰৰ লিচুকলৈ ব্যাপক চৰ্চাৰ মাজতে এই সন্দৰ্ভত মন্ত্ৰী দৈমাৰীয়ে কয় যে দুই তিনিজন লোকে ৰোপন কৰা লিচু গছৰ ফল খাই থাকিলেই নহ'ব। সকলোৱে লিচু পুলি ৰোপন কৰিলেহে এখন বহল বজাৰ লাভ কৰিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰে মন্ত্ৰী জনে ।মন্ত্ৰী দৈমাৰীয়ে আগন্তুক দিনত তেজপুৰ তথা জিলাখনৰ লোকে সকলো ধৰণৰ অভাৱ-অভিযোগ তেওঁৰ ওচৰত দাখিল কৰিব পৰাকৈ তেজপুৰত অভিভাৱক মন্ত্ৰীৰ কাৰ্যালয় স্থাপন হ'ব বুলিও সদৰি কৰে আৰু ইয়াত ৰাইজে অভাৱ অভিযোগ দাখিল কৰিব পাৰিব বুলি কৈ দৈমাৰীয়ে পাৰ্যমানে অভাৱ-অভিযোগ দূৰ কৰাৰ চেষ্টা চলাব বুলি সদৰি কৰে। তেওঁ তেজপুৰৰ প্ৰত্নতাত্বিক সমল সমৃদ্ধ ঐতিহাসিক গড়দৌলৰ উন্নয়নকে ধৰি সৰ্বক্ষেত্ৰত সৰ্বাংগীণ উন্নয়নত অগ্ৰসৰ হ'ব লাগিব বুলিও মন্তব্য কৰে।

## পশু চিকিৎসা কৰ্মীৰ অনিয়মিত উপস্থিতিত ক্ষোভিত ৰাইজ

**বাতৰি কাকত, হোজাই, ৯ জুন ঃ** হোজাই জিলাৰ মোৰাঝাৰৰ বৃহত্তম পিৰবজাৰ অঞ্চলটো সামৰি পিৰবজাৰ পশু উপ স্বাস্থ্য কেন্দ্ৰ অৰ্থৎ পশু চিকিৎসালয়ত নিযুক্তিপ্ৰাপ্ত পশু চিকিৎসা কৰ্মী বেটেনাৰী ফিল্ড এচিষ্টেণ্ট সমুদ্ৰ বড়াৰ কৰ্তব্যত গাফিলতি কৰাৰ অভিযোগ উঠিছে। কাকো কেৰেপ নকৰা সমুদ্ৰ বড়াৰ নিয়মিতভাৱে উপস্থিত নথকাৰ বাবে স্থানীয় কৃষক আৰু গৃহস্থ ৰাইজে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। খবৰ অনুসৰি, গৰু-ম'হ, ছাগলীকে ধৰি গৃহপালিত পশুৰ চিকিৎসাৰ বাবে দূৰ-দূৰণিৰ পৰা অহা লোকসকলে প্ৰায়ে চিকিৎসক নাপাই ঘূৰি যাবলগীয়া হৈছে। স্থানীয় লোকৰ অভিযোগ, চিকিৎসালয়খন আছে মাথোন কিন্ত কামত নাই আৰু জৰুৰীকালীন অৱস্থাতো চিকিৎসা সেৱা উপলব্ধ নহয়। ইয়াৰ ফলত বহু পশুৰ ৰোগ বৃদ্ধি পোৱাৰ লগতে সময়মতে চিকিৎসা নোপোৱাৰ বাবে ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে বুলি কৃষকসকলে জনায়। মাহৰ পিছতে মাহ ধৰি চৰকাৰী দৰমহা উপভোগ কৰা এইগৰাকী বিয়াগোম পশু চিকিৎসা কৰ্মীয়ে তেওঁৰ উদ্বৰ্ধতম কতৃপক্ষ মেনেজ কৰি এনেধৰে চলি অহাৰ অভিযোগ উঠিছে ৷ৰাইজে সংশ্লিষ্ট পশুপালন আৰু পশুচিকিৎসা বিভাগক এই বিষয়ত তৎকালীন ব্যৱস্থা গ্ৰহণ কৰি চিকিৎসকৰ নিয়মিত উপস্থিতি আৰু নিয়মীয়া সেৱা নিশ্চিত কৰিবলৈ দাবী জনাইছে ৷ইপিনে কৃষিপ্ৰধান অঞ্চলটিৰ একমাত্ৰ উপ স্বাস্থ্য কেন্দ্ৰটিৰ জ্বৰাজীৰ্ণ অৱস্থা। আওপুৰণি ঘৰখন জহি খহি গৈছে। এই কেন্দ্ৰটি আধুনিকৰণ কৰাৰো ৰাইজে নৱগঠিত চৰকাৰ আৰু বিভাগীয় মন্ত্ৰীক দাবী জনাইছে।

## ৰঙিয়াৰ ৰুদ্ৰমণি ধাবা কাণ্ডৰ নতুন মোৰ কামাখ্যা মন্দিৰৰ ফটো ব্যৱহাৰ কৰা নাই ধাবাৰ স্বত্বাধিকাৰীয়ে

**বাতৰি কাকত, ৰঙিয়া বিশেষ, ৯ জুন ঃ** ধাবাখনৰ ভিতৰত অসমৰ প্ৰতিটো কৃতি চিহ্ন ফটো আকাৰে আৰি ৰাখিছে । প্ৰায়ে ধাবাখনৰ পৰা খানা খাই বিল পৰিশোধ নকৰে একাংশ নেতা পালিনেতাই। মঙলবাৰে নিশাও ইয়াকে লৈ দুয়োপক্ষৰ কাজিয়া হয় । ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, অঞ্জন ভূএগ, মানস বেজবৰুৱা আৰু পংকজ কলিতাক ধাবাৰ স্বত্বাধিকাৰী জয়নুৰ আলীক আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হৈছে ।ইতিমধ্যে চিচিটিভিত বন্দী হৈছে এই কাজিয়া আৰু মাৰপিটৰ দৃশ্য ।এই ঘটনাৰ পিছত আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে এজাহাৰ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে ধাবাৰ স্বত্বাধিকাৰীৰ পৰিয়ালে । আনকি মাজনিশা পৰিয়ালৰ লোকক আৰক্ষীয়ে হাৰাশাস্তি কৰাৰ ও অভিযোগ উত্থাপন হৈছে । এই ঘটনাত ইতিমধ্যে গুৰুতৰভাৱে আহত হৈ ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি হৈ আছে ৰুদ্ৰমণি ধাবাৰ স্বত্বাধিকাৰী জয়নুৰ আলী । সংবাদ মাধ্যমক এই কাজিয়াৰ চিচিটিভিৰ ভিডিঅক্সযোগান ধৰিছে । আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে । এতিয়া এই ঘটনাত কোন সঁচা কোন মিছা সেয়া আৰক্ষীৰ তদন্তত পোহৰলৈ আহিব

## নগাঁৱৰ জামুগুৰিত বিশ্ব পৰিবেশ দিবসত 'জ্ঞানবৃক্ষ' উন্মোচন প্ৰাঞ্জল বৰদলৈৰ

**ডেভিদ দাস, ৯ জুন ঃ** 'প্ৰাচীৰ পত্ৰিকাৰ বুকুতে কোনো ভৱিষ্যত সম্ভাৱনাপূৰ্ণ সাহিত্যিক বা বুদ্ধিজীৱীয়েও জন্ম গ্ৰহণ কৰে। প্ৰাচীৰ পত্ৰিকাৰ সীমা চেৰাই তেওঁলোকে ছপা আখৰৰ জগতখনলৈ প্ৰবেশৰ পথ প্ৰশস্ত কৰে । সেয়েহে শিক্ষানুষ্ঠান বা গ্ৰামাঞ্চলত এই প্ৰাচীৰ পত্ৰিকা সমূহক বৌদ্ধিক চৰ্চা বা অনুশীলনৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাবে গঢ়ি তোলাৰ আৱশ্যকতা আছে ।'— বিশ্ব পৰিবেশ দিবসৰ দিনটোত নগাঁও জিলাৰ জামুগুৰি বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ত 'জ্ঞানবৃক্ষ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি উল্লিখিত মন্তব্য কৰে সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে । সেইদিনা এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি বৰদলৈয়ে প্ৰাচীৰ পত্ৰিকাৰ দীঘলীয়া ইতিহাসো থকাৰ লগতে প্ৰাচীন কালৰেপৰা পৃথিৱীত ইয়াৰ অপৰিসীম গুৰুত্বৰ কথা অনুধাৱন কৰি অহা হৈছে বুলি বক্তব্য দাঙি ধৰি সভ্যতাৰ ইতিহাসত প্ৰাচীন শিলালিপিসমূহেই ইয়াৰ কথা প্ৰমাণ কৰাৰ উপৰি প্ৰত্নতাত্বিক দৃষ্টিকোণৰ পৰা আজি শিলালিপি সমূহক গৱেষণাৰ সমল হিচাবে লোৱাৰ বিষয়েও মন্তব্য কৰে। শিক্ষয়িত্ৰী কণিকা মণ্ডল সম্পাদিত 'জ্ঞানবৃক্ষ'ৰ এই ফলে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলক শৈক্ষিক আৰু সাহিত্যিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত প্ৰেৰণাৰ এক মঞ্চ হ'ব বুলিও উন্মোচনী ভাষণৰত বৰদলৈয়ে ব্যক্ত কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক জ্যোতিপ্ৰসাদ বৰাই আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত অৱসৰী শিক্ষক ৰাসেশ্বৰ নাথে বন্তি প্ৰজ্বলন কৰাৰ বিপৰীতে বিদ্যালয়খনৰ সদ্য প্ৰয়াত অৱসৰী প্ৰধান শিক্ষক বিনোদ ডেকাৰ আত্মাৰ চিৰশান্তি প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে আন এগৰাকী অৱসৰী শিক্ষক ৰত্নকান্ত নাথে। এই অনুষ্ঠানৰ পিছতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হয় সুকুমাৰ কলা প্ৰতিযোগিতা । বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জগদীশ নাথ, প্ৰবীন অনাতাঁৰ শিল্পী গম্ভীৰ নাথ, বিশিষ্ট অভিনেতা ভুৱন নাথ, প্ৰেমেশ্বৰ নাথ, শিক্ষক সকল ক্ৰমে নিলাক্ষী বৰা, ভাৰতী দেৱী,তিলো দেৱী, দুদুমণি গোস্বামী,অলকা নাথ, মৃদুল গোস্বামী,কণিকা মণ্ডল,নিপা বৰাৰ উপৰি কৰ্মচাৰী ৰাসেশ্বৰ নাথ,বাবুল নাথ, খগেন নাথ উপস্থিত থকা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত কুইজ, আকস্মিক বক্তৃতা, নৃত্য আৰু চিত্ৰাংকন আদি প্ৰতিযোগিতা সমূহ পৰিচালনা কৰে শিক্ষকদ্বয় অৰুণ চন্দ্ৰ বৰা আৰু ৰিপুঞ্জয় নাথে । বিশ্ব পৰিবেশ দিবসৰ লগত সামঞ্জস্য ৰাখি অনুষ্ঠিত কৰা প্ৰাচীৰ পত্ৰিকা উন্মোচন আৰু সুকুমাৰ কলা প্ৰতিযোগিতাৰদৰে আকৰ্ষণীয় অনুষ্ঠানৰ পূৰ্বে পুৰা চাৰে ন বজাত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰধান শিক্ষক জ্যোতিপ্ৰসাদ বৰাই । উল্লেখ্য যে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত সুকুমাৰ কলা প্ৰতিযোগিতাৰ মাজতে বিদ্যালয়খনৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনী দিব্য দেৱী আৰু কৃতী প্ৰাক্তন ছাত্ৰী পক্ষী ৰাণী দেৱীয়ে একোটিকৈ বৰগীত পৰিবেশন কৰি সমবেত সকলোৰে মনাকাশ মুখৰিত কৰি তোলে । আনহাতে অকণিৰ সাহিত্য সভাৰ উদ্যোগত জামুগুৰি ৯০ নং প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণতো বিশ্ব পৰিবেশ দিবস পালন কৰা হয় । এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত শিশু বন্ধু দুলাল বৰা উপস্থিত থাকি অসমৰ জীপাল সাৰুৱা মাটিত এতিয়া ফল-মূলৰ গুটি পৰি চৌপাশত গজালি মেলিছে। গছশিশু সকলক প্ৰতিপালন কৰি ডাঙৰ কৰা মানেই বিশ্ব পৰিবেশ দিৱস পালন কৰা বুলি মন্তব্য আগবঢ়ায় । বিদ্যালয়খনিৰ প্ৰধান শিক্ষয়িত্ৰী গীতাঞ্জলী দেৱীৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা পৰিবেশ দিৱসত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰেছ ক্লাব,বেবেজীয়াৰ সম্পাদক প্ৰাঞ্জল বৰদলৈ ।

## ইউ পি এছ চি পৰীক্ষা ঃ অষ্টম অনুসূচিত ভাষাত

*প্ৰথম পৃষ্ঠাৰ পৰা...* এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। তেওঁ স্মাৰক পত্ৰখনৰ জৰিয়তে তামিলনাডু বিধানসভাত এটা প্ৰস্তাৱ গৃহীত কৰিবলৈ প্ৰাৰ্থনা জনাইছে, য'ত ইউপিএছচিৰ দ্বাৰা পৰিচালিত প্ৰাৰম্ভিক আৰু মূল সেৱা পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলৰ সুবিধাৰ্থে ইংৰাজী আৰু হিন্দীৰ সমান্তৰালকৈ অষ্টম অনুসূচিত ভাষাত প্ৰশ্ন কাকত প্ৰস্তুত কৰিবলৈ হেঁচা আৰোপ কৰে। তেওঁ তামিলনাডুৰ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে যে, তেওঁলোকে বিধানসভাত ইয়াক লৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰ আৰু ইউপিএছচিক ইংৰাজী আৰু হিন্দীৰ সমান্তৰালকৈ অষ্টম অনুসূচিত ভাষাত যাতে প্ৰশ্ন কাকত প্ৰস্তুত কৰে। কিয়নো কেন্দ্ৰীয় চৰকাৰ নাইবা কোনো আয়োগে ইউপিএছচিৰ পৰীক্ষাৰ প্ৰশ্ন কাকত ইংৰাজীৰ সৈতে হিন্দী ভাষাত কাটিবলৈ পৰামৰ্শ দিয়া নাছিল। কিন্তু ইউপিএছচিয়ে নিজৰ মইমতালিৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি বৰ্তমান সময়ত ইউপিএছচিৰ প্ৰশ্ন কাকত ইংৰাজীৰ সমান্তৰালকৈ হিন্দী ভাষাত কাটি থকা হৈছে আৰু লিখিত পৰীক্ষাৰ ক্ষেত্ৰত অষ্টম অনুসূচিত ভাষাত লিখাৰ ব্যৱস্থা কৰিছে। কিন্তু প্ৰশ্নসমূহ ইংৰাজী আৰু হিন্দী ভাষাত থকাৰ বাবে লাখ লাখ পৰীক্ষাৰ্থীয়ে সহজ প্ৰশ্ন এটা বুজি উঠাত সমস্যা সৃষ্টি হৈ আহিছে। ওক্ৰাম প্ৰশান্ত সিঙে স্মাৰক পত্ৰখনত উল্লেখ কৰিছে যে, ১৯৬৮ চৰকাৰী ভাষাৰ প্ৰস্তাৱ, ১৯৬৮ সংসদৰ দুয়োটা সদনে গ্ৰহণ কৰে, য'ত পইণ্ট নং. ৪(খ)ত কোৱা হৈছে যে সংবিধানৰ অষ্টম অনুসূচীত থকা সকলো ভাষা আৰু ইংৰাজীক সৰ্বভাৰতীয় আৰু উচ্চ কেন্দ্ৰীয় সেৱাৰ পৰীক্ষাৰ বাবে বিকল্প মাধ্যম হিচাপে অনুমতি দিয়া হ'ব। পৰীক্ষাৰ ভৱিষ্যতৰ আঁচনি, পদ্ধতিগত দিশ আৰু সময়ৰ ওপৰত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ মতামত নিৰ্ণয় কৰাৰ পিছত এইটো সিদ্ধান্তত ঐক্যমতত উপনীত হৈছিল। ১৯৬৯ ইউনিয়ন পাব্লিক চাৰ্ভিচ কমিছন(UPSC)এ অৱশ্যে অষ্টম অনুসূচীত অন্তৰ্ভুক্ত যিকোনো ভাষা বা ইংৰাজীক সাধাৰণ জ্ঞান আৰু ৰচনাৰ ওপৰত লিখা গৱেষণা পত্ৰৰ উত্তৰ দিয়াৰ বাবে মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ অনুমতি দিছিল। কিন্তু ইউপিএছচিয়ে অষ্টম অনুসূচীত ভাষা আৰু ইংৰাজী ভাষাৰ পৰা কেৱল হিন্দী ভাষাত প্ৰশ্ন প্ৰদান কৰিবলৈ আৰম্ভ কৰিছিল অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে। ইউ পি এছ চিয়ে হিন্দী ভাষাত প্ৰশ্নকাকত প্ৰদান আৰু অষ্টম অনুসূচীৰ অন্যান্য ভাষা বন্ধ কৰাৰ পদক্ষেপ চৰকাৰী ভাষাৰ প্ৰস্তাৱ, ১৯৬৮ৰ পাঠ্যৰ সৈতে অসংগতিপূৰ্ণ আছিল। ১৯৭৬ৰ কোঠাৰী কমিটীয়ে নিজৰ প্ৰতিবেদনত স্পষ্টভাৱে পৰামৰ্শ দিছিল (পৃষ্ঠা নং- ৮০ আৰু পইণ্ট নং ৬) এমআইএলৰ বাদে বাকী প্ৰশ্নসমূহ ইংৰাজীত কাটিব লাগিব।

## উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা

*প্ৰথম পৃষ্ঠাৰ পৰা...* আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে তেওঁৰ এই ভ্ৰমণসূচীৰ আৰম্ভণিতে অসমৰ অন্যতম প্ৰধান বৈষ্ণৱ ধৰ্মীয় অনুষ্ঠান ঐতিহাসিক বৰপেটা সত্ৰত উপস্থিত হৈ সেৱা অৰ্পণ কৰে। ভ্ৰমণকালত তেওঁ সত্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে সত্ৰৰ বিভিন্ন বিষয়ৰ ওপৰত বুজ লয়। ইয়াৰ পিছত, জিলাখনত চলি থকা বিভিন্ন চৰকাৰী আঁচনি আৰু উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ ল'বলৈ মন্ত্ৰী শ্ৰী সৰকাৰে বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। উক্ত বৈঠকত বিভিন্ন খণ্ডৰ উন্নয়নমূলক কাৰ্যসূচীৰ পৰ্যালোচনা কৰাৰ লগতে মূল উন্নয়ন মূলক কাৰ্যসূচীৰ মূল্যায়ন, আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ আৰু ৰাইজৰ ওচৰত কল্যাণকামী আঁচনিৰ সুফল তথা ৰাজহুৱা সেৱাসমূহ সঠিক আৰু সময়মতে প্ৰেৰণ কৰাৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। উক্ত বৈঠকত মন্ত্ৰীগৰাকীয়ে সৰ্বাংগীণ উন্নয়ন ত্বৰান্বিত কৰিবলৈ আৰু জনকল্যাণ বৃদ্ধিৰ স্বাৰ্থত বিভিন্ন বিভাগৰ মাজত দৃঢ় সমন্বয়, চৰকাৰী কাৰ্যসূচীসমূহৰ দক্ষ ৰূপায়ণ আৰু চলি থকা প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি, তেওঁ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু সেৱা প্ৰদানৰ ব্যৱস্থাত অধিক জনমুখী দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা বৈঠকত স্থানীয় বিধায়ক শ্ৰী দীপক কুমাৰ দাসেও অংশগ্ৰহণ কৰি জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু কাৰ্যসূচীৰ খতিয়ান লয়। আজিৰ এই গুৰুত্বপূৰ্ণ বৈঠকত বৰপেটা জিলাৰ জিলা আয়ুক্ত, জিলা উন্নয়ন আয়ুক্ত (DDC), জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া (CEO), অতিৰিক্ত জিলা আয়ুক্ত (ADC) সকল, সহকাৰী আয়ুক্ত শ্চট্ট্ৰগ্ন সকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু অন্যান্য জিলা পৰ্যায়ৰ বিষয়াসকলো উপস্থিত থাকে।

# নাৰী সবলীকৰণঃ প্ৰয়োজনীয়তা আৰু বাস্তৱিকতা

■ ৰুণা শৰ্মা

বিগত বছৰত 'হক' নামৰ এখন অতি উচ্চমানৰ চলচ্চিত্ৰত এগৰাকী 'ট্ৰিপল তালাক'ৰ ভুক্তভোগীয়ে কিদৰে অৰ্থনৈতিক স্বাৱলম্বী নোহোৱাৰ হেতু নিজৰ আৰু সন্তানৰ লালন পালনৰ বাবে স্বামীৰ পৰা পাবলগীয়া 'গুজাৰা ভাট্টা'(খৰছ) বাবে এক দীঘলীয়া সংঘৰ্ষ কৰিব লগা হৈছিল আৰু শেষত আইনৰ সহায়ত ন্যায় লাভ কৰিছিল তাকেই উপস্থাপন কৰা হৈছিল। লিংগ বৈষম্য তাৰ ওপৰত নিৰ্মিত বৰ্তমানৰ ভালেকেইখন চলচ্চিত্ৰ যেনে কুইন, পিংক, দৰ্লিংছ, লাপতা লেডিজ, থাপ্পৰ, দা গ্ৰেট ইণ্ডিয়ান কিটচেন আদি য়ে ইতিমধ্যে দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিছে। ভিন্ন নাৰীকেন্দ্ৰিক কাহিনীৰে এই চলচ্চিত্ৰসমূহে আধুনিক নাৰীৰ নেদেখা কিছু সংঘাতক অংকন কৰিবলৈ সক্ষম হৈছে। যোৱা ৮০-৯০ দশকত বিভিন্ন সামাজিক আৰু সাংস্কৃতিক কু-প্ৰথাৰ লগতে 'দেহেজ'ৰ বলি হৈ শাৰীৰিক আৰু মানসিকভাৱে বিপৰ্যস্ত হোৱাৰ উপৰিও বহু নাৰীয়ে প্ৰাণ হেৰুৱাবলগা হৈছিল। অৱশেষত চৰকাৰে এই বিষয়ত আইন প্ৰণয়ন কৰে আৰু কিছু পৰিমাণে ইয়াক ৰোধ কৰাত সক্ষম হয়। কিন্তু অতি পৰিতাপৰ কথা যে, একবিংশ শতিকাৰ বাসিন্দা হৈ আজিও আমি বৈষম্যৰ বলি হৈ আছোঁ। শিক্ষিত সমাজটো ইয়াৰ প্ৰাদুৰ্ভাৰ দেখা যায়। চহৰ অঞ্চলত ইয়াৰ মৃদু প্ৰভাৱ আছে যদিও গ্ৰাম্যাঞ্চলত এতিয়াও স্পষ্ট ৰূপত বৰ্তি আছে এই পক্ষপাতিত্ব। নাৰী এতিয়াও ভুক্তভোগী। আইনৰ ভয়ত শাৰীৰিক অত্যাচাৰ কিছু হ'লেও লাঘব হৈছে যদিও মানসিক নিৰ্যাতন আজিৰ শিক্ষিত, স্বাৱলম্বী নাৰীয়ে নীৰৱে সহ্য কৰে গৈছে।



আজিৰ সমাজত শিক্ষা আৰু নাৰী সৱলীকৰণৰ বাবে চৰকাৰে লোৱা কল্যাণকাৰী আঁচনিসমূহে কিছু পৰিমাণে হ'লেও নাৰীক আত্মনিৰ্ভৰশীল হোৱাৰ পথ প্ৰশস্ত কৰি তুলিছে। এফালে আনুষ্ঠানিক শিক্ষাই এগৰাকী নাৰীক স্বাৱলম্বী হোৱাত সহায়ক হৈছে ঠিকেই, কিন্তু সামাজিক দৃষ্টিভংগী আৰু মানসিকতাৰ জানো সলনি হৈছে? পুৰুষ প্ৰধান এই সমাজত শৈশৱৰ পৰায়ে এগৰাকী কন্যা সন্তানক আমি ত্যাগ কৰিবলৈ শিকাও, কিন্তু ভুল নীতি আৰু আদৰ্শক অমান্য কৰিবলৈ, কাৰো অন্যায়, অযুক্তিকৰ আৰু অশালীন আচৰণ সহ্য নকৰিবলৈ জানো শিক্ষা দিয়া হয়? ফলস্বৰূপে নাৰীয়ে সমাজৰ ভয়ত, পৰিয়ালৰ স্বাৰ্থত ব্যক্তিগত আশা, অভিলাষা, ইচ্ছা সকলোবোৰ বিসৰ্জন দি নীৰৱে জীৱন যাত্ৰাত আগুৱাই যায়। গ্ৰাম্যাঞ্চলত আজিও নাৰীয়ে পুত্ৰ সন্তানৰ আশাত অধিক সন্তানৰ লালন পালনৰ দায়িত্ব বহন কৰিব লগা হয়। আনহাতে চহৰ অঞ্চলৰ লোকলজ্জাৰ ভয়ত সংসাৰ সন্তানৰে সীমিত ৰাখিলেও নাৰীক পুত্ৰ জন্ম দিয়াৰ অপাৰগতাৰ ধাৰণাত লাঞ্ছনা কৰা, সন্তানহীন নাৰীৰ ওপৰত মানসিক নিৰ্যাতন আজিৰ সমাজত নীৰৱে বৰ্তি আছে।

যদিওবা আইনৰ হস্তক্ষেপত বা নাৰী সবলীকণৰণৰ আধাৰত লিংগ বৈষম্য উচ্চ শিক্ষিত সমাজত পৰোক্ষ প্ৰভাৱ দেখা নাযায়, কিন্তু বহু সূক্ষ্ম ৰূপত লিংগ বৈষম্য সমাজত প্ৰচলিত হৈ আছে। শিক্ষিত, আৰ্থিকভাৱে স্বাৱলম্বী কন্যাৰ অতি ব্যয়বহুল বিবাহ অনুষ্ঠানত সিংহ ভাগ খৰচ ছোৱালী ঘৰে বহন কৰিবলগা হয়। হনীমুনৰ খৰচ, উপহাৰৰ নামত বহু অতি মূল্যৱান সামগ্ৰী কন্যাৰ ঘৰৰপৰা প্ৰদান কৰে। এইখিনিতে কোৱা বাহুল্য যে, ভাৰতৰ বহু অঞ্চলৰ লোকে বিবাহিত কন্যাৰ ঘৰৰ এটোপা পানীও গ্ৰহণ নকৰে। কিছু এৰিব নোৱাৰা পৰিস্থিতিত পৰিলে এটা মূল্য দিহে গ্ৰহণ কৰে। আনহাতে কন্যাৰ স্বামীৰ গৃহৰ যিকোনো অনুষ্ঠান, বিবাহ, উৎসৱ আদিত কন্যাৰ ঘৰৰপৰা জোঁৱায়েকৰ পৰিয়ালৰ সকলোলৈকে দামী দামী উপহাৰ লৈ যোৱাৰ পৰম্পৰা আছে। ইয়াৰ উপৰিও জী, নাতি-নাতিনৰ বিবাহত বহু ধন ব্যয় কৰাটোও এটা পৰম্পৰা। এনে বহু দৃষ্টান্ত আছে উচ্চ শিক্ষিত নাৰীয়ে মাথোঁ স্বামীৰ ঘৰখনৰ সেৱা শুশ্ৰূষা, সন্তানৰ আদৰ যত্নৰ বাবে নিজৰ জীৱিকা ত্যাগ কৰিবলৈ বাধ্য হয়। যিসকল নাৰী অৰ্থনৈতিকভাৱে স্বাৱলম্বী তেওঁলোকেও লোকলজ্জৰ ভয়ত বা স্বামীৰ ঘৰৰ হস্তক্ষেপত পিতৃ -মাতৃক আৰ্থিক সহায়ৰ হাত আগবঢ়াব নোৱাৰে। আনহাতে স্বামীৰ ঘৰখনৰ অৰ্থনৈতিক সহযোগিতা আৰু বহু সময়ত তেওঁলোকৰ ঘৰৰ সদস্যসমূহৰ ভৰণ পোষণৰ দায়িত্বও নীৰৱে বহন কৰিব লগা হয়।

সাম্প্ৰতিক সময়ত সমাজত লিংগ বৈষম্যয়ে অদৃশ্য আৰু ব্যৱস্থাগতভাৱে নিজৰ স্থিতি ৰক্ষা কৰি আছে। আমিয়েই সেই আধুনিক পিতৃ-মাতৃ নহয়নে যি নিজৰ পুত্ৰৰ জন্মদিনৰ নীলা আৰু কন্যাৰ জন্মদিনত গুলপীয়া বেলুনৰে ঘৰ সজাও? সমাজৰ চলিত সংস্কাৰ, ৰীতি নীতিৰ মাজত একপক্ষীয় ধাৰণাৰে পক্ষপাতিতা কৰিবলৈ বাধ্য হওঁ। সামান্য জ্ঞান আহৰণ কৰিব পৰা বয়স হ'লেই কন্যা সন্তানক বিভিন্ন কলাৰ শিক্ষা প্ৰদান কৰাৰ বিপৰীতে পুত্ৰক গৌৰৱেৰে বিভিন্ন খেলৰ প্ৰশিক্ষণ দিছোঁ। পুত্ৰৰ শিক্ষাৰ নামত অধিক ধন বিনিয়োগ কৰাৰ বিপৰীতে কন্যা সন্তানৰ নামত মাথোঁ কৰণীয়খিনিহে কৰি যাও। সীমিত উপাৰ্জন কৰা পৰিয়ালত এই বৈষম্যতা আৰু অধিক। আজিৰ শিক্ষিত অভিভাৱকে পুত্ৰক দেশ- বিদেশৰ নামি দামী ইঞ্জিনিয়াৰিং, মেডিকেল কলেজত নামভৰ্ত্তি কৰোৱাৰ বিপৰীতে কন্যাক ওচৰৰ সাধাৰণ প্ৰতিষ্ঠান এখনত কলা বা বিজ্ঞান শাখাত নামভৰ্তি কৰোৱা হয়। সমাজৰ প্ৰচলিত ৰীতি নীতি ধ্যান ধাৰণাৰ পৰা আমি পৃথক হ'ব পৰা নাই। সকলো সম্পদ বিনিয়োগ কৰিছোঁ পুত্ৰৰ উজ্জ্বল ভৱিষ্যতৰ বাবে। কাৰণ পুত্ৰ হৈছে বংশৰ গৌৰৱ, বৃদ্ধকালৰ ভাৰসা। কন্যাক শিকাইছোঁ ঘৰুৱা কাম- কাজ, সকলো সদস্যৰ যত্ন লোৱা, ঘৰুৱা হোৱা, ত্যাগ, সকলোঁ পৰিৱেশত নীৰৱে নিজকে মিলাই দিয়া। আনহাতে, পুত্ৰক সামাজিকভাৱে সক্ৰিয় কৰাৰ হেতু কঠোৰ হ'বলৈ শিকাইছোঁ, ব্যহিক পৰিৱেশৰ লগত ফেৰ মাৰিবলৈ সাজু কৰাইছোঁ। সঁচা অৰ্থত মন মগজুত প্ৰভাৱ পেলোৱা এই অসমনতা আৰু বিভেদ জানো ঘৰখনেই সৃষ্টি কৰি দিয়া নাই? অতিকৈ পৰিতাপৰ কথা যে, ভাৰতীয় পিতৃ-মাতৃয়ে কন্যাৰ বিবাহৰ খৰচৰ বিকল্প হিচাপে স্ব অধিকৃত বা পূৰ্বপুৰুষৰ সকলো স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ অধিকাৰৰ পৰা কন্যা সন্তানক বঞ্চিত কৰে। এনে অৱস্থাত স্বামীৰ গৃহত নিৰ্যাতিত এগৰাকী নাৰীয়ে স্বাভিমান আৰু আত্মসংযমেৰে জীয়াই থকাৰ সকলো পথ ৰুদ্ধ হৈ পৰে।

বৰ্তমান সময়ত শিক্ষা, স্বাধীনতা, সবলীকৰণ আদি য়ে নাৰীক সচা অৰ্থত কতৃত্ব প্ৰদান কৰিছেনে? শিক্ষা আৰু পাৰদৰ্শিতাৰে আজিৰ নাৰীয়ে ধন উপাৰ্জন কৰে, আত্মনিৰ্ভৰশীল হৈছে যদিও সমাজৰ নীতি নিয়মৰ প্ৰতিবন্ধকবোৰে পদে পদে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। পুৰুষতান্ত্ৰিক সমাজত নাৰীয়ে ঘৰ, পৰিয়ালৰ সদস্যৰ পতি লোৱা যত্ন, আদৰ, আৱেগ -অনুভূতি, পৰিকল্পনা,ঘৰুৱা কাম, সকলোৰে মাজত সামঞ্জস্য লৈ আগবাঢ়িব লগা হৈছে। বহু চকুত নপৰা ত্যাগ, বেতন নোহোৱা কাম, সন্তানৰ কাৰণে ত্যাগ, খাদ্য যোগান, পৰিচ্ছন্নতা এই সকলোবোৰ নীৰৱে মূৰ পাতি লৈছে, ত্যাগ কৰিছে বহু সপোনৰ কিন্তু হেৰুৱাইছে নিজৰ পৰিচয়, নিজৰ নামৰ পিছত পিতৃপদত্ব উপাধিটো। কিয়নো তেওঁ আনৰ ঘৰৰ বোৱাৰী। এই ক্ষমতাই সঁচাকৈয়ে এগৰাকী নাৰীক সক্ষম আৰু স্ত্ৰীসত্বাক অগ্ৰগতি কৰিছেনে তেওঁৰ পূৰ্ণ স্বাধীনতাত বাধা দিছে এইটো চিন্তনীয়।

সামাজিক, সাংস্কৃতিক আৰু মনস্তাত্বিক ধাৰণাৰ প্ৰভাৱ কৰ্মক্ষেত্ৰখনতো দেখা যায়। এটা নাৰী পুৰুষ পক্ষপাতবিহীন কৰ্ম সংস্কৃতি গঢ়ি উঠিবলৈ এতিয়াও বহু বাকী। পাৰিশ্ৰমিকতাৰ ব্যৱধান, শাৰীৰিক আৰু মানসিক ক্ষমতাৰ ধাৰণা, যৌন উৎপীড়ণ, প্ৰতিকূল বাতাবৰণৰ সৃষ্টি কৰা আদি অলেখ সমস্যাৰে নাৰীৰ স্বাৱলম্বিতা আৰু সৱলীকৰণক বাধা প্ৰদান কৰে আহিছে। একেই প্ৰতিষ্ঠানত কৰ্মৰত দুগৰাকী নাৰী,পুৰুষৰ সম পৰিমাণৰ কৰ্মৰ পাৰিতোষিকৰ ব্যৱধান দেখা যায়। পুৰুষে ঘৰসংসাৰৰ বোজ উঠাই, এই ধাৰণাৰে পুষ্ট সমাজে মহিলাৰ অনুপাতে পাৰিশ্ৰমিক অধিক প্ৰদান কৰে। এনে সিদ্ধান্তই এগৰাকী নাৰীক আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত বাধা প্ৰদান কৰাৰ উপৰিও মানসিক অশান্তিৰ সৃষ্টি কৰে।

আন এটা প্ৰচলিত বিষয় হৈছে নাৰীৰ শাৰীৰিক আৰু মানসিক শক্তিৰ ধাৰণা। নাৰীক অতি নৰম বা অত্যাধিক আক্ৰমক বিবেচনা কৰা হয়। হেই হেতুকে উচ্চ সিদ্ধান্ত ল'ব পৰা কাৰ্য, নেতৃত্বমূলক কৰ্মৰ পৰা বিৰত ৰখা হয়। ইয়াৰ পৰিৱৰ্তে পুৰুষক নেতৃত্বমূলক আৰু সিদ্ধান্ত ল'ব পৰা পদত নিযুক্তি দি উচ্চ পদবীৰ বাবে কৰ্ম পথ সুচল কৰি দিয়া হয়। নাৰীক প্ৰশাসনিক কাম- কাজত আবদ্ধ ৰাখি পদোন্নতি পথ লেহেমীয়া আৰু বহু সময়ত ৰোধ কৰি দিয়া হয়। শৈশৱত য়ে ছাত্ৰ- ছাত্ৰীয়ে নিজৰ বিদ্যালয়সমূহত এই পৰিৱেশ দেখিয়েই ডাঙৰ হয়। সাধাৰণভাৱে নিৰীক্ষণ কৰিলে দেখা যায় যে শিক্ষয়িত্ৰীসকলে পাঠদান কৰাৰ উপৰিও ছাত্ৰ- ছাত্ৰীক তদাৰক কৰাৰ কামবোৰত ভাগ লয়। আনহাতে শিক্ষকসকলে শিক্ষামূলক ভ্ৰমণ, পিকনিক, বিদ্যালয়ৰ যিকোনো অনুষ্ঠানৰ আৰ্থিক কামবোৰত ভাগ লোৱা দেখা যায়। ইয়াৰ ফলস্বৰূপে এগৰাকী যোগ্য মহিলা কৰ্মচাৰীয়ে বহুসময়ত নিজৰ কৰ্মজীৱনত নিৰ্দিষ্ট সময়ত এটা নিদিষ্ট পদ অৰ্জন কৰিবলৈ অসমৰ্থ হয়।

কৰ্মস্থলত এই লিংগ বৈষম্যৰ আটাইতকৈ কু -প্ৰভাৱ হৈছে যৌন উৎপীড়ন। পুৰুষে অতীজৰে পৰা ৰাজত্ব কৰি অহা ব্যাহিক কৰ্মক্ষেত্ৰখনত নাৰীৰ প্ৰবেশ আৰু অধিকাৰ যেন স্বীকাৰ কৰিবলৈ অপাৰগ। মহিলা কৰ্মচাৰীক যৌন স্পৰ্শ, যৌন নিৰ্যাতন, অসমান বেতন, আচহুৱা কামৰ সময় আৰু পৰিৱেশ, পদোন্নতিত গাফিলতি, প্ৰতিকুল বাতাবৰণ এটাৰ লগত জীৱিকাৰ বাবে সকলো নাৰীয়ে সহাৱস্থান কৰিব লগাত পৰে। অত্যাধিক গুৰুত্ব দিয়া, বিনা অনুমতিত প্ৰৱেশ, বিভিন্ন সময়ত নাৰীৰ দেহৰ বস্তু বা দৈহিক মন্তব্য, যৌন ফটো বা লিখনি প্ৰেৰণ কৰা, অশালীন ব্যৱহাৰ, ঘনিষ্ঠতা গঢ়ি তোলাৰ চেষ্টা, অনাৱশ্যক কথা বতৰা আদিয়ে কৰ্মস্থলত নাৰীৰ শালীনতাক বাৰুকৈয়ে আঘাত কৰে। এনে পৰিবেশত কৰ্মক্ষেত্ৰ বিষময় কৰি তোলে। বহু প্ৰতিষ্ঠানে নৱবিবাহিত নাৰীক কৰ্মসংস্থাপন দিয়াৰ পৰা বিৰত থাকে। কিয়নো আগলৈ সন্তান প্ৰসৱৰ বাবে আজৰি দিব লগা হয়। সন্তান প্ৰসৱৰ পিছতো প্ৰয়োজনীয় সুবিধা কৰ্মক্ষেত্ৰত পোৱা নাযায়। এজন পুৰুষ কৰ্মচাৰীৰ দৰে সমান উৎপাদন দিব নোৱাৰাৰ অজুহাতত মহিলা কৰ্মচাৰীক সময়ত পদোন্নতি দিয়া নহয়। আনহাতে বিশেষ প্ৰশিক্ষণৰ পৰাও মহিলাক বিৰত ৰখা হয়। এনে সময়ত যদি কোনো মহিলাই নিজৰ অধিকাৰ সম্বন্ধে মত প্ৰকাশ কৰে । কৰ্মক্ষেত্ৰত লাহে লাহে তেওঁৰ বিৰুদ্ধে এটি প্ৰতিশোধপৰায়ণ মনোভাৱৰ সৃষ্টি হয়। তেওঁৰ প্ৰতি অশ্লীল মন্তব্য, চৰিত্ৰৰ বদনাম কৰা, কামত ত্ৰুটি দেখুওৱা আদিৰে উৎপীড়ন কৰে। এনে প্ৰতিকুল পৰিৱেশে এগৰাকী নাৰীৰ জীৱন দুৰ্বিসহ কৰি তোলে। তেওঁৰ মানসিক অশান্তিয়ে আৰু কৰ্ম জীৱনত আগবঢ়াত হেঙাৰ হৈ পৰে।

সামান্য যেন দেখিলেও কৰ্মক্ষেত্ৰৰ পৰিধাও আন এটা বৈষম্যৰ উদাহৰণ। আজিৰ ব্যস্ততাপূৰ্ণ জীৱনত কৰ্মৰত মহিলাই ঘৰ, সংসাৰৰ বোজা উঠাই ভিন্ন যান বাহনৰে যাতায়ত কৰি অসুবিধাজনক সাজ পৰিধান কৰি কৰ্মক্ষেত্ৰত অহাৰ পৰিবৰ্তে পুৰুষক সাধাৰণ আৰামদায়ক সাজ পৰিধান কৰিবলৈ দিয়া হয়।এনে বহু কৰ্মক্ষেত্ৰ আছে য'ত মহিলাসকলে সম্পূৰ্ণ দিন ওখ হিল পৰিধান কৰা, অত্যাধিক গৰমত কোট পেন্ট পৰিধান কৰাটো বাধ্যাতামূলক।

অতীজৰেপৰা সাংস্কৃতিক, কলাক্ষেত্ৰখনতো এই বৈষমতায়ে বিৰাজ আছে। আজিৰ ডিজিটেল প্লেটৰ্ফমো ইয়াৰ বাহিৰ নহয়। বহু চিনেমা, নাটক আদিত নাৰীক প্ৰায় একেঘেমিয়া চৰিত্ৰ দিয়াৰ পৰিবৰ্তে পুৰুষ চৰিত্ৰসমূহক ভিন্ন ৰূপত উপস্থাপন কৰা হয়। বহু প্ৰতাহ্বানমূলক চৰিত্ৰত অভিনয়ৰ সুযোগ প্ৰদান কৰি প্ৰতিভা বিকাশৰ সুবিধা কৰি দিয়া হয়। আনহাতে মা, প্ৰেমিকাৰ ভূমিকা পালন কৰা, দৈহিক প্ৰদৰ্শন, আইটেম গীত আদি চৰিত্ৰসমূহত মহিলাৰ প্ৰতিভা আবদ্ধ হৈ ৰয়। ই ক্ষেত্ৰখনো মহিলাৰ পাৰিতোষিক পুৰুষকৈ বহু কম। এনে কাৰণতে মহিলাই কাললৈ খ্যাতি ৰৈ যাব পৰা কোনো বিশেষ প্ৰতিভা দেখুৱাবলৈ অক্ষম হৈ ৰয়।

নাৰী পুৰুষৰ সহযোগতহে এখন পূৰ্ণাংগ সমাজ গঢ়ি তুলিব পাৰি। আধুনিক শিক্ষিত সমাজত আজিও নাৰী অৱহেলিত, নিষ্পেষিত, উপেক্ষিত আৰু উৎপীড়িত। শিক্ষা, অৰ্থনৈতিক স্বাৱলম্বিতা আদিয়েও পূৰ্বৰ স্থিতি সলনি কৰিব পৰা নাই। তাৰ বাবে আমি নিজৰ পুত্ৰ সন্তানৰ চৰিত্ৰ গঠন, দায়িত্ববোধ, নাৰীক সন্মান, ঘৰুৱা বা বহিঃ কৰ্মৰ বিভাজন কৰাৰ পৰা বাধা দিব লাগিব। নাৰী নিজৰ অধিকাৰ আৰু আইন লৈ সজাগ হ'ব লাগিব। নাৰীৰ ব্যক্তিত্ব বিকাশ,স্বাৱলম্বন, শিক্ষা আদি জ্ঞান প্ৰদান কৰাৰ লগতে প্ৰসাৰ আৰু বিস্তাৰ কৰিব লাগিব তেতিয়াহে নাৰীমুক্তি, নাৰী সৱলীকৰণ বাস্তৱিক হ'ব। নাৰীয়ে স্ব-অধিকাৰ দাবী কৰিব নোৱাৰিলে এনেকৈয়ে যুগে যুগে নিৰ্যাতিত হৈ থাকিব।

দূৰভাষ ঃ ৭৩০৭৭-২৮৮৮৫৮

# সুৰাসক্ত পিতৃ-মাতৃ আৰু সন্তানৰ বিপৰ্যস্ত মানসিক স্বাস্থ্য

■ নলিনী ৰঞ্জন ভূঞা

পৰিয়াল হৈছে সমাজৰ মেৰুদণ্ড আৰু সন্তানৰ প্ৰথম শিক্ষালয়। সুস্থ, স্নেহময় আৰু স্থিতিশীল পাৰিবাৰিক পৰিৱেশতহে এজন শিশুৰ শাৰীৰিক, মানসিক আৰু নৈতিক বিকাশ সঠিকভাৱে সম্ভৱ হয়। বৰ্তমান আমাৰ সমাজব্যৱস্থা অতিকে ক্ষিপ্ৰবেগী আৰু প্ৰতিযোগিতাপূৰ্ণ হৈ উঠিছে । এনে অৱস্থাত মানুহৰ জীৱনশৈলী, অৰ্থনৈতিক প্ৰেক্ষাপট আৰু সামাজিক মূল্যবোধৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে। এই পৰিৱৰ্তনৰ সোঁতত ইতিবাচক দিশবোৰৰ সমান্তৰালভাৱে কিছুমান এনেকুৱা সামাজিক ব্যাধিয়ে গা কৰি উঠিছে, যিয়ে সমাজৰ আটাইতকৈ প্ৰাথমিক আৰু শক্তিশালী প্ৰতিষ্ঠান 'পৰিয়াল'ৰ ভেটিটোক মষিমূৰ কৰি পেলাইছে।

তেনে এটা অতি স্পৰ্শকাতৰ, ভয়াৱহ অথচ প্ৰায়ে উপেক্ষিত সমস্যা হৈছে অভিভাৱক বা পিতৃ-মাতৃৰ সুৰাসক্তি। চিকিৎসা বিজ্ঞান আৰু বিশ্ব স্বাস্থ্যঞ্জয় সংস্থাৰ মতে, সুৰাসক্তি কেৱল এজন ব্যক্তিৰ শাৰীৰিক ক্ষতিসাধন কৰা এটা কুঅভ্যাসেই নহয়, বৰঞ্চ ই এক জটিল দীৰ্ঘম্যাদী মানসিক ৰোগ। ই এনে এক ব্যাধি, যিয়ে সমগ্ৰ পৰিয়ালটোক তীব্ৰ মানসিক আৰু সামাজিক সংকটলৈ ঠেলি দিয়ে। আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল, এটা পৰিয়ালত যেতিয়া পিতৃ বা মাতৃ অথবা দুয়োজনেই সুৰাত আসক্ত হৈ জ্ঞানশূণ্য হৈ পৰে তেতিয়া তাৰ আটাইতকৈ গভীৰ, মৰ্মান্তিক আৰু দীৰ্ঘম্যাদী কুপ্ৰভাৱ পৰে তেওঁলোকৰ নিষ্পাপ সন্তানসকলৰ ওপৰত। সুৰাসক্ত পিতৃ-মাতৃৰ অবিবেচক কৰ্মকাণ্ডই সন্তানৰ মানসিক স্বাস্থ্য, আৱেগিক বিকাশ, জ্ঞানমূলক সক্ৰিয়তা আৰু ভৱিষ্যতৰ সামাজিক স্থিতিৰ ওপৰত যি বিৰূপ প্ৰভাৱ পেলায়, সেই বিষয়ে আজিৰ সমাজত অতি গভীৰভাৱে বিশ্লেষণ কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে।

এটা শিশুৰ বাবে তেওঁৰ ঘৰখন পৃথিৱীৰ আটাইতকৈ নিৰাপদ, শান্ত আৰু মৰমিয়াল স্থান। পিতৃ-মাতৃয়ে স্নেহ আৰু মমতাৰে সাৰটি ধৰা আৰু তেওঁলোকৰ সুৰক্ষিত উপস্থিতিৰ মাজত শিশুৱে নিজৰ জীৱনৰ প্ৰথম আত্মবিশ্বাস আৰু নিৰাপত্তা অনুভৱ লাভ কৰে। কিন্তু যিবোৰ ঘৰত পিতৃ-মাতৃ সুৰাত আসক্ত, সেইবোৰ ঘৰৰ পৰিৱেশ ধাৰাবাহিকভাৱে এক অনিশ্চয়তা, আতংক আৰু মানসিক কন্দলৰ মাজেৰে অতিবাহিত হয়। সুৰাৰ ৰাগিত মাতাল হৈ থকা পিতৃ-মাতৃৰ আচৰণে কেতিয়া কেনেকুৱা ৰূপ লয়, তাৰ কোনো নিশ্চয়তা নাথাকে,

অবাবত চিঞৰ-বাখৰ কৰা, ইজনে সিজনক শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন কৰা, ঘৰুৱা সম্পত্তি ভাঙি-ছিঙি তহিলং কৰা আৰু অকাৰণতে সন্তানক প্ৰহাৰ কৰাটো এনে পৰিয়ালৰ বাবে এক দৈনন্দিন ঘটনাত পৰিণত হয়। এনে পৰিয়ালত শিশুটিয়ে প্ৰায়ে নিজ চকুৰ সন্মুখতে মাকৰ ওপৰত চলা শাৰীৰিক আৰু মানসিক নিৰ্যাতন প্ৰত্যক্ষ কৰিবলগীয়া হয়। সুৰাসক্ত পিতৃৰ দ্বাৰা আটাইতকৈ বিশ্বাসী আৰু মৰমৰ মাতৃগৰাকী নিৰ্যাতিত হোৱাৰ এই কৰুণ দৃশ্যই শিশুৰ কোমল মনত চৰম অসহায়তা, ক্ৰোধ আৰু গভীৰ মানসিক আঘাতৰ সৃষ্টি কৰে। মনোবৈজ্ঞানিক গৱেষণা অনুসৰি, যিবোৰ শিশুৱে ঘৰত নিৰন্তৰ এইদৰে ঘৰুৱা হিংসা, মাতৃ-নিৰ্যাতন আৰু সুৰাৰ তাণ্ডৱ প্ৰত্যক্ষ কৰে, তেওঁলোকৰ মগজুৰ বিকাশৰ গতি মন্থৰ হৈ পৰে। এনেকুৱা এক বিষাক্ত পৰিৱেশত ডাঙৰ-দীঘল হোৱা শিশু এটাৰ স্বাভাৱিক শৈশৱটো অকালতে মৰহি যায় ।

সিহঁতে সদায় এক অজ্ঞাত ভয় আৰু শংকাত দিন কটাবলগীয়া হয়, যাৰ ফলত তেওঁলোকৰ মনৰ পৰা নিৰাপত্তাৰ মৌলিক ভাবটো চিৰদিনৰ বাবে নোহোৱা হৈ যায়।

সুৰাসক্ত পিতৃ-মাতৃৰ পৰা সন্তানে প্ৰয়োজনীয় আৱেগিক সমৰ্থন, মৰম-চেনেহ আৰু দিহা-পৰামৰ্শ পোৱাৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হয়। সুৰাৰ নিচাত মগ্ন থকা অভিভাৱক এগৰাকীয়ে নিজৰ সন্তানৰ সৰু সৰু আবদাৰ, শৈক্ষিক প্ৰয়োজন, সুখ-দুখ বা মানসিক প্ৰশান্তিসমূহ বুজি পোৱাৰ সংবেদনশীল ক্ষমতা সম্পূৰ্ণৰূপে হেৰুৱাই পেলায়। শিশুটিয়ে কেতিয়াবা স্কুলত কিবা ভাল কৰিলে প্ৰশংসা কৰিবলৈ বা মন বেয়া হ'লে মৰমেৰে সাৰতি ধৰি সান্ত্বনা দিবলৈ পিতৃ-মাতৃৰ মগজু সজাগ হৈ নাথাকে। এই ধৰণৰ ধাৰাবাহিক আৰু দীৰ্ঘদিনীয়া আৱেগিক অৱহেলাই শিশুৰ মনত এক তীব্ৰ মানসিক শূন্যতা আৰু হীনমন্যতাৰ সৃষ্টি কৰে। তেওঁলোকে নিজকে অপ্ৰয়োজনীয়, অনাহুত আৰু অৱহেলিত বুলি ভাবিবলৈ লয়।

তাতকৈও ভয়াৱহ কথাটো হ'ল, যিজন পিতৃ বা মাতৃক শিশুটিয়ে নিজৰ সৰ্বস্ব, আদৰ্শ আৰু আটাইতকৈ বিশ্বাসী আশ্ৰয়স্থল বুলি ভাবিব লাগে, তেনে ক্ষেত্ৰত তেওঁলোকৰ এনে দায়িত্বহীন আৰু বিকৃত আচৰণৰ বাবে শিশুৰ মনত সমগ্ৰ মানৱীয় সম্পৰ্কৰ প্ৰতি এক গভীৰ অবিশ্বাসৰ ভাব গঢ়ি উঠে। এই বিশ্বাসহীনতাই পৰৱৰ্তী সময়ত তেওঁলোকক কাৰো সৈতে সহজভাৱে মিলিত হ'ব নোৱাৰা আৰু সুস্থ সামাজিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত চিৰদিনৰ বাবে অক্ষম কৰি তোলে।

সুৰাসক্ত পৰিয়ালৰ সন্তানসকলৰ ক্ষেত্ৰত প্ৰায়ে এক অদ্ভুত, অপ্ৰাকৃতিক আৰু কৰুণ পৰিৱৰ্তন দেখা যায়, যাক আধুনিক মনোবিজ্ঞানৰ ভাষাত 'প্ৰাপ্তবয়স্ককৰণ' (Parentification) বুলি অভিহিত কৰা হয়। যি বয়সত খেল-ধেমালি, আনন্দ আৰু পঢ়া-শুনা কৰি এক আনন্দদায়ক মনেৰে জীৱনটো উপভোগ কৰিব লাগিছিল, সেই কোমল বয়সতে এই শিশুসকলে ঘৰৰ ডাঙৰ মানুহৰ দৰে গধুৰ দায়িত্ব কান্ধত তুলি লবলগীয়া হয়। সুৰাৰ নিচাত অচেতন বা উন্মাদ হৈ পৰি থকা দেউতাক বা মাকক শাৰীৰিকভাৱে পৰিচৰ্যা কৰা, সৰু সৰু ভাই-ভনীহঁতক খুৱাই-ধুৱাই স্কুললৈ প্ৰস্তুত কৰা, ঘৰুৱা খেলিমেলিবোৰ লুকুৱাবলৈ চেষ্টা কৰা, আনকি ঘৰৰ বজাৰ-সমাৰ বা অৰ্থনৈতিক হিচাপ-নিকাচ কৰাৰ দৰে কামো এই কোমল বয়সীয়া শিশুসকলে কৰিবলীয়াত পৰে। তেওঁলোকে নিজৰ শৈশৱটোক উপভোগ কৰাৰ সুযোগেই নাপায়। পিতৃ-মাতৃৰ বিপৰীতে সন্তানেই অভিভাৱকৰ গধুৰ ভূমিকা পালন কৰিবলগীয়া হোৱা এই বিপৰীতমুখী ব্যৱস্থাই শিশুৰ মনস্তাত্ত্বিক বিকাশত প্ৰাচীৰ হৈ থিয় দিয়ে। তেওঁলোকে সৰুৰে পৰা এক অত্যধিক দায়িত্ববোধ আৰু মানসিক বোজাত পিষ্ট হৈ পৰে, যাৰ ফলত তেওঁলোকৰ অন্তৰত সমাজ আৰু পৰিয়ালৰ প্ৰতি চিৰস্থায়ী ক্ষোভ, বিৰক্তি আৰু হতাশাগ্ৰস্ততাৰ ভাৱ ঘনীভূত হয়।

ঘৰুৱা অশান্তি আৰু পিতৃ-মাতৃৰ অপৰাধমূলক উদাসীনতাই শিশুৰ আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰতো কাল ধুমুহাৰ সৃষ্টি কৰে। যিখন ঘৰত প্ৰতিনিশাই সুৰাৰ তাণ্ডৱ, চিঞৰ-বাখৰ আৰু কন্দল চলে, সেইখন ঘৰত এটা শিশুৱে সুস্থ পৰিৱেশত বহি মন দি পঢ়া-শুনা কৰাটো অসম্ভৱ। নিশা ঠিকমতে শুব নোৱাৰাৰ বাবে আৰু গভীৰ মানসিক উত্তেজনাৰ বাবে স্কুলত তেওঁলোকে অত্যন্ত ভাগৰুৱা আৰু অবসাদগ্ৰস্ত অনুভৱ কৰে। ইয়াৰ ফলত শ্ৰেণীকোঠাৰ পাঠদানত তেওঁলোকে মনোযোগ দিব নোৱাৰে। আন্তঃৰাষ্ট্ৰীয় পৰিসংখ্যা আৰু শৈক্ষিক সমীক্ষাবোৰে প্ৰমাণ কৰিছে যে, সুৰাসক্ত পৰিয়ালৰ শিশুসকলৰ বৌদ্ধিক আৰু জ্ঞানমূলক বিকাশ স্বাভাৱিক শিশুৰ তুলনাত মন্থৰ হয়। পৰীক্ষাত ধাৰাবাহিকভাৱে বেয়া ফলাফল কৰিলে বা ঘৰুৱা পৰিৱেশৰ বাবে গৃহকৰ্ম সম্পূৰ্ণ কৰিব নোৱাৰিলে তেওঁলোকে শিক্ষকৰ গালি-শপনি আৰু সতীৰ্থৰ উপহাসৰ বলি হ'বলগীয়া হয়, যিয়ে তেওঁলোকৰ আত্মসন্মান আৰু আত্মবিশ্বাস একেবাৰে তললৈ নমাই আনে। লাহে লাহে এই শিশুসকলৰ মাজত বিদ্যালয়লৈ নোযোৱাৰ, শ্ৰেণী বৰ্জন কৰাৰ বা পঢ়া-শুনা আধাতে চিৰদিনৰ বাবে সামৰি থোৱাৰ প্ৰৱণতা ভয়াৱহভাৱে বৃদ্ধি পায়। শিক্ষাৰ এই অকাল বিপৰ্যয়ে তেওঁলোকৰ সমগ্ৰ ভৱিষ্যতৰ জীৱন আৰু জীৱিকাৰ পথ চিৰদিনৰ বাবে অন্ধকাৰাচ্ছন্ন কৰি তোলে।

সুৰাসক্ত কেৱল এটা ব্যক্তিগত কোঠাৰ ভিতৰৰ সমস্যা নহয় । ইয়াৰ সৈতে সামাজিক মৰ্যাদা, বংশগত সন্মান আৰু পাৰিপাৰ্শ্বিক গ্ৰহণযোগ্যতাৰ প্ৰশ্ন ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। সমাজত সুৰাসক্ত ব্যক্তিক বা তেওঁলোকৰ পৰিয়ালক প্ৰায়ে এক কৰুণ, হেয় আৰু সন্দেহজনক চকুৰে চোৱা হয়। সুৰাসক্ত পিতৃ-মাতৃৰ সন্তানে সৰুৰে পৰা সমাজত গভীৰ হীনমন্যতা, অপৰাধবোধ আৰু তীব্ৰ লজ্জাবোধ বুকুত বান্ধি জীয়াই থাকিবলগীয়া হয়। লগৰ বন্ধু-বান্ধৱীয়ে নিজৰ পিতৃ-মাতৃৰ সফলতা বা মৰমৰ কথা গৌৰৱেৰে কওঁতে, এই শিশুসকলে এক চৰম আত্মগ্লানিত ভোগে আৰু নিজকে সমাজৰ পৰা লুকুৱাই ৰাখিবলৈ অহৰহ চেষ্টা কৰে। ঘৰৰ বিশৃংখল পৰিৱেশ আৰু পিতৃ-মাতৃৰ লজ্জাজনক আচৰণৰ বাবে তেওঁলোকে কোনো সতীৰ্থ বা বন্ধু-বান্ধৱী নিজৰ ঘৰলৈ আমন্ত্ৰণ কৰিবলৈ লাজ পায় আৰু নিজেও কাৰো ঘৰৰ সামাজিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে। এই সামাজিক লজ্জাবোধে তেওঁলোকক সমনীয়াৰ পৰা সম্পূৰ্ণৰূপে বিছিন্ন কৰি ৰাখে আৰু নিসংগ তথা একাকীত্বৰ পিনে ঠেলি দিয়ে। এই একাকীত্বই কালক্ৰমত তেওঁলোকক চৰম অন্তৰ্মুখী, সমাজবিমুখ আৰু অসামাজিক ব্যক্তিলৈ ৰূপান্তৰিত কৰে।

নিৰন্তৰ মানসিক চাপ, নিৰাপত্তাহীনতা, ভয় আৰু অৱহেলাৰ মাজত ডাঙৰ দীঘল হোৱা এই সন্তানসকলৰ মাজত কালক্ৰমত বিভিন্ন ধৰণৰ গভীৰ আচৰণগত আৰু মানসিক ৰোগে দেখা দিয়ে। মনোবিজ্ঞানৰ দৃষ্টিৰে চালে, এই শিশুসকলৰ মাজত মূলতঃ দুটা বিপৰীতধৰ্মী আচৰণগত পৰিৱৰ্তন দেখা যায়। একাংশ শিশু অত্যন্ত খঙাল, বিদ্ৰোহী আৰু হিংস্ৰ প্ৰকৃতিৰ হৈ পৰে। ঘৰত দেউতাক বা মাকৰ মাজত দেখা পোৱা আক্ৰমণাত্মক আচৰণখিনিক তেওঁলোকে অবচেতনভাৱেই শিকাৰ মাধ্যম হিচাপে লয় আৰু স্কুলত বা সমাজত আন দুৰ্বল শিশুৰ ওপৰত সেই হিংস্ৰতা প্ৰয়োগ কৰিবলৈ চেষ্টা কৰে। আনহাতে, একাংশ শিশু একেবাৰে নিমাত, ভয়াৰ্ত আৰু আত্মকেন্দ্ৰিক হৈ পৰে, যিয়ে নিজৰ মনৰ দুখখিনিক ভিতৰতে পুহি ৰাখে। চিকিৎসা বিজ্ঞানৰ বিভিন্ন গৱেষণাত আৰু মানসিক স্বাস্থ্যৰ সমীক্ষাত স্পষ্ট হৈছে যে, সুৰাসক্ত পিতৃ-মাতৃৰ সন্তানসকলৰ মাজত ডাঙৰ হৈ অহাৰ লগে লগে তীব্ৰ বিষাদযোগ, অতিমাত্ৰা দুশ্চিন্তা, শৰীৰৰ নিয়ন্ত্ৰণহীনতা আৰু মানসিক আঘাতজনিত গুৰুতৰ চাপ আদি মাৰাত্মক মানসিক ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা স্বাভাৱিক শিশুৰ তুলনাত প্ৰায় চাৰিৰ পৰা পাঁচ গুণ বেছি হয়। বহু সময়ত তেওঁলোকে নিজৰ মনৰ অসহ্য ক্ষোভ, যন্ত্ৰণা আৰু দুখ প্ৰকাশ কৰিবলৈ কোনো সুস্থ পথ বিচাৰি নাপাই নিজৰে শাৰীৰিক ক্ষতিসাধন কৰা বা আত্মহত্যাৰ দৰে চৰম আত্মঘাতী পথো বাছি লয়।

সুৰাসক্ত পিতৃ-মাতৃৰ সন্তানৰ মানসিক স্বাস্থঞ্জযৰ আটাইতকৈ ভয়ংকৰ আৰু বৈজ্ঞানিক দিশটো হ'ল, এই সমস্যাটো প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি বাগৰি যোৱাৰ এক নিশ্চিত সম্ভাৱনা থাকে। ইয়াক সমাজবিজ্ঞান আৰু মনোবিজ্ঞানৰ ভাষাত 'পাৰিবাৰিক কু-অভ্যাসৰ চক্ৰ' বুলি কোৱা হয়। ইয়াৰ অন্তৰালত দুটা প্ৰধান কাৰণ থাকে, যাৰ প্ৰথমটো হ'ল জিনীয় বা বংশগত কাৰক। চিকিৎসা বিজ্ঞানৰ গৱেষণা অনুযায়ী, সুৰাসক্তৰ বাবে কিছু পৰিমাণে জিনীয় গঠনো জগৰীয়া। (আগলৈ)

দূৰভাষ ঃ ৯৮৫৪৫-২৮৩০৪

# বিশ্ব প'হা দিৱসত ভাৰতৰ প্ৰিয় জলপানৰ প্ৰতি ফৰ্চুনৰ সন্মান



**গুৱাহাটী,৯জুনঃ** ভাৰতৰ অন্যতম আগশাৰীৰ খাদ্য আৰু এফ এম চি জি প্ৰতিষ্ঠান এ ডব্লিউ এল এগ্ৰি বিজনেছ লিমিটেডে ইন্দোৰৰ দা হাবত সামূহিকভাৱে ফৰ্চুন প'হা প্ৰদৰ্শনেৰে বিশ্ব প'হা দিৱস উদযাপন কৰে। এই অনুষ্ঠানত ফৰ্চুন প'হা ব্যৱহাৰ কৰি প্ৰস্তুত কৰা অভিলেখ সৃষ্টিকাৰী ১০০ বিধ ব্যঞ্জন প্ৰদৰ্শন কৰা হয় আৰু লগতে একে সময়তে ১০০০ৰো অধিক লোকক ফৰ্চুন প'হাৰে আপ্যায়ন কৰি আন এক অভিলেখ গঢ়ি তুলিবলৈ সক্ষম হয়। এই অনুষ্ঠানত স্থানীয় আবাসী আৰু খাদ্যপ্ৰেমীসকলে অতি উৎসাহেৰে অংশগ্ৰহণ কৰে আৰু দেশৰ অন্যতম জনপ্ৰিয় জলপান প'হাৰ প্ৰতি সন্মান জনোৱাৰ লগতে ভাৰতৰ 'পোহা ৰাজধানী' হিচাপে ইন্দোৰৰ অনন্য পৰিচয়কো দাঙি ধৰা হয়। প'হাৰ ১০০বিধ ব্যঞ্জনৰ প্ৰদৰ্শনীয়ে এই জনপ্ৰিয় খাদ্যৰ বহুমুখীতা, আঞ্চলিক বৈচিত্ৰ্য আৰু সাংস্কৃতিক তাৎপৰ্য প্ৰদৰ্শন কৰে। তদুপৰি ফৰ্চুনে আয়োজন কৰা দেশৰ ভিতৰতে অন্যতম বৃহৎ প'হা গ্ৰহণৰ সমাৰেশত এক অভিলেখ গঢ়াৰ প্ৰচেষ্টাৰ অংশ হিচাপে একেলগে ফৰ্চুন প'হা উপভোগ কৰিবলৈ একত্ৰিত হৈছিল ১০০০ৰো অধিক লোক। ভাৰতৰ ৰন্ধন ঐতিহ্য উদযাপনৰ এক অনন্য মাইলৰ খুঁটি হিচাপে গ'ল্ডেন বুক অব ৰ'ৰ্ল্ড ৰেকৰ্ডছত সফলতাৰে স্থান লাভ কৰে এই বিশেষ আয়োজনে। এই কৃতিত্ব সন্দৰ্ভত মন্তব্য কৰি এ ডব্লিউ এল এগ্ৰি বিজনেছ লিমিটেডৰ বিক্ৰী আৰু বিপণনৰ যুটীয়া সভাপতি মুকেশ মিশ্ৰাই কয়, 'প'হা কেৱল জলপান নহয়, ই ভাৰতৰ ৰন্ধন সংস্কৃতিৰ এক অভিন্ন অংশ। এটা আগশাৰীৰ পেকেজড প'হা ব্ৰেণ্ড হিচাপে আমি ইয়াৰ জনপ্ৰিয়তাক নতুন শিখৰলৈ লৈ যোৱাৰ লগতে এতিয়াও বহুলাংশে অসংগঠিত বজাৰখনত গুণগত মান আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ উচ্চতম মানদণ্ড নিশ্চিত কৰিবলৈও প্ৰতিশ্ৰুতিবদ্ধ। প'হাৰ সৈতে জড়িত পৰম্পৰা আৰু সম্প্ৰদায়ক উদ্‌যাপনৰ বাবে 'বিশ্ব প'হা দিৱস'ৰ অনুষ্ঠান আয়োজন কৰিবলৈ ইন্দোৰেই আছিল উত্তম চহৰ।' উৎসৱ প্ৰখ্যাত ইন্দোৰী চেফ ৰাজু ভাইয়াৰ নেতৃত্বত অনুষ্ঠিত সৰ্ববৃহৎ প'হা উপভোগৰ সমাৰেশক এক সংহত ডিজিটেল আৰু অন-গ্ৰাউণ্ড অভিযানৰ জৰিয়তে জীৱন্ত কৰি তোলা হয়। এই অনুষ্ঠানত স্থানীয় বাসিন্দা, খাদ্য অনুৰাগী আৰু স্থানীয় সমাজৰ সদস্যসকলে অতি উৎসাহপূৰ্ণভাৱে অংশগ্ৰহণ কৰে আৰু অভিলেখ সৃষ্টিকাৰী উদযাপনৰ অংশ হিচাপে একেলগে ফৰ্চুন প'হাৰ সোৱাদ ল'বলৈ একত্ৰিত হয় এহেজাৰৰো অধিক লোকে। জুম্বাকে ধৰি ইন্টাৰেক্টিভ কাৰ্যকলাপ আৰু #FortuneWorldPohaDay অনলাইন প্ৰতিযোগিতাই জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধিত অৰিহণা যোগায়।

# অসমীয়া গ'বেক ধ্বনিক লৈ ক্ষোভ মাছৰ দুৰ্বৃত্তৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী



**গুৱাহাটী,৯জুন ঃ** গুৱাহাটীৰ আৰ্য নগৰত ৭জুনত একাংশ অনা অসমীয়ালোকে জিঘাংসু মনোভাৱেৰে জিতেন্দ্ৰ শালৈ নামৰ সমাজকৰ্মী লোকজনৰ লগতে হৃদয় আহমেদ আৰু অঞ্জন বৰদলৈ নামৰ সাংবাদিক দুজনক আক্ৰমণ কৰা ঘটনাটোক মানৱ অধিকাৰ সংগ্ৰাম সমিতি চমুকৈ'মাছ'এ কঠোৰ ভাষাৰে গৰিহণা দিছে। 'মাছ'ৰ অধ্যক্ষ বুবুমণি গোস্বামী, সচিব প্ৰধান ৰিতুল বৰুৱাৰ হৈ প্ৰচাৰ সচিব জিতুমণি নাথে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত কয় যে, খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি প্ৰত্যাহ্বান জনাই 'অসমীয়া গ'বেক' ধ্বনি দিয়া অসম বিৰোধী দুৰ্বৃত্তসকলক শীঘ্ৰেই কৰায়ত্ব কৰি কঠোৰ শাস্তি বিহিবলৈ 'মাছ'এ চৰকাৰক দাবী জনাই। খিলঞ্জীয়াৰ সহনশীলতাক দুৰ্বলতা বুলি ভুল নকৰিবলৈ অসমত বাস কৰা অনা অসমীয়া-অখিলঞ্জীয় লোকসকলক সকীয়াই দি কয় অসমবাসী খিলঞ্জীয়া এজনো লোকক আক্ৰমণ কৰা কিম্বা জাতীয় স্বাভিমানত আঘাত হানিব পৰা মন্তব্য কৰাৰ পূৰ্বে বহিৰাগতসকলে হাজাৰবাৰ চিন্তা কৰা উচিত। কাৰণ তেওঁলোক ক'ত আছে আৰু ক'ৰ বায়ু-পানী সেৱন কৰি অন্ন-বস্ত্ৰ-বাসস্থানৰ মৌলিক প্ৰয়োজন পুৰণ কৰিছে। তদুপৰি খিলঞ্জীয়া ৰাইজৰ প্ৰতি আহ্বান জনাই কয় বৰ্তমান পৰিবেশ পৰিস্থিতিৰ অনুধাৱন কৰি অসমীয়াসকল এক হোৱাৰ সময়। য'তেই চলে খিলঞ্জীয়াৰ ওপৰত আক্ৰমণ, ত'তেই গঢ়ি তোলক প্ৰতিৰোধ-প্ৰতিবাদ সংগ্ৰাম। অন্যথা অসমতে অসমীয়া ভগনীয়া হোৱাটো নিশ্চিত হৈ পৰিব বুলি মন্তব্য কৰে।

# গুৱাহাটীলৈ আহিব বিশ্বখ্যাত ৰক সংগীত 'গানছ এন' ৰ'জেছ'ৰ দল

**গুৱাহাটী,৮জুনঃ** বিশ্ব ৰক সংগীতৰ ইতিহাসত যুগান্তকাৰী অৱদান ৰখা কিংবদন্তী সংগীত দল 'গানছ এন' ৰ'জেছ' নৱেম্বৰ মাহত দুখন সংগীতশীৰ্ষক অনুষ্ঠান প্ৰদৰ্শন কৰিবৰ বাবে পুনৰ ভাৰতলৈ আহিবলৈ সাজু হৈছে। বুকমাইশ্ব'ৰ লাইভ এণ্টাৰটেইনমেণ্ট শাখা বুকমাইশ্ব' লাইভৰ উদ্যোগত আয়োজিত এই বিশেষ সংগীতানুষ্ঠানৰ জৰিয়তে দলটোৱে এছিয়া পৰ্যায়ৰ বিশ্ব ভ্ৰমণৰ অংশহিচাপে ১৪ নৱেম্বৰত বেংগালুৰুৰ নাইচ গ্ৰাউণ্ডছত আৰু ১৭ নৱেম্বৰত গুৱাহাটীৰ খানাপাৰা খেলপথাৰত সংগীত পৰিবেশন আগবঢ়াব।২০২৫ চনত দীৰ্ঘ দশকৰো অধিক সময়ৰ পিছত বেণ্ডটোৱে সংগীত প্ৰদৰ্শন কৰি ভাৰতবৰ্ষৰ সংগীত প্ৰেমীসকলক যি স্মৰণীয় অভিজ্ঞতা প্ৰদান কৰিছিল সেই অভূতপূৰ্ব সঁহাৰিৰ ফলস্বৰূপে এইবাৰ দেশৰ দুখন পৃথক চহৰত পুনৰ তেওঁলোকে গীত আৰু সুৰৰ যাদুৰে মন্ত্ৰমুগ্ধ কৰিবলৈ সাজু হৈছে। 'ৱেলকাম টু দ্য জাংগল', 'পেৰাডাইছ চিটি', 'নৱেম্বৰ ৰেইন' আৰু 'ছুইট চাইল্ড অ' মাইন'ৰ দৰে কালজয়ী গীতেৰে 'গানছ এন' ৰ'জেছ'এ বিশ্ব সংগীতৰ জগতত এক স্বতন্ত্ৰ স্থান দখল কৰি আহিছে। প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি তেওঁলোকৰ লাইভ সংগীতানুষ্ঠানে লক্ষাধিক অনুৰাগীৰ হৃদয় স্পৰ্শ কৰাৰ লগতে বাদ্যযন্ত্ৰৰ নৈপুণ্য আৰু জনপ্ৰিয় গীতসমূহৰ বাবে দলটোৱে আজিও বিশ্বজুৰি অগণন শ্ৰোতাক আকৰ্ষিত কৰি ৰাখিছে। ইউৰোপ, মধ্যপ্ৰাচ্য, এছিয়া আৰু লেটিন আমেৰিকাত ২০২৫ চনৰ সফল ভ্ৰমণৰ পিছত দলটোৱে ভাৰত ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱাৰ লগতে 'নাথিন' আৰু 'এটলাছ' শীৰ্ষক দুখন নতুন ছিংগলছ মুকলি কৰে। ২০২৩ চনৰ পিছত এয়াই বেণ্ডটোৰ নতুন সংগীত সৃষ্টিৰাজি য'ত 'এটলাছ'এ ৰক আৰ্জেন্সী। আনহাতে 'নাথিন'এ আত্মদৰ্শন আৰু আৱেগপ্ৰৱণ গীটাৰৰ সুৰ, এই দুই পৃথক দিশ প্ৰদৰ্শন কৰে। অধিক তথ্যৰ বাবে gunsnroses.com ত লগ ইন কৰিব পাৰে। বুকমাইশ্ব'-লাইভ ইভেণ্টছৰ মুখ্য ব্যৱসায়িক বিষয়া নমন পুগলিয়াই কয়, 'বিশ্ব ৰক সংগীতৰ ইতিহাসত 'গানছ এন' ৰ'জেছ'-ৰ স্থান অতুলনীয়। তেওঁলোকৰ সংগীতৰ প্ৰভাৱ আজিও বিভিন্ন প্ৰজন্মৰ মাজত সমানে অনুভৱ কৰা যায়। যোৱা বছৰৰ ভাৰতীয় অনুষ্ঠানসমূহত লাভ কৰা অভূতপূৰ্ব সঁহাৰিৰ পিছত পুনৰ তেওঁলোকক দেশলৈ আদৰি আনিব পাৰি আমি গৌৰৱান্বিত। এই আগমন ভাৰতৰ লাইভ মনোৰঞ্জন অনুষ্ঠান আৰু বিশ্বমানৰ সাংস্কৃতিক অনুষ্ঠানৰ ক্ষেত্ৰত দেশখনৰ ক্ৰমবৰ্ধমান গুৰুত্বৰ স্পষ্ট প্ৰতিফলন।বেংগালুৰু ইতিমধ্যে ভাৰতৰ ৰক সংগীতৰ এক প্ৰধান কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠিত হৈছে। আনহাতে গুৱাহাটীয়ে উত্তৰ-পূৰ্বাঞ্চলত বৃহৎ পৰিসৰত লাইভ অনুষ্ঠানৰ প্ৰতি বৃদ্ধি পোৱা আগ্ৰহ আৰু সম্ভাৱনাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। আমি দুয়োখন চহৰৰ সংগীতপ্ৰেমীসকলক এই ঐতিহাসিক অভিজ্ঞতাৰ অংশীদাৰ কৰাৰ বাবে উৎসুক আৰু পুনৰবাৰ 'গানছ এন' ৰ'জেছ'ৰ মঞ্চ পৰিবেশনৰ সাক্ষী হ'বলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ।'

# পাৱাৰগ্ৰীডলৈ ১৩২কে ভি প্ৰণালী প্ৰদান টোশিবাৰ

**গুৱাহাটী, ৯জুনঃ** ভাৰতৰ প্ৰথম ২২০ কে ভি এম-জিআইএছ প্ৰণালীৰ আৰম্ভণিৰ পাছত নিজৰ দেশীয় এম-জিআইএছ পৰ্টফলিঅ'ক আগবঢ়ায়। টোশিবা ট্ৰান্সমিছন এণ্ড ডিষ্ট্ৰিবিউশ্যন ছিষ্টেমছ (ইণ্ডিয়া) প্ৰাইভেট লিমিটেড (টিটিডিআই) এতিয়াৰ পৰা নিজৰ দেশীয়ভাৱে বিকশিত ১৩২ এম-জিআইএছ প্ৰণালী পাৱাৰ গ্ৰীড কৰ্প'ৰেচন অৱ ইণ্ডিয়া লিমিটেড (পাৱাৰগ্ৰীড)লৈ সফল ডেলিভাৰী কৰাৰ কথা ঘোষণা কৰিছে।১৩২এম-জিআইএছ প্ৰণালীৰ বিকাশ আৰু প্ৰদানই টিটিডিঅ'ৰ ভাৰতত নিজা দেশীয় ম'বাইল উচ্চ-ভল্টেজ সমাধানৰ পৰিসৰ বিস্তাৰ কৰাৰ চলিত প্ৰচেষ্টাত এজন অন্যান্য গুৰুত্বপূৰ্ণ মাইলষ্ট'ন ৰূপে চিহ্নিত কৰে। ইউটিলিটি-নিৰ্দিষ্ট প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ পাৱাৰগ্ৰীডক যোগান ধৰা এই সফলতাই ভাৰতৰ গ্ৰিড আধুনিকীকৰণ, স্থিতিশীলতা আৰু দেশীয়ীকৰণৰ দৈনিক যাত্ৰাকো সমৰ্থন কৰে।এই মাইলষ্ট'নত, টিটিডিআইৰ চেয়াৰমেন আৰু মেনেজিং ডাইৰেক্টৰ হিৰোশি ফুৰুতাই কয়, 'আমি আনন্দিত যে পাৱাৰগ্ৰীড লৈ স্থানীয় ১৩২ কেভি এম-জিআইএছ ব্যৱস্থা প্ৰদান কৰি আমাৰ এম-জিআইএছ পৰিসৰেৰে অধিক বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এইটো কিছু মাহ পূৰ্বে ভাৰতৰ প্ৰথম স্থানীয় ২২০কেভি এম-জিআইএছ ব্যৱস্থাৰ সফল প্ৰদানৰ পাছত হৈছে। এই কম্প্যাক্ট, উচ্চ গতিশীল সমাধানটো ভাৰতত বিকাশ আৰু অভিযন্ত্ৰী কৰা হৈছে, যিয়ে চৰকাৰৰ 'মেক ইন ইণ্ডিয়া' দৃষ্টিভংগীৰ প্ৰতি আমাৰ প্ৰবল প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে। এইটো টোশিবাৰ প্ৰযুক্তি আৰু স্থানীয় অভিযন্ত্ৰী ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰাৰ লগতে পাৱাৰগ্ৰীডৰ কঠোৰ প্ৰযুক্তিগত আৰু কাৰ্যকৰী প্ৰয়োজনবোৰ পূৰণ কৰে। যেতিয়া ভাৰতৰ ট্ৰান্সমিশন খণ্ড দ্ৰুতগতিত বিকাশ হৈছে, টিটিডিআই গ্ৰিডৰ উপলব্ধতা আৰু স্থিতিশীলতা বৃদ্ধিৰ বাবে ব্যক্তিগতকৃত, উচ্চ প্ৰদৰ্শন শক্তিসম্পন্ন সমাধানসমূহ আগবঢ়াই যাব।

# টিভিএছ মটৰৰ উদ্যোগত পৰিৱেশ সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**গুৱাহাটী, ৯জুনঃ** টিভিএছ মটৰ কোম্পানীয়ে প্ৰকৃতি-অনুকূল আৰু জলবায়ু-সহনশীল ব্যৱসায়িক বিকাশৰ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে ২০২৬ চনৰ বিশ্ব পৰিৱেশ দিৱসত এক বহু-অংশীদাৰী কৰ্মশালাৰ আয়োজন কৰে। এই কৰ্মশালাত উদ্যোগ জগতৰ নেতৃবৃন্দ, নীতি নিৰ্ধাৰক, শিক্ষাবিদ আৰু বহনক্ষমতা বিশেষজ্ঞসকল একত্ৰিত হয়। বেংগালুৰুৰ আনেকালত অৱস্থিত টিভিএছ ইনষ্টিটিউট ফৰ কোৱালিটি এণ্ড লিডাৰশ্বিপত ৰাষ্ট্ৰসংঘৰ গ্লবেল কম্পেক্ট নেটৱৰ্ক ইণ্ডিয়াৰ সহযোগত এই অনুষ্ঠানটোৰ আয়োজন কৰা হয়। এইবাৰৰ কৰ্মশালাৰ মূল বিষয়বস্তু আছিল- প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত। জলবায়ুৰ বাবে। আমাৰ ভৱিষ্যতৰ বাবে।' এই কৰ্মশালাত কৰ্ণাটকৰ গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰী ঈশ্বৰ বি খাণ্ড্ৰে, ৰাষ্ট্ৰসংঘৰ গ্লবেল কম্পেক্ট নেটৱৰ্ক ইণ্ডিয়াৰ কাৰ্যবাহী সঞ্চালক ৰত্নেশ ঝা, টেৰিৰ সঞ্চালক প্ৰধান ড° বিভা ধাৱান, পিডব্লিউচি আৰু টেৰি স্কুল অৱ এডভান্সড ষ্টাডিজৰ প্ৰতিনিধিৰ লগতে বিভিন্ন উদ্যোগৰ জ্যেষ্ঠ বহনক্ষমতা নেতৃবৃন্দ উপস্থিত থাকে। অনুষ্ঠানৰ সময়ছোৱাত টিভিএছ মটৰে পিডব্লিউচি আৰু টেৰী স্কুল অৱ এডভান্সড ষ্টাডিজৰ সৈতে যুটীয়াভাৱে প্ৰস্তুত কৰা ভাৰতত এক কৌশলগত ব্যৱসায়িক প্ৰয়োজনীয়তা হিচাপে প্ৰকৃতিৰ মূলধন শীৰ্ষক এখন শ্বেতপত্ৰও প্ৰকাশ কৰে। এই পত্ৰখনত ব্যৱসায়িক স্থিতিস্থাপকতা আৰু দীৰ্ঘম্যাদী মূল্য সৃষ্টিৰ ক্ষেত্ৰত পানী, জৈৱ-বৈচিত্ৰ্য, মাটিৰ অৱস্থা আৰু জলবায়ু নিয়ন্ত্ৰণৰ দৰে পৰিস্থিতিতন্ত্ৰ সেৱাসমূহৰ ভূমিকা পৰীক্ষা কৰা হৈছে।ইয়াৰ লগতে প্ৰতিষ্ঠানটোৱে নিজৰ প্ৰথমটো টাস্কফৰ্চ অন নেচাৰ-ৰিলেটেড ফাইনেন্সিয়েল ডিচক্ল'জাৰ্ছ সংগতিপূৰ্ণ প্ৰতিবেদন 'প্ৰকৃতিৰ সৈতে সম্প্ৰীতিৰ গতিশীলতা' প্ৰকাশ কৰে। ইয়াৰ লগে লগে টিভিএছ মটৰ এই ফ্ৰেমৱৰ্ক গ্ৰহণ কৰা ভাৰতৰ প্ৰথমসমূহ অটোমটাইল প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম হৈ পৰিল। টিভিএছ মটৰে জানিবলৈ দিয়ে যে এই প্ৰতিবেদনে ব্যৱসায়িক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত প্ৰকৃতি সম্পৰ্কীয় বিপদাশংকা আৰু সুযোগসমূহক একত্ৰিত কৰাৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰে।কোম্পানীটোৱে নিজৰ বহনক্ষমতাৰ সাফল্যসমূহো দাঙি ধৰে। যাৰ ভিতৰত আছে ভাৰতৰ তিনিটা প্ৰকল্পই জিৰ' ৱেষ্ট টু লেণ্ডফিল আৰু নেট ৱাটাৰ পজিটিভ মৰ্যাদা লাভ কৰা, ভাৰতীয় কাৰ্যকলাপত প্ৰায় ৯৭ শতাংশ নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ আৰু বৈদ্যুতিক গতিশীলতা, পুনৰ ব্যৱহাৰ তথা বৃত্তাকাৰ অৰ্থনীতিৰ পদক্ষেপসমূহত অবিৰত ধাৰাবাহিক বিনিয়োগ।

# ৰেপিডো-মৰ্থ পদক্ষেপ মুকলি নীতিন গাডকাৰীৰ



**গুৱাহাটী, ৯জুনঃ** ভাৰতৰ সৰ্ববৃহৎ আৰু আটাইতকৈ সুলভ মূল্যৰ ৱান ষ্টপ মবিলিটি প্লেটফৰ্ম ৰপেন ট্ৰেন্সপ'ৰ্টেশ্যন চাৰ্ভিচেছ প্ৰাইভেট লিমিটেডে (ৰেপিডো), ভাৰত চৰকাৰৰ ৰাহবীৰ আঁচনিৰ বাবে দেশজোৰা সজাগতা আৰু নাগৰিকৰ অংশগ্ৰহণক সমৰ্থন কৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু ঘাইপথ মন্ত্ৰালয়(মৰ্থ)ৰ সৈতে সহযোগিতাৰ ঘোষণা কৰে। যি হৈছে এটা ফ্লেগশ্বিপ পদক্ষেপ যাৰ লক্ষ্য হৈছে সোণালী ঘণ্টাৰ সময়ত পথ দুৰ্ঘটনাগ্ৰস্তসকলক সময়মতে সহায় কৰিবলৈ উৎসাহিত কৰা। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, মৰ্থৰ সচিব আৰু অতিৰিক্ত সচিবৰ লগতে মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়া আৰু ৰেপিডোৰ নেতৃত্বৰ উপস্থিতিত এই সহযোগিতা আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, 'পথ সুৰক্ষা এক ভাগ-বতৰা কৰা দায়িত্ব আৰু আমাৰ পথসমূহত মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস কৰাৰ বাবে নাগৰিকৰ অংশগ্ৰহণ অতি গুৰুত্বপূৰ্ণ। ৰাহবীৰ আঁচনিৰ জৰিয়তে আমি ব্যক্তিসকলক দুৰ্ঘটনাগ্ৰস্ত লোকসকলক নিঃসংকোচে সহায় কৰিবলৈ উৎসাহিত কৰিব বিচাৰো আৰু সোণালী ঘণ্টাৰ সময়ত জীৱন ৰক্ষা কৰাত সহায় কৰিব বিচাৰো ।' ৰেপিডোৰ সহ-প্ৰতিষ্ঠাপক অৰবিন্দ ছাংকাই কয়, 'প্ৰতিদিনে লাখ লাখ ভাৰতীয়ই চহৰ আৰু নগৰসমূহত ৰেপিডোৰ কেপ্তেইনৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ দ্বাৰা আমাক গতিশীলতাৰ বাহিৰেও অৰিহণা যোগোৱাৰ এক অনন্য সুযোগ প্ৰদান কৰা হয় আৰু ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ক্ষেত্ৰত সজাগতা গঢ়ি তোলাত সহায় হয়। মৰ্থৰ সৈতে আমাৰ অংশীদাৰিত্বৰ জৰিয়তে আমি ৰাহবীৰ আঁচনিখনক সমৰ্থন আৰু পথ সুৰক্ষাৰ ক্ষেত্ৰত নাগৰিকৰ অধিক অংশগ্ৰহণক উৎসাহিত কৰিবলৈ পাই গৌৰৱান্বিত। আমাৰ কেপ্তেইন সম্প্ৰদায়ৰ পৰা লাভ কৰা অফুৰন্ত সঁহাৰি আৰু গিনিজ বিশ্ব ৰেকৰ্ডৰ কৃতিত্বই সুৰক্ষিত পথ সৃষ্টি আৰু জৰুৰীকালীন অৱস্থাত দায়িত্বশীল কাৰ্যৰ সংস্কৃতি গঢ়ি তোলাৰ দিশত এক ভাগ-বতৰা কৰা দায়বদ্ধতাক প্ৰতিফলিত কৰে।' এই পদক্ষেপৰ অংশ হিচাপে ৰেপিডোৱে নিজৰ প্ৰযুক্তি মঞ্চ, ৪০০ অধিক চহৰৰ বিস্তৃত প্ৰসাৰ আৰু ভাৰতৰ সৰ্ববৃহৎ মবিলিটি কেপ্তেইন সম্প্ৰদায়ৰ সহায় লৈ ডিজিটেল এংগেজমেণ্ট, ইন-এপ শিক্ষা, ছ'চিয়েল মিডিয়া অভিযান আৰু অন-গ্ৰাউণ্ড আউটৰিচ পদক্ষেপৰ সংমিশ্ৰণৰ জৰিয়তে ৰাহবীৰ আঁচনি সন্দৰ্ভত সজাগতা বৃদ্ধি কৰিব। সহযোগিতা আৰম্ভ হোৱাৰ উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা XX লাখৰো অধিক ৰেপিডো কেপ্তেইনে ৰেপিডো প্লেটফৰ্মৰ জৰিয়তে সামূহিকভাৱে ৰাহবীৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰি গিনিজ ৱ'ৰ্ল্ড ৰেকৰ্ড স্থাপন কৰে আৰু পথ সুৰক্ষা, দায়িত্বশীল নাগৰিকত্ব আৰু দুৰ্ঘটনাগ্ৰস্তসকলৰ বাবে সময়মতে সমৰ্থনৰ প্ৰসাৰৰ দিশত তেওঁলোকৰ দায়বদ্ধতা প্ৰদৰ্শন কৰে। ৰাহবীৰ আঁচনিৰ জৰিয়তে নাগৰিকসকলক আগবাঢ়ি আহি গুৰুত্বূৰ্ণ সোণালী ঘণ্টাৰ সময়ছোৱাত পথ দুৰ্ঘটনাত পতিত হোৱা লোকসকলক সহায় কৰিবলৈ উৎসাহিত কৰা হৈছে। য'ত তাৎক্ষণিক হস্তক্ষেপে জীয়াই থকা আৰু আৰোগ্য লাভৰ সম্ভাৱনা যথেষ্ট উন্নত কৰিব পাৰে। এই অংশীদাৰিত্বৰ জৰিয়তে ৰেপিডোৱে সমগ্ৰ ভাৰতৰ লাখ লাখ নাগৰিক, যাতায়তকাৰী আৰু কেপ্টেইনৰ মাজত আঁচনিখনৰ বিষয়ে সজাগতা বৃদ্ধি কৰাত সহায় কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ৰেপিডোৰ সজাগতা প্ৰচেষ্টাত ইন-এপ এংগেজমেণ্ট, শিক্ষামূলক বিষয়বস্তু, কেপ্তেইন আউটৰিচ প্ৰগ্ৰেম আৰু মূল বজাৰসমূহত দৃশ্যমানতাৰ পদক্ষেপকে ধৰি ডিজিটেল আৰু অন-গ্ৰাউণ্ড সক্ৰিয়কৰণৰ শৃংখলা অন্তৰ্ভুক্ত কৰা হ'ব। প্ৰতিষ্ঠানটোৱে ৰাহবীৰ আঁচনিৰ সন্দৰ্ভত স্থায়ী সজাগতা বৃদ্ধিত সহায় কৰিবলৈ একাধিক গ্ৰাহক আৰু কেপ্তেইন টাচপইণ্টৰ মাজত পথ সুৰক্ষা বাৰ্তা প্ৰেৰণকো একত্ৰিত কৰিব।

# পূব ধাৰাপুৰত মিলিজুলি ক্লাবৰ সম্বৰ্ধনা অনুষ্ঠান-সাংস্কৃতিক সন্ধিয়া সম্পন্ন



**গুৱাহাটী ,৯ জুনঃ** নৱগঠিত জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পূৱ ধাৰাপুৰ মিলিজুলি ক্লাবৰ সৌজন্যত ৬ জুনৰ দিনা আয়োজিত এক অনুষ্ঠানত ২০২৫ আৰু ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ পূৱ ধাৰাপুৰ অঞ্চললৈ সুনাম অৰ্জন কৰি অনা ৩৮ গৰাকী কৃতী ছাত্ৰ- ছাত্ৰীক অভিনন্দন জনোৱা হয় । লগতে ২৪ সংখ্যক ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি পূৱ ধাৰাপুৰ অঞ্চললৈ সোণ আৰু ৰূপৰ পদক সুনাম কঢ়িয়াই অনা ৪গৰাকী খেলুৱৈ ক্ৰমে- প্ৰাণজিৎ ৰাভা, নিবিৰ ৰঞ্জন বৰা, শ্ৰেয়াংশ দাস, দুৰ্লভ কান্তি দাসক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মিলিজুলি ক্লাবৰ উপদেষ্টা কৃষ্ণকান্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটোৰ আঁত ধৰে সাংস্কৃতিক সম্পাদক প্ৰণৱ দাসে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লৈ ভাষণ প্ৰসংগত অসমৰ প্ৰাক্তন মন্ত্ৰী তথা এমট্ৰনৰ অধ্যক্ষ ৰমেন্দ্ৰ নাৰায়ণ কলিতাই অঞ্চলটোৰ কৃতী শিক্ষাৰ্থী, খেলুৱৈক সন্মানিত কৰি উৎসাহিত কৰা বাবে মিলিজুলি ক্লাবৰ শলাগ লয়। অনুষ্ঠানত ধাৰাপুৰ তালুক কমিটিৰ সভাপতি দ্বিজেন্দ্ৰ কলিতা, ধাৰাপুৰ তালুকৰ প্ৰাক্তন সভাপতি সত্য ভৰালী, প্ৰাক্তন ছাত্ৰ নেতা তথা বিশিষ্ট সমাজসেৱক সুভাষ শৰ্মা, মনোজ কুমাৰ দাস, ৰঞ্জন পাটোৱাৰী, বিশিষ্ট ব্যৱসায়ী দিলীপ ঠাকুৰীয়া, ৪ নং ধাৰাপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পাৰুল দাস কলিতা, উপ- সভানেত্ৰী মৌচুমী দাস, মিলিজুলি ক্লাবৰ সভাপতি অৰুণ দাস, কাৰ্যকৰী সভাপতি ধীৰাজ কুমাৰ দাস প্ৰমুখ্যে মিলিজুলি ক্লাবৰ শুভাকাংক্ষীৰ লগতে ছাত্ৰ- ছাত্ৰীসকলৰ অভিভাৱক-অভিভাবিকাসকল উপস্থিত থাকে। অভিনন্দন জ্ঞাপন কৰা ছাত্ৰ- ছাত্ৰীসকলক ফুলাম গামোচা ফুলাম জাপি আৰু অভিনন্দন পত্ৰ জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি নিশা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰে ক্ৰমে- অসম আইডল খ্যাত চন্দন দাস, ডিম্পী সোণোৱাল, বিকি কলিতা, চুনামি নাথৰ লগতে আমন্ত্ৰিত বিহু হুঁচৰি দলে অনুষ্ঠান পৰিবেশন কৰে।

# অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ প্ৰাক্তন কাৰ্যাধ্যক্ষ হৰিকান্ত নাথৰ মৃত্যু

**গুৱাহাটী,৯ জুনঃ** অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ ব্যৱস্থাপিকা সভা, কাৰ্যপালিকা সভাৰ সদস্য, ১৯৮৯ চনৰ পৰা ২০০৬ চনলৈকে একেধাৰে তিনিটা কাৰ্যকালৰ উপাধ্যক্ষ, ২০১৪ চনৰ পৰা ২০২২ চনলৈকে দুটা কাৰ্যকালৰ কাৰ্যাধ্যক্ষ, প্ৰাক্তন মন্ত্ৰী, হৰিকান্ত নাথৰ দেওবাৰে মৃত্যু হয়। তেওঁ সমিতিৰ সৰ্বোচ্চ সন্মান 'ৰাষ্ট্ৰভাষা গৌৰৱ' উপাধিৰে সন্মানিত, অসম ৰাষ্ট্ৰভাষা সেৱক সংঘৰ দুটা কাৰ্যকালৰ অধ্যক্ষ, অখিল ভাৰতীয় হিন্দী সংস্থা সংঘৰ কাৰ্যকাৰিণী সভাৰ সদস্য, শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ, 'কৃতী শিক্ষক' বঁটা প্ৰাপক, শিৱসাগৰৰ লাচিতনগৰ নিবাসী আছিল। সোমবাৰে অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি কাৰ্যালয়ত অনুষ্ঠিত এখন শোক সভাত নাথৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰা হয়। প্ৰয়াত নাথৰ সমিতিৰ প্ৰতি থকা আন্তৰিক সদ্‌ভাৱক সকলোৱে একেমুখে শ্ৰদ্ধাৰে সুঁৱৰে। প্ৰয়াত নাথৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰ্থে মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে তেওঁৰ পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰা হয়।

# ২১ লক্ষাধিক পলিচিধাৰীৰ বাবে ২,৫৩০ কোটি টকাৰ বোনাছ ঘোষণা এক্সিছ মেক্স লাইফৰ

**গুৱাহাটী, ৯ জুনঃ** পূৰ্বে মেক্স লাইফ ইঞ্চুৰেন্স কোম্পানী লিমিটেড নামেৰে পৰিচিত এক্সিছ মেক্স লাইফ ইঞ্চুৰেন্স লিমিটেডে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে যোগ্য পলিচিধাৰীসকলৰ বাবে ২,৫৩০ কোটি টকাৰ অংশগ্ৰহণকাৰী (পিএআৰ) বোনাছ ঘোষণা কৰিছে, যি একেৰাহে ২৪ সংখ্যক বাৰ্ষিক বোনাছ।বীমা প্ৰতিষ্ঠানটোৱে কয় যে, এই বোনাছে ২১লাখতকৈ অধিক যোগ্য অংশগ্ৰহণকাৰী পলিচিধাৰীক লাভৱান কৰিব আৰু ২০২৬ চনৰ জুলাই মাহৰ পৰা বিতৰণ আৰম্ভ হ'ব। এই শেহতীয়া ঘোষণাৰ জৰিয়তে বিগত ২৪বছৰত কোম্পানীটোৰ সঞ্চিত বোনাছ পৰিশোধ ১৮,৩৭৭ কোটি টকা হৈছে।কোম্পানীটোৰ মতে পিআৰ ফাণ্ডৰ আকাৰ ২০২৫ বিত্তীয় বৰ্ষত ৭৪,১১৯ কোটি টকাৰ পৰা ২৬ বিত্তীয় বৰ্ষত ৭৯,০০৩ কোটি টকালৈ বৃদ্ধি পাইছে। যোৱা দশকত এই পুঁজিয়ে ১৭ শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বৃদ্ধিৰ হাৰ (চিএজিআৰ) অৰ্জনেৰে অভিলেখ গঢ়িছে।কোম্পানীটোৱে ঘোষণা কৰা বাৰ্ষিক বোনাছ বছৰি ক্ৰমাগতভাৱে বৃদ্ধি পাইছে, ২০২২ বিত্তীয় বৰ্ষত ১,৪৬৯ কোটি টকাৰ পৰা ২০২৩ বিত্তীয় বৰ্ষত ১,৬০৪ কোটি, ২০২৪ বিত্তীয় বৰ্ষত ১,৮২৬ কোটি, ২০২৫ বিত্তীয় বৰ্ষত ২,১৩৫ কোটি আৰু ২০২৬ বিত্তীয় বৰ্ষত ২,৫৩০ কোটি টকালৈ বৃদ্ধি পাইছে।এক্সিছ মেক্স লাইফৰ অংশগ্ৰহণকাৰী প্ৰডাক্টসমূহে নগদ বোনাছ, ৰিভাৰ্চনেৰী বোনাছ আৰু টাৰ্মিনেল বোনাছকে ধৰি বিভিন্ন বোনাছ বিকল্প আগবঢ়ায়। ইয়াৰ লগতে প্ৰডাক্টসমূহে পলিচিধাৰীক বোনাছ সঞ্চয়, সঞ্চিত বোনাছৰ আংশিক প্ৰত্যাহাৰ, পৰিশোধ সংযোজন আৰু প্ৰিমিয়াম অফছেটৰ দৰে বৈশিষ্ট্যও প্ৰদান কৰে, যিয়ে সাধাৰণ বীমা কৰা ধনৰাশিক প্ৰভাৱিত নকৰে।গুৱাহাটী মহানগৰীত অধিক বোনাছ ঘোষণাই অংশগ্ৰহণকাৰী জীৱন বীমা সামগ্ৰীৰ প্ৰতি গ্ৰাহকৰ আস্থা শক্তিশালী কৰিব পাৰে। বিশেষকৈ অঞ্চলটোত ক্ৰমাৎ বৃদ্ধি পোৱা বিত্তীয় সজাগতাৰ মাজতে গ্ৰাহকে দীৰ্ঘম্যাদী সঞ্চয় আৰু সুৰক্ষা সেৱাৰ সন্ধান ক্ৰমাৎ বৃদ্ধি পাইছে।

# পাণ্ডু সদিলাপুৰৰ মেধাৱী ছাত্ৰ বিশাল ঠাকুৰীয়াৰ মৃত্যু



**গুৱাহাটী,৯ জুনঃ** গুৱাহাটী মহানগৰীৰ এক নং ৱাৰ্ডৰ অন্তৰ্গত পাণ্ডু সদিলাপুৰৰ উদীয়মান যুৱক তথা গুৱাহাটী।বিশ্ববিদ্যালয়ৰ বায়োটেকন'লজি বিভাগৰ চূড়ান্ত বৰ্ষৰ মেধাৱী ছাত্ৰ প্ৰয়াত ৰোহিনী কান্ত ঠাকুৰীয়া আৰু হিমানী ঠাকুৰীয়াৰ পুত্ৰ বিশাল ঠাকুৰীয়াৰ অলপতে নিজ বাসগৃহত আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ মাতৃ হিমানী ঠাকুৰীয়া আৰু ভাতৃ প্ৰিয়াংশু ঠাকুৰীয়াৰ লগতে বহুতো আত্মীয় স্বজনক এৰি থৈ যায়। অমায়িক আৰু শান্ত শিষ্ট স্বভাৱৰ বিশাল ঠাকুৰীয়াৰ মৃত্যুত বৃহত্তৰ পাণ্ডু সদিলাপুৰ জন কল্যাণ সমাজৰ সভাপতি হৃষিকেশ দাসে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। আনহাতে তেওঁৰ অকাল মৃত্যুত বৃহত্তৰ পাণ্ডু সদিলাপুৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# নাজিৰাত কৃষ্ণ কান্ত সন্দিকৈ, অতুল চন্দ্ৰ হাজৰিকা আৰু পাৰ্বতি প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, নাজিৰা, ৯ জুন ঃ** নৱ-প্ৰজন্মৰ বাবে উৎসৰ্গিত স্বেচ্ছাসেৱী অনুষ্ঠান আগন্তুক, শিৱসাগৰে ৭জুনত শিক্ষক, নাট্যকৰ্মী, নাজিৰা সমজিলাৰ হোলাংকাটনি গাঁও নিবাসী কুমুদ কলিতাৰ চোতালত প্ৰাচ্যতত্ববিদ কৃষ্ণকান্ত সন্দিকৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা আৰু গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস উদ্‌যাপন কৰে। এজাক শিশু আৰু চেমনীয়াৰ বিশেষ উপস্থিতিত আগন্তুকৰ সভাপতি যোগ গগৈৰ সঞ্চালনাত অনুষ্ঠিত মূল অনুষ্ঠানৰ পূৰ্বে আদৰ্শ শিপিনী পূৰ্ণিমা দত্ত কলিতাই এটি গছপুলি ৰোপণ কৰাৰ পিছতেই লোকশিল্পী জুনু কলিতা, লীলাকান্ত নেওগ আৰু অকণ কলিতাই তিনিওজনা মহান ব্যক্তিৰ প্ৰতিচ্চবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। শিক্ষাবিদ, কমিউনিষ্ট নেতা প্ৰয়াত খগেশ্বৰ কলিতা আৰু মানৱতাবাদী শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্চবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অৱসৰী বিষয় শিক্ষয়িত্ৰী বুলু দত্ত আৰু বয়োজ্যেষ্ঠ নাগৰিক সুৰেন দত্তই। শিক্ষক, নাট্যশিল্পী প্ৰণৱজ্যোতি দত্তই উদ্বোধনী ভাষণ আৰু আগন্তুকৰ মুখ্য সম্পাদক দিলীপ শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানৰ মুখ্য বক্তা, বিশিষ্ট লেখক, শিল্পী-সাংবাদিক ধীৰেন ফুকনে তেওঁৰ ভাষণত কয় - প্ৰাচ্য বিদ্যাৰ্ণৱ ড° কৃষ্ণকান্ত সন্দিকৈয়ে আন পাণ্ডিত্যপূৰ্ণ কামবোৰৰ উপৰিও অসমৰ উচ্চ শিক্ষাৰ বুনিয়াদ গঢ় দিছিল। উত্তৰ পূব ভাৰতৰ প্ৰথমখন বেচৰকাৰী ডিগ্ৰী মহাবিদ্যালয় যোৰহাট জে বি কলেজ আৰু অসমৰ প্ৰথম বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ লগতে দীৰ্ঘ সময় এই দুয়োটা শিক্ষানুষ্ঠানক মুৰব্বী ৰূপে সফল আৰু



সবল নেতৃত্ব দিছিল। অতুলচন্দ্ৰ হাজৰিকাক আন নহ'লেও অসমীয়া নাট্য সাহিত্যক সমৃদ্ধ কৰি যোৱাৰ বাবেই অসমীয়া সাহিত্যৰ ইতিহাসত তেওঁ ভাস্বৰ হৈ থাকিব। তেখেতৰ সাহিত্য অকাডেমি বিজয়ী গ্ৰন্থ 'মঞ্চলেখা' বিগত পাঁচশ বছৰৰ অসমীয়া নাটকৰ গৌৰৱ গাঁথা। আধুনিক অসমীয়া সংগীতৰ ধাৰা সৃষ্টিত ত্ৰি-প্ৰসাদৰ অন্যতম পাৰ্বতী প্ৰসাদ বৰুৱাৰ অৱিহণা অনস্বীকাৰ্য। গীতিকবি হিচাপে অসমীয়া সাহিত্য-সংগীতৰ বুৰঞ্জীত তেখেতৰ নাম নজহা-নপমাকৈ থাকিব সৰ্বদায়। কস্তুৰী বাইলুং, এনিশা দত্ত, অৰ্কিড চেতিয়া, আৰোহণ মিলি, জ্যোতিস্মান ফুকন, জ্যোতিস্মিতা শইকীয়া আদি কণ্ঠ সংগীতৰ কেইবা গৰাকী শিক্ষাৰ্থীৰ ওপৰিও জ্যেষ্ঠ শিল্পী প্ৰভাত কোঁৱৰ, বিপিন হাজৰিকা, মেদিনী মোহন মিলি আৰু বুলু দত্তই পাৰ্বতি প্ৰসাদৰ গীত পৰিৱেশনেৰে সকলোকে আনন্দ দিয়ে। অতুল চন্দ্ৰ হাজৰিকাৰ 'প্ৰথম সন্তান' কবিতাটি আবৃত্তি কৰে দৃষ্টিনন্দন কলিতাই। অনুষ্ঠানত অতুল চন্দ্ৰ হাজৰিকাৰ শেষ নোহোৱা সাধু কবিতাটো কুমুদ কলিতাই দিয়া ছুটি নাট্য ৰূপত ১৪ গৰাকী শিশু আৰু চেমনীয়াই অভিনয় কৰি সকলোকে মুগ্ধ কৰে। কুমুদ কলিতাৰ পৰিচালনাৰ এই নাট অভিনয়ৰ সংগীত পৰিচালনাত আছিল দুই চেমনীয়া দিব্য দৰ্শন আৰু দৃষ্টি নন্দন। শতাধিক দৰ্শক-শ্ৰোতাৰ উপস্থিতিত অনুষ্ঠিত এই তিনিগৰাকী যুগাগ্ৰগামীৰ শ্ৰদ্ধাৰ্ঘ অনুষ্ঠানত সাংস্কৃতিক ক্ষেত্ৰৰ অনুৰাগ শৰ্মা, অৰুণ কোঁৱৰ, পৰাগ ৰায়বৰুৱা, মনোজ ফুকন, মিণ্টু চেতিয়া, ৰমেন বৰুৱা, দেৱজিৎ শৰ্মা, ললিত গগৈ, মঞ্জু দত্ত, ৰিকুমণি ফুকন আদি সক্ৰিয় কৰ্মী সকল উপস্থিত থাকে। সম্পাদক ৰণ্‌জিত ফুকনে সূত্ৰধৰা আৰু কুমুদ কলিতাই শলাগৰ শৰাই আগবঢ়োৱা বৰ্ণাঢ্য অনুষ্ঠানটি সুধাকণ্ঠ ড° হাজৰিকাৰৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটো সমস্বৰে পৰিৱেশন কৰি সামৰা হয়।

## বকো কোচিং একাডেমীত পুনৰ প্ৰশিক্ষণৰ শুভাৰম্ভ

**বাতৰি কাকত, বকো, ৯ জুন ঃ** কামৰূপ জিলাৰ বকোৰ দ'দানপুৰত (ডন বস্কো)ৰ সমিপত আজিৰ পৰা পুনৰ শুভাৰম্ভ কৰা হক্সল বকো কোচিং একাডেমীত শিক্ষা দান। উল্লেখ্য যে বকোৰ উচ্চ শিক্ষিত যুৱক তথা অধ্যাপক ৰঞ্জন ৰাভাৰ একক প্ৰচেষ্টাত স্থাপন কৰা কোচিং একাডেমী খন এক আকস্মিক অগ্নিকাণ্ডত জ্বলি ভষ্মিভূত হৈছিল আৰু প্ৰশিক্ষণ কেন্দ্ৰটো কিছুদিন বন্ধ আছিল। সেয়ে কোচিং একাডেমী খন পুনৰ মুকলি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ৰঞ্জন ৰাভাই। এই ক্ষেত্ৰত বহু সংখ্যক বৃহত্তৰ অঞ্চলটোৰ বহু বৌদ্ধিক সামাজিক লোকৰ লগত আলাপ আলোচনা কৰি কোচিং একাডেমী খন পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। আজি এক মাংগলিক পৰম্পৰাৰে বকো কোচিং একাডেমী খন শুভাৰম্ভ কৰে বকোৰ বিশিষ্ট শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীন্ত শৰ্মাই। শিক্ষা প্ৰতিষ্ঠান খনৰ সঞ্চালক ৰঞ্জন ৰাভাই আঁত ধৰা অনুষ্ঠানত কোচিং একাডেমীৰ আৱশ্যকীয়তাৰ ওপৰত আলোকপাত কৰে লক্ষ্মীকান্ত শৰ্মাই। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী ৰমেন বৰা, যুৱ শিক্ষিত ছাত্ৰ কৰ্মী অবিনাশ বড়ো, বিজয় ৰাভা, দিবাকৰ ৰাভা, অন্যন্যা দাসৰ উপৰিও বহু প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ইফালে আজিৰ পৰা উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু এ পি এছ চি আৰু এ ডি আৰ ইৰ পাঠ্যক্ৰমৰ প্ৰশিক্ষণ শুভাৰম্ভ কৰা হৈছে বুলি জানিব দিয়ে সঞ্চালক ৰঞ্জন ৰাভাই।

## ৰঙিয়াৰ ৰুদ্ৰ মণি ধাবাত পৌৰপতিক আক্ৰমণ

**বাতৰি কাকত, ৰঙিয়া, ৯ জুন ঃ** ৰঙিয়াৰ উদিয়ানাস্থিত ৰুদ্ৰমণি ধাবাত যোৱা নিশা সংঘটিত ফটো কেন্দ্ৰিক সংঘাতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। ধাবাখনৰ স্বত্বাধিকাৰী আলী উপাধিৰ এগৰাকী ইছলাম ধৰ্মালম্বী লোকে হিন্দু ধৰ্মৰ উপাস্য দেৱ দেৱীৰ ফটো আৰি থোৱাক লৈ সংঘাতৰ সৃষ্টি হোৱাৰ ফলত দলবদ্ধ আক্ৰমণৰ বলি হয় ৰঙিয়া নগৰৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ। ঘটনাৰ বিৱৰণি অনুসৰি, ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰে কিছুদিন পূৰ্বে ধাবাখনত দেৱ দেৱীৰ ফটো আৰি থোৱা প্ৰত্যক্ষ কৰি স্বত্বাধিকাৰী জইনুৰ আলীৰ সৈতে আলোচনাত মিলিত হৈ আঁতৰাবলৈ নিৰ্দেশ দিয়ে। শেহতীয়াকৈ যোৱা নিশা আহাৰ গ্ৰহণ কৰাৰ উদ্দেশ্যে পৌৰপতি গৰাকী ধাবাখনত প্ৰৱেশ কৰি পূৰ্বৰ দৰে ফটো সমূহ আৰি ৰখা দৃশ্য প্ৰত্যক্ষ কৰে। পৌৰপতি অমৰেন্দ্ৰ লহকৰে পুনৰ উক্ত বিষয়ৰ অৱতাৰণা কৰাৰ পিছতে সৃষ্টি হয় তীব্ৰ বাদানুবাদ, হতাহতিৰ। ঘটনাটোত পৌৰপতি অমৰেন্দ্ৰ লহকৰসহ আন কেইবাজনকো প্ৰহাৰ কৰে ধাবাখনৰ স্বত্বাধিকাৰী সমন্বিতে উপস্থিত অঞ্জন ভূএগ্ৰা আৰু পংকজ কলিতাৰ লগতে আন কেইবাজনকো আক্ৰমণ তথা প্ৰহাৰ কৰে। ৰঙিয়া থানাৰ সন্মুখত বজৰং দলসহ কেইবাটাও সংগঠনে সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। পথ অৱৰোধ কৰি টায়াৰ জ্বলাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে একাংশ প্ৰতিবাদকাৰীয়ে। অভিযোগ অনুসৰি, ৰঙিয়া পৌৰসভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰসহ কেইগৰাকীমান লোকে কিছুদিন পূৰ্বে ধাবাখনত আহাৰ গ্ৰহণ কৰিবলৈ গৈ দেৱ-দেৱীৰ ফটো আৰি থোৱা প্ৰত্যক্ষ কৰি আঁতৰাবলৈ নিৰ্দেশ দিছিল। কিন্তু ধাবাখনৰ গৰাকীয়ে উক্ত নিৰ্দেশ অমান্য কৰে। শেহতীয়াকৈ যোৱা নিশা ধাবাখনত আহাৰ গ্ৰহণ কৰিবলৈ গৈ একে দৃশ্য প্ৰত্যক্ষ কৰি পৌৰপতি গৰাকীয়ে স্বত্বাধিকাৰী জনক পুনৰ আহ্বান জনোৱাৰ লগে লগে দুয়ো পক্ষৰ মাজত সৃষ্টি হয় তীব্ৰ বাদানুবাদ, হতাহতিৰ। ঘটনাটোত পৌৰপতি অমৰেন্দ্ৰ লহকৰসহ আন কেইবাজন লোক প্ৰহাৰৰ বলি হয়। ইফালে উক্ত অভিযোগত ধাবাখনৰ মালিক জইনুৰ আলীক আটক কৰাৰ দাবী জনাই একাংশ প্ৰতিবাদকাৰীয়ে। ৰুদ্ৰমনি ধাবাৰ মালিকসহ একাংশ লোকে পৌৰপতি অমৰেন্দ্ৰ লহকৰ, অঞ্জন ভূএগ্ৰা আৰু পংকজ কলিতাৰ লগতে আন কেইবাজনকো আক্ৰমণ তথা প্ৰহাৰ কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগেই সৰব হৈ পৰে স্থানীয় কেইবাটাও সংগঠন। ধাবাৰ গৰাকী জইনুৰ আলীক শীঘ্ৰে আটক কৰাৰ দাবীত বজৰং দলসহ কেইবাটাও সংগঠনৰ সদস্যই ৰঙিয়া থানা ঘেৰাও কৰে। ইয়াৰ উপৰিও থানাৰ সন্মুখৰ পথত টায়াৰ জ্বলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনকেইটাই। ই পথ অৱৰোধৰ ফলত ৰাজপথত কেইবাখনো মালবাহী যান-বাহন আৱদ্ধ হৈ পৰে আৰু তীব্ৰ যানজঁটৰ সৃষ্টি হয়। ইফালে আজি দিনৰ ৰঙিয়া থানাত এজাহাৰ দাখিল কৰে পৌৰপতি অমৰেন্দ্ৰ লহকৰে। উক্ত ঘটনাত জড়িত থকাৰ অভিযোগত ৭ গৰাকী লোকৰ বিৰুদ্ধে পৌৰপতি গৰাকীয়ে এজাহাৰ দাখিল কৰে। কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱাই পৌৰপতিক আক্ৰমণ কৰা ঘটনাত জড়িত তিনিজনক আটক কৰা বুলি জানিবলৈ দিয়ে। আনহাতে ঘটনাৰ মুল অভিযুক্ত জয়নুৰ আলীক কৰায়ত্ত কৰিবলৈ অভিযান চলাই থকা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## সাম্প্ৰদায়িক বিদ্বেষমূলক পোষ্টৰ বিৰুদ্ধে আৰক্ষীক অভিযোগ দাখিল

**দ্বীপেন বায়ন, উত্তৰ গুৱাহাটী, ৯ জুন ঃ** সামাজিক মাধ্যম Facebookত পৃথকে পৃথকে প্ৰকাশ পোৱা দুটা আপত্তিজনক আৰু সাম্প্ৰদায়িক বিদ্বেষমূলক পোষ্টৰ বিৰুদ্ধে উত্তৰ গুৱাহাটী আৰক্ষী থানাত আজি বিশ্ব হিন্দু মহা সংঘ,অসমৰ তৰফৰ পৰা দুখন এজাহাৰ দাখিল কৰা হয়। বিশ্ব হিন্দু মহাসংঘ, অসমৰ মুখ্য সম্পাদক নিৰ্মলেশ্বৰ গোস্বামীয়ে স্বাক্ষৰ কৰা এজাহাৰ দুখনৰ এখনত ইছলাম মহিব তালবাহানা (Islam Mahib Talbahana) নামৰ এটা Facebook একাউণ্টৰ পৰা প্ৰকাশিত এটা পোষ্টত সনাতন হিন্দু ধৰ্মৰ আৰাধ্যসকলৰ প্ৰতি অশালীন, ঘৃণনীয় আৰু তুচ্ছ-তাচ্ছিল্যসূচক মন্তব্য কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰা হৈছে। অভিযোগত কোৱা হৈছে যে উক্ত পোষ্টটোৱে হিন্দু সমাজৰ ধৰ্মীয় অনুভূতিত গভীৰ আঘাত হানিছে আৰু ইয়াৰ ফলত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি হোৱাৰ লগতে সামাজিক সম্প্ৰীতি আৰু জনশান্তি বিঘ্নিত কৰাৰ আশংকা আছে। সামাজিক মাধ্যমৰ জৰিয়তে এনে ধৰণৰ বিদ্বেষমূলক আৰু উচটনিমূলক বিষয়বস্তু প্ৰচাৰ এখন সমাজৰ বাবে এটা গুৰুতৰ ভাবুকি বুলি অভিযোগকাৰীয়ে মত প্ৰকাশ কৰে। আনহাতে আনখন এজাহাৰত, বিশ্বহিন্দু মহাসংঘৰ সভাপতি শ্ৰীযুত জনাৰ্দন দেৱগোস্বামীয়ে সংবাদমাধ্যমৰ আগত মাইকযোগে আজান দিয়াৰ সন্দৰ্ভত নিজৰ অভিমত ব্যক্ত কৰাত তাৰ বিৰুদ্ধে জনৈক মুছলমান যুৱতীয়ে তেওঁক অশ্লীল ভাষাৰে গালি-গালাজ কৰি সামাজিক মাধ্যমত তেওঁৰ মানহানিৰ যি প্ৰয়াস কৰিছে, সেই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। বিশ্ব হিন্দু মহাসংঘই এইদুয়োটা বিষয় গুৰুত্বসহকাৰে তদন্ত কৰি পোষ্ট দুটাৰ আঁৰত জড়িত ব্যক্তি বা গোটৰ উদ্দেশ্য অনুসন্ধান কৰাৰ লগতে প্ৰযোজ্য আইন অনুসৰি দোষীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। একেসময়ে, ভৱিষ্যতে সামাজিক মাধ্যমত সাম্প্ৰদায়িক বৈৰিতা আৰু ধৰ্মীয় বিদ্বেষ সৃষ্টিকাৰী বিষয়বস্তুৰ প্ৰচাৰ ৰোধ কৰিবলৈ প্ৰশাসনক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱা হৈছে। উল্লেখ্য যে আজিৰ এজাহাৰ দাখিলৰ সময়ত গীতা বৰ্মন, নিপন গোস্বামীকে ধৰি বিশ্ব হিন্দু মহাসংঘৰ কেইবাগৰাকীও নেতা-নেত্ৰী উপস্থিত থাকে।

## টাইগাৰ ক্লাবৰ উদ্যোগত ৪০ উৰ্ধ্বৰ ফুটবল ঃ ওদালগুৰি ভেটাৰ্ণ এফচি বিজয়ী

**বাতৰি কাকত, জাগী ভকতগাঁও, ৯ জুন ঃ** জাগীৰোডৰ বাংঠাইগাঁও টাইগাৰ ক্লাবৰ উদ্যোগত কালি বাংঠাইগাঁও খেলপথাৰত অনুষ্ঠিত হয় ৪০ বছৰ উৰ্ধ্বৰ এদিনীয়া ভেটাৰ্ণ ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতা খনত গুৱাহাটী, নগাঁও, ওদালগুৰি আৰু কলিয়াবৰৰ চাৰিটা দলে অংশগ্ৰহণ কৰে। দীপক দলৈ আৰু পোহৰ কোঁৱৰৰ সোঁৱৰণত অনুষ্ঠিত খেলখনত ১-০ গ'লত ওদালগুৰি ভেটাৰ্ণ ফুটবল ক্লাবে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে আৰু ৰাণাৰ্ছ আপ হয় ইউনাইটেড ভেটাৰ্ণ এফচি, নগাঁও। বিজয়ী আৰু বিজিত দল দুটাক বঁটাসহ নগদ ১০,০০১ টকা আৰু ৭,০০১ টকা প্ৰদান কৰা হয়। টুৰ্ণামেণ্ট খনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান ওদালগুৰিৰ জিতেন দৈমাৰীয়ে, বেষ্ট গ'ল কীপাৰ সন্মান ওদালগুৰিৰ মাৰ্কোছ বসুমতাৰীয়ে আৰু সৰ্বাধিক গ'ল দাতাৰ বঁটা নগাঁও এফচিৰ নীলম দাসে লাভ কৰিবলৈ সক্ষম হয়।



## জিলা ভিত্তিক আবৃত্তি প্ৰতিযোগিতা

**বাতৰি কাকত, উত্তৰ গুৱাহাটী, ৯ জুন ঃ** সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ পালনৰ লগত সংগতি ৰাখি অসমৰ এটা অগ্ৰণী শিল্প-সংস্কৃতি মূলক অনুষ্ঠান 'অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ'ৰ কামৰূপ জিলা (উত্তৰ) শাখাৰ উদ্যোগত কামৰূপ জিলা ভিত্তিক আবৃত্তি প্ৰতিযোগিতা যোৱা ৭ জুন, দেওবাৰে উত্তৰ গুৱাহাটীৰ মধ্যমখণ্ডস্থিত উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ৰঙিয়া, পূব কামৰূপ (বাইহাটা), হাজো, উত্তৰ গুৱাহাটী, লেঙাকে আদি কৰি কামৰূপ জিলা (উত্তৰ)ৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ পৰা অহা শতাধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। গজালি, কৃশলয়, জোনাকী, ৰামধেনু, মুকলি, প্ৰশিক্ষক তথা প্ৰবীণ বুলি নামাংকিত মুঠ ৭টা শাখাত অনুষ্ঠিত হোৱা আবৃত্তি প্ৰতিযোগিতা খনিত শিশুৰ পৰা যাঠিৰ উৰ্ধ্বৰ বিভিন্ন বয়সৰ লোকে ভাগ লয়। অৱশ্যে জিলা পৰ্যায়ৰ



এই প্ৰতিযোগিতাৰ সকলো প্ৰতিযোগীয়েই ৰঙিয়া, পূব কামৰূপ, উত্তৰ গুৱাহাটী, হাজোকে আদি কৰি 'অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ'ৰ অন্তৰ্ভুক্ত শাখা পৰ্যায়ৰ প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত হৈ অহা। আবৃত্তিকাৰ তথা অভিনেতা শ্যামল চমুৱাই আঁতধৰা প্ৰতিযোগিতা উন্মোচনী অনুষ্ঠানত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ডঃ হুপেশ চৌধুৰীয়ে আবৃত্তি কলাৰ প্ৰাসংগিকতা তথা প্ৰয়োজনীয়তাৰ ওপৰত চমু বক্তব্য ৰাখে। বন্তিপ্ৰজ্বলনৰ ঠিক পিছতেই কামৰূপ জিলা (উত্তৰ)ৰ অন্তৰ্গত বিভিন্ন স্থানৰ ২৫ গৰাকী লোকক সম্বৰ্ধনা জনোৱা হয়। মুঠ ৭টা শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত বিচাৰক হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট আবৃত্তিকাৰ কমল বৰা, গকুল বৰুৱা আৰু নীলোৎপল কুমাৰে। প্ৰতিযোগিতাৰ অন্তত ফলাফল ঘোষণা কৰি শতাধিক প্ৰতিযোগীৰ মাজৰ পৰা ৭টা শাখাত প্ৰথম শ্ৰেষ্ঠ, দ্বিতীয় শ্ৰেষ্ঠ আৰু তৃতীয় শ্ৰেষ্ঠ হিচাপে ৩ গৰাকীকৈ মুঠ ২১ গৰাকী প্ৰতিযোগী ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত কৰা হয় আৰু তেওঁলোকক মানপত্ৰ প্ৰদান কৰা হয়। অহা ৭ জুলাইত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম ভিত্তিৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত এই ২১ গৰাকী নিৰ্বাচিত প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব। 'অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ'ৰ অন্যতম জিলা শাখা কামৰূপ জিলা (উত্তৰ)ৰ এনে সংস্কৃতিমুখী প্ৰয়াসৰ বাবে অঞ্চলবাসীয়ে অনুষ্ঠানটোৰ শলাগ লয়।

## ৰঞ্জিত কুমাৰ দাসক সাক্ষাৎ - শ্বেৰমান আলী আহমেদৰ



**বাতৰি কাকত, লুতফৰ ৰহমান, ৯ জুন ঃ** অসম বিধান সভাৰ মাননীয় অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ কাৰ্যালয়ত সৌজন্যমূলক সাক্ষাত কৰি দ্বিতীয়বাৰৰ বাবে অধ্যক্ষ নিৰ্বাচিত হোৱাত শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সম্বৰ্ধনা জনায়। লগতে অসমৰ বৃটিছ যুগৰ মাত্ৰ তিনিখন চহৰৰ (গুৱাহাটী, শিলচৰ আৰুবৰপেটা) অন্যতম বৰপেটা চহৰ তথা বৰপেটা জিলাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হয় আৰু কেইবাটাও দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে বুলিও সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে বিধায়ক গৰাকীয়ে। উক্ত দাবী সমূহ - (১) বৰপেটা চহৰক ৰেললাইনযোগে সংযোগ কৰণ। (২) বৰপেটা চহৰৰ মূল ৰাস্তাসমূহ বহলীকৰণ নাইবা দুখনমান উৰণীয়া সেঁঞ্জতু নিৰ্মাণ। (৩) অভয়াপুৰী-বৰপেটা ৰাজ্যিক ঘাইপথ চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণ। (৪) ব্ৰহ্মপুত্ৰৰ নদীৰ ওপৰত বামুণদংৰা-নগৰবেৰা সংযোগী এখন পকী দলং নিৰ্মাণ। (৫) বৰপেটাত জিলাত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন। (৬) বৰপেটা জিলাত শেহতীয়া প্ৰযুক্তিৰ পাঠ্যক্ৰম সম্বলিত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন। বিধায়ক গৰাকীৰ এনে জনহিতৌষি পদক্ষেপক জিলাবাসী লগতে সমষ্টিবাসী ৰাইজ উৎফুল্লিত হৈ পৰিছে।

*দক্ষতা বিকাশৰ জৰিয়তে স্বনিয়োজনৰ পথ মুকলি কৰাৰ আহ্বান জিলা আয়ুক্তৰ*

# মৰিগাঁৱত দক্ষতা বিকাশ পাঠ্যক্ৰমৰ সমল ব্যক্তিসকলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন

**বাতৰি কাকত, মৰিগাঁও, ৯ জুন ঃ** মৰিগাঁও জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সভাকক্ষত আজি শিক্ষানুষ্ঠানসমূহত ৰূপায়ণ হ'বলগীয়া দক্ষতা শিক্ষা পাঠ্যক্ৰমৰ বাবে নিয়োগ কৰা সমল ব্যক্তিসকলক লৈ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত দক্ষতা শিক্ষাৰ সফল ৰূপায়ণ, শিক্ষাৰ্থীসকলক কৰ্মমুখী কৰি তোলা আৰু স্বনিয়োজনৰ সুযোগ সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাত বক্তব্য ৰাখি জিলা আয়ুক্তগৰাকীয়ে কয় যে বৰ্তমান যুগ তথ্য-প্ৰযুক্তি আৰু কম্পিউটাৰৰ যুগ। সময়ৰ লগে লগে বিশ্বদৃষ্টি, জীৱনবোধ আৰু কৰ্মসংস্কৃতিৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে। এনে পৰিস্থিতিত শিক্ষাৰ্থীসকলক কেৱল পুথিগত জ্ঞানেই নহয়, ব্যৱহাৰিক দক্ষতা, উদ্যোগশীলতা আৰু কৰ্মসংস্থাপনৰ বাবে যোগ্যতা বৃদ্ধিৰ দিশতো আগুৱাই নিয়াটো অতি প্ৰয়োজনীয়। তেওঁ সমল ব্যক্তিসকলক নিষ্ঠা, আন্তৰিকতা আৰু সামাজিক দায়বদ্ধতাৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে চৰকাৰে বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন শিক্ষামূলক সুবিধা প্ৰদান কৰাৰ পিছতো সমাজত নিবনুৱা যুৱক-যুৱতীৰ সংখ্যা উদ্বেগজনক। সেয়েহে দক্ষতা বিকাশৰ জৰিয়তে শিক্ষাৰ্থীসকলক আত্মনিৰ্ভৰশীল আৰু স্বনিয়োজনমুখী কৰি তোলাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। সভাত অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মাই কয় যে দক্ষতা শিক্ষা হৈছে শিক্ষাৰ্থীসকলক বাস্তৱ জীৱন আৰু কৰ্মক্ষেত্ৰৰ বাবে প্ৰস্তুত কৰাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। এই পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীসকলে ব্যৱহাৰিক জ্ঞান, সমস্যা সমাধানৰ দক্ষতা, ডিজিটেল সাক্ষৰতা আৰু দলীয়ভাৱে কাম কৰাৰ মানসিকতা গঢ়ি তুলিব পাৰিব। তেওঁ সমল ব্যক্তিসকলক পাঠদানক অধিক অংশগ্ৰহণমূলক, ব্যৱহাৰিক আৰু শিক্ষাৰ্থীৰ বাবে অনুকূল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত দক্ষতা শিক্ষাৰ মূল উদ্দেশ্যসমূহৰ ভিতৰত শিক্ষাৰ্থীৰ ব্যৱহাৰিক দক্ষতা বৃদ্ধি, উদ্যোগশীলতা আৰু স্ব-নিয়োজনৰ মানসিকতা গঢ়ি তোলা, সৃষ্টিশীলতা আৰু সমালোচনামূলক চিন্তাধাৰাৰ বিকাশ, বিদ্যালয় শিক্ষা আৰু কৰ্মজগতৰ মাজৰ ব্যৱধান দূৰ কৰা, বিভিন্ন বৃত্তি আৰু কেৰিয়াৰৰ সুযোগ সম্পৰ্কে জ্ঞান প্ৰদান, ডিজিটেল সাক্ষৰতা উন্নীতকৰণ, শ্ৰমৰ মৰ্যাদাৰ প্ৰতি সন্মান গঢ়ি তোলা আৰু উচ্চ শিক্ষা তথা কৰ্মজীৱনৰ বাবে শিক্ষাৰ্থীক প্ৰস্তুত কৰাৰ বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয়। সভাত সমগ্ৰ শিক্ষা, অসমৰ জিলা আঁচনি বিষয়া ৰোহিনী দত্ত, জিলা পশুচিকিৎসা বিষয়া ডাঃ নীলোৎপল কাকতি, সমগ্ৰ শিক্ষা, অসমৰ অৱসৰপ্ৰাপ্ত জিলা আঁচনি বিষয়া ৰাজেন গোস্বামীকে ধৰি বিভিন্ন বিভাগৰ বিষয়া আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। লগতে স্বাস্থ্য বিভাগ, কৃষি বিভাগ, আইটিআই, পলিটেকনিক আৰু বিভিন্ন মহাবিদ্যালয়ৰ পৰা নিয়োগ কৰা সমল ব্যক্তিসকলেও সভাত অংশগ্ৰহণ কৰে।



# আৰক্ষীক গছপুলি উপহাৰ প্ৰীত পেটেল স্কুলৰ কণ কণ শিক্ষাৰ্থীৰ

**বঙাইগাঁও, ৯ জুনঃ** বঙাইগাঁৱৰ প্ৰীত পেটেল স্কুলৰ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে এক ব্যতিক্ৰমী কাৰ্যসূচীৰ জৰিয়তে পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰেৰণ কৰে। স্কুলখনৰ শিক্ষাৰ্থীসকলে শিক্ষক-শিক্ষয়িত্ৰীৰ নেতৃত্বত বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হৈ আৰক্ষী অধীক্ষক তথা অন্যান্য জ্যেষ্ঠ আৰক্ষী বিষয়াসকলক গছপুলি উপহাৰ প্ৰদান কৰে। এই উপলক্ষে শিক্ষাৰ্থীসকলে পৰিৱেশ সংৰক্ষণ, বৃক্ষৰোপণ আৰু সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত সজাগতা সৃষ্টিৰ আহ্বান জনায়। অনুষ্ঠানত উপস্থিত আৰক্ষী বিষয়াসকলেও শিক্ষাৰ্থীসকলৰ এই পদক্ষেপৰ শলাগ লৈ পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিজন নাগৰিকৰ সক্ৰিয় ভূমিকা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্কুল কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে নতুন প্ৰজন্মৰ মাজত পৰিৱেশ সচেতনতা বৃদ্ধি কৰা আৰু বৃক্ষৰোপণৰ প্ৰতি আগ্ৰহ জগাই তোলাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। সৰুৰে পৰাই ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা আৰু পৰিৱেশ সুৰক্ষাৰ মানসিকতা গঢ়ি তোলাৰ লক্ষ্যৰে এনে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলিও তেওঁলোকে উল্লেখ কৰে। ইপিনে , বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মহাত্তাই শিক্ষাৰ্থীসকলৰ এই প্ৰচেষ্টাক আদৰণি জনাই কয় যে পৰিৱেশ সংৰক্ষণ কেৱল চৰকাৰ বা কোনো বিশেষ সংস্থাৰ দায়িত্ব নহয়, বৰঞ্চ ই সমগ্ৰ সমাজৰ এক সামূহিক দায়িত্ব। নতুন প্ৰজন্মই যদি পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহে, তেন্তে ভৱিষ্যতৰ বাবে এক সুস্থ আৰু সেউজীয়া পৰিৱেশ নিশ্চিত কৰা সম্ভৱ হ'ব। অনুষ্ঠানটোৱে উপস্থিত সকলোকে পৰিৱেশ সংৰক্ষণ আৰু অধিক সংখ্যক গছপুলি ৰোপণৰ বাবে অনুপ্ৰাণিত কৰে।



# অৰ্থৰ অভাৱত উন্নত চিকিৎসাৰ পৰা বঞ্চিত কৈঠালকুছিৰ দ্বীপেন ভট্টাচাৰ্য

**কুমুদ বৰ্মন টিহু, ৯ জুনঃ** অৰ্থৰ অভাৱত উন্নত চিকিৎসাৰ পৰা বঞ্চিত হৈ এক দুৰ্বিসহ জীৱন কটাবলগীয়া হৈছে কৈঠালকুছিৰ এজন যুৱকে । কৈঠালকুছিৰ গামাৰীমুৰীৰ দ্বিপেন ভট্টাচাৰ্য নামৰ যুৱক জনৰ প্ৰায় চাৰি বছৰ পূৰ্বে ভৰিত এক অচিন ৰোগে দেখা দিছিল । আনৰ দোকানত কৰ্মচাৰী হিচাপে কাম কৰা দ্বীপেনে বিভিন্ন চিকিৎসকৰ দ্বাৰা চিকিৎসা কৰি কোনো সুফল পোৱা নাই । সংক্ৰমণৰ ভয়ত এতিয়া কোনেও নাযায় দ্বীপেনৰ ওচৰলৈ । চিকিৎসাৰ



নামত নিজৰ সকলো ধন সম্পত্তি শেষ হোৱাত এক গোহালি সদৃশ পৰিৱেশত এতিয়া অকলশৰীয়া জীৱন কটাবলগীয়া হৈছে দ্বীপেনে । দ্বীপেনৰ ককায়েকে সৰু সুৰা কাম বন কৰি কোনোমতে চলি আছে বাবে তেওঁলোকে দ্বীপেনৰ চিকিৎসা কৰাটো সম্ভৱ নহয় । উন্নয়নৰ ঢাক ঢোল বজাই থকা চৰকাৰ খনে দুখীয়াৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে যদিও কোনো আঁচনিয়ে ঢুকি নাপালে দ্বীপেনক । গুৱাহাটী লালমাটি দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাসে দ্বীপেনৰ ঘৰত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে চিকিৎসাৰ বাবে কিছু আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰে । ন্যাসৰ সচিব হীৰেন চহৰীয়াই চৰকাৰী সকলো আঁচনিৰ পৰা দ্বীপেন ভট্টাচাৰ্যই বঞ্চিত হৈ থকা ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দি চৰকাৰ তথা স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক দ্বীপেনৰ চিকিৎসাৰ ক্ষেত্ৰত সু-ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

# নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমত বিনামূলীয়া চকু চিকিৎসা শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ৯ জুনঃ** হেল্পিং হেণ্ড সন্থাৰ আই কেয়াৰ চেন্টাৰৰ উদ্যোগত নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমত এক বিনামূলীয়া চকু চিকিৎসা শিৱিৰ অনুষ্ঠিত হৈ যায় । এই বিনামূলীয়া চকু পৰীক্ষা শিবিৰত শান্তি নিৱাস বৃদ্ধাশ্ৰমৰ আৱাসী সকলৰ চকু পৰীক্ষা আৰু ব্লাড প্ৰেচাৰ পৰীক্ষা কৰা হয় । হেল্পিং হেণ্ড সন্থাৰ চেয়াৰমেন যতীন্দ্ৰ নাথ কৃষ্ণ দাসে পৰিচালনা কৰা বিনামূলীয়া চকু পৰীক্ষা শিৱিৰটোত আশ্ৰমখনিৰ আৱাসী সকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয় । বিনামুলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰটোত উপস্থিত থাকি ভাষণ ৰাখে বৰভাগ কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক চন্দন কলিতাই । তেওঁ শান্তি নিৱাস বৃদ্ধাশ্ৰমৰ পৰিচালক মজিবুৰ ৰহমানৰ কাম কাজ সন্দৰ্ভতো আলোকপাত কৰে । ইফালে হেল্পিং হেণ্ড সন্থাই কেইবাবছৰ ধৰি সমাজৰ আৰ্তজনৰ হকে কৰি অহা কাম কাজ সন্দৰ্ভতো প্ৰশংসা কৰে অধ্যাপক চন্দন কলিতাই ।চিকিৎসা শিবিৰটোত আশ্ৰমখনিৰ আৱাসী সকলৰ চকু পৰীক্ষা কৰে চকু বিশেষজ্ঞ ডাঃ জ্যোতিৰ্ময় ডেকাই । প্ৰথমবাৰৰ বাবে আশ্ৰমখনিত উপস্থিত হৈ আহ্লাদিত হৈ পৰা বুলিও উল্লেখ কৰে চিকিৎসক গৰাকীয়ে । আশ্ৰমখনিৰ জ্যেষ্ঠ আৱাসী গোৰী ঘোষে আদৰণি ভাষণ ৰখা বিনামূলীয়া চকু পৰীক্ষা শিবিৰটোত ভাষণ ৰাখি হেল্পিং হেণ্ড সন্থাৰ চেয়াৰমেন যতীন্দ্ৰ নাথ কৃষ্ণ দাসে আশ্ৰমখনিৰ আৱাসী সকলৰ কাষত থিয় হ'বলৈ পাই নিজকে ধন্য অনুভৱ হোৱা বুলি কয় । এই চকু পৰীক্ষা শিবিৰৰ জৰিয়তে আশ্ৰমখনিৰ বৃদ্ধ আৱাসী সকলে নিজৰ চকু যুৰি ৰোগৰ পৰা উপশম পাব বুলি আশা প্ৰকাশ কৰে ।আনহাতে হেল্পিং হেণ্ড সন্থাৰ নলবাৰী জিলা সমিতিৰ সম্পাদিকা মঞ্জু বৈশ্য আৰু সদস্য সকলেও এই কাৰ্যসূচীৰ বাবে সন্থাৰ চেয়াৰমেন যতীন্দ্ৰ নাথ কৃষ্ণ দাসৰ শলাগ লয় ।

## সদৌ অসম কোচ ৰাজবংশী সন্মিলনী

# ৰঙিয়া জিলা সমিতিৰ ২৭ সংখ্যক দ্বি বাৰ্ষিক অধিৱেশন

**বাতৰি কাকত বিশেষ,ৰঙিয়া, ৯ জুনঃ** অসমৰ বৃহত্তম জনগোষ্ঠীৰূপে বিশেষ পৰিচয় বহণ কৰি আহিছে কোচ ৰাজবংশী সকল । জনগোষ্ঠীটোৰ উত্তোৰণৰ লক্ষ্যৰে জনজাতিকৰণৰ দাবীত দীৰ্ঘদিন ধৰি সংগ্ৰাম কৰি আহিছে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে । ৰঙিয়াৰ মানুহে জনজাতিকৰণ নহলেও ভালদৰে চলিব পাৰিব । কিন্তু জনজাতিকৰণ নহ'লে কোচ ৰাজবংশী সকলৰ অস্তিত্ব বিপন্ন হ'ব। এই মন্তব্য সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক ৰণাদিত্য বৰ্মনৰ । ৰঙিয়াৰ বটাকুছিত অনুষ্ঠিত সংগঠনটোৰ ৰঙিয়া জিলা সমিতিৰ ২৭ সংখ্যক দ্বি বাৰ্ষিক অধিৱেশন উপলক্ষে অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি বৰ্মণে লগতে কয় যে জাতিৰ কাৰণে কাম কৰাৰ সুকীয়া আমেজ আছে। কোচ ৰাজবংশী সকলৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সজাগতা বঢ়োৱাৰ আৱশ্যকতা আছে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় বৰ্মণে । ৰমণী ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ মঞ্চতে গৌতম কুমাৰ দাস ৰচিত 'বিশ্ব মহাবীৰ চিলাৰায়' শীৰ্ষক গ্ৰন্থখনৰো আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰণাদিত্য বৰ্মণে । কমলপুৰ আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ হৈ সভাপতি ব্ৰজেন্দ্ৰ দেৱমোহন শৰ্মাই প্ৰকাশ কৰা গ্ৰন্থখনিৰ উন্মোচন কৰি উন্মোচক বৰ্মণে কয় যে মহাবীৰ চিলাৰায়ৰ পৰাক্ৰমী সত্বাই কোচ ৰাজবংশী সকলক গৌৰৱান্বিত কৰি আহিছে।বিশ্ব মহাবীৰ খ্যাত চিলাৰায়ৰ পৰাক্ৰমী সত্বাৰ প্ৰতিফলন ঘটাই গৌতম কুমাৰ দাসে যুগুত কৰা গ্ৰন্থখনি কোচ ৰাজবংশী সকলৰ লগতে সমগ্ৰ ৰাজ্যবাসীৰ বাবেও ঐতিহাসিক দলিল হৈ ৰব বুলিও অভিহিত কৰে ৰণাদিত্য বৰ্মণে । দৰং জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি হিৰণ্য ৰাজবংশীয়ে উদ্বোধন কৰা মুকলি সভাত ৰঙিয়া জিলা কোচ ৰাজবংশী সন্মিলনীৰ অন্তৰ্গত ১৩ খনকৈ আঞ্চলিকৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা শতাধিক ছাত্ৰ -ছাত্ৰীকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সভাত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতি খগেন্দ্ৰজিত ঠাকুৰীয়া,সদৌ অসম মহিলা কোচ ৰাজবংশী সন্মিলনীৰ সভানেত্ৰী বিজুলী ৰাজবংশী সন্মিলনীৰ সভানেত্ৰী বিজুলী ৰাজবংশী, বিজেপি উত্তৰ কামৰূপ জিলা অ'বিচি মৰ্চাৰ সভাপতি হেমেন দাস প্ৰমুখ্যে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। মধ্যপাণ্ডুৰী আঞ্চলিক দুৰ্গা মন্দিৰ প্ৰাংগনত অনুষ্ঠিত অধিৱেশনৰ কাৰ্যসূচী পুৱা সন্মিলনীৰ পতাকা উত্তোলনৰে শুভাৰম্ভ কৰে ৰঙিয়া জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি ৰমণী ৰাজবংশীয়ে । সমান্তৰালকৈ ২৭ খন ধ্বজা উত্তোলন কৰে আদৰণি সমিতিৰ সভাপতি খগেন দাস প্ৰমুখ্যে আন কেবাজনো বিশিষ্ট ব্যক্তিয়ে। অৱসৰপ্ৰাপ্ত অধ্যক্ষ আনন্দৰাম দাসে বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পিছতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। স্মৃতি তৰ্পণৰ লগতে গছপুলি ৰোপণকে ধৰি আন কেইবাটাও কাৰ্যসূচী ৰূপায়ন কৰা হয়। সন্ধিয়া বন্তিপ্ৰজ্বলন, আধুনিক নৃত্য প্ৰতিযোগিতাৰ লগতে নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# সমাজকৰ্মী খগেন ভূঞাৰ মৃত্যুত বিভিন্ন সংগঠন অনুষ্ঠানৰ শোক প্ৰকাশ

**কুমুদ বৰ্মন টিহু, ৯ জুনঃ** বাকসা জিলাৰ নবস্তিৰ সমীপৰ শিমলাবাৰী নিবাসী, অসম আন্দোলনৰ এগৰাকী অগ্ৰণী কৰ্মী, প্ৰাক্তন ছাত্ৰ নেতা,জিলাখনৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক,অৱসৰী শিক্ষক, নয়াবস্তি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি, নবস্তি প্ৰগতি সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক, নবস্তি শংকৰদেৱ শিশু নিকেতনৰ উপ-প্ৰধান আচাৰ্য,নয়াবস্তি হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি,অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত বিশিষ্ট সমাজকৰ্মী খগেন ভূঞাৰ কালি নিশা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। জানিব পৰা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত সুন্দৰ ভাৱে অংশগ্ৰহণ কৰা ভূঞাই অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ প্ৰথমে নলবাৰীলৈ পাছত গুৱাহাটীৰ জিএনআৰচিলৈ নিয়ে যদিও নিশাই জ্যেষ্ঠ সাংবাদিক ভূঞাৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭০ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বিভিন্ন প্ৰান্তৰ পৰা গুণমুগ্ধ সকল আহি তেওঁৰ বাসগৃহত উপস্থিত হয় আৰু ভূঞাৰ নশ্বৰ দেহত অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠান,অনুষ্ঠান, সংগঠন, প্ৰাক্তন সতীৰ্থ, প্ৰাক্তন ছাত্ৰ নেতা আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সুদীৰ্ঘ কাল সাংবাদিকতা আৰু সমাজসেৱাৰ লগত জড়িত ভূঞাৰ মৃত্যুত নবস্তি শাখা ছাত্ৰ সন্থা, বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থা, সুৰণখাটা আঞ্চলিক ছাত্ৰ সন্থা, নয়াবস্তি হাইস্কুলৰ প্ৰধান শিক্ষক গোলাপ চন্দ্ৰ শৰ্মাৰ লগতে শিক্ষক-কৰ্মচাৰীসকল,বিদ্যালয়খনৰ পৰিচালনা সমিতি আৰু ছাত্ৰ একতা সভা, নবস্তি জ্যেষ্ঠ নাগৰিক সন্মিলন, নবস্তি প্ৰগতি সংঘ, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচন,নলবাৰী জিলা বাৰ্তাজীৱী সংঘ,বাস্কা জিলা বাৰ্তাজীৱী সংঘ,বাকসা প্ৰেছ ক্লাব, বিকাশ জাতীয় বিদ্যালয় নবস্তি, বিকাশ একাডেমী নবস্তি, নবস্তি শংকৰদেৱ শিশু নিকেতন আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এগৰাকী জীয়ৰী- জোঁৱাই, নাতি আৰু আত্মীয়ক এৰি থৈ যায়। অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত ভূঞাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# নেন সাৰৰ ব্যৱহাৰৰ উপকাৰিতাৰ ওপৰত আদৰ্শ কৃষকৰ মাজত প্ৰশিক্ষণ

**বাতৰি কাকত, বৰপেটাৰোড , ৯ জুনঃ** দেশৰ একাংশ কৃষকে বৰ্তমান ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ ফলত ভূমিৰ গুণা গুণত বা ভূমিৰ ওপৰত কু প্ৰভাৱ আহি পৰিছে। গতিকে এনে ৰাসায়নিক সাৰৰ বিপৰীতে নেন সাৰ প্ৰয়োগৰ ফলত ভূমিৰ গুণাগুণ ভৱিষ্যতে উপকাৰিতা বৃদ্ধি কৰাৰ লক্ষ্যৰে নামনি অসমৰ আদৰ্শ কৃষকৰ মাজত বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ (হাউলী)ৰ সভা কক্ষত ইফকোৰ উদ্যোগত আৰু বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত নেন সাৰৰ ব্যৱহাৰৰ উপকাৰিতাৰ ওপৰত আদৰ্শ কৃষকৰ মাজত এক প্ৰশিক্ষণ অনুষ্ঠিত হৈ যায়। উক্ত আদৰ্শ কৃষৰ প্ৰশিক্ষণত ইফকোৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক প্ৰবন্ধক সুনীল কুমাৰ ক্ষেত্ৰ প্ৰবন্ধক বিনোদ শইকীয়া, বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰৰ মূৰব্বী এ কে ডেকা, কৃষি বিজ্ঞানী পিংকুধৰ বৰ্মন, কুলদ্বীপ তালুকদাৰে উপস্থিত থাকি নেন সাৰৰ উপকাৰিতা যেনে ব্যৱহাৰিক কাৰ্যা দক্ষতা,বীজ শোধনৰ আদৰ্শ সাৰ,বীজ শোধন, শিপা, কন্দ শোধন, ভুমিৰ গুণাগুণ অটুত ৰখাৰ, দুগুণ উৎপাদন আদিৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। কৃষকৰ প্ৰশিক্ষণত নামনি অসমৰ বৰপেটাৰ ৭গৰাকী, বঙাইগাঁৱৰ ৩ গৰাকী, গোৱালপাৰাৰ ৮গৰাকী, ধুবুৰীৰ ১০গৰাকী, কামৰূপৰ ৮গৰাকী, আৰু নলবাৰীৰ ৭গৰাকী আদৰ্শ কৃষকে অংশগ্ৰহণ কৰিছিল।

# নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ত বিশ্ব পৰিবেশ দিৱস উদযাপন

**বাতৰি কাকত ননৈ, ৯ জুনঃ** গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয় প্ৰাঙ্গনত মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন কৰা হয়। বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত মহাবিদ্যালয় খনৰ চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এক বিশেষ আমন্ত্ৰিত অতিথিৰ দ্বাৰা বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ মূল বিষয়বস্তু আছিল- 'জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু থলুৱা জ্ঞানৰ জৰিয়তে প্ৰকৃতিৰ পুনৰুদ্ধাৰ' উক্ত অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ধিং মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা মৌচুমী টেৰাংপী। তেওঁৰ বক্তৃতাত জৈৱ বৈচিত্ৰৰ সংৰক্ষণ আৰু বিভিন্ন উদ্ভিদৰ ঔষধী গুণৰ বিষয়ে বিতংভাৱে বাখ্যা আগবঢ়ায়। অতীতত জনসাধাৰণৰ থলুৱা জ্ঞান ব্যৱহাৰ কৰি অৰণ্যত থকা বিভিন্ন ধৰণৰ উদ্ভিদ কেনেদৰে বিভিন্ন ধৰণৰ বেমাৰৰ প্ৰতিকাৰ ৰূপে ব্যৱহাৰ কৰিছিল সেই সম্পৰ্কে সবিস্তাৰে আলোচনা কৰা হয়। ইপিনে মহাবিদ্যালয়খনৰ অধ্যক্ষ মৃগাংক শইকীয়াৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা উক্ত অনুষ্ঠানত অধ্যক্ষ শইকীয়াই বিশ্ব পৰিৱেশ দিৱসৰ আৰম্ভণি, ইয়াৰ উদ্দেশ্য আৰু তাৎপৰ্যৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে প্ৰাকৃতিক পৰিৱেশ সুস্থিৰ কৰি ৰখাত কেনেদৰে ভূমিকা গ্ৰহণ কৰিব পাৰে, সেই বিষয়ে উদাহৰণসহ উপদেশ মূলক বক্তব্য ডাঙি ধৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া তথা বিত্ত বিভাগৰ সহকাৰী অধ্যাপক ৰাম প্ৰসাদ পাতৰে আঁতধৰা উক্ত অনুষ্ঠানত অধ্যক্ষ মৃগাংক শইকীয়াই বিশ্ব পৰিৱেশ দিৱসৰ শপত বাক্য পাঠ কৰোৱাই সভাত উপস্থিত থকা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকল, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকল, ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া আৰু সাধাৰণ ছাত্ৰ-ছাত্ৰী সকলক উল্লেখ যে পৰিৱেশ সজাগতাৰ এই সমগ্ৰ কাৰ্যসূচীত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ লগতে এন.চি.চি. কেডেট, এন.এছ.এছ.ৰ স্বেচ্ছাসেৱক, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা অন্যান্য ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া তথা মহাবিদ্যালয়খনৰ বিত্ত বিভাগৰ সহকাৰী অধ্যাপক ৰাম প্ৰসাদ পাতৰে সকলোলৈকে শলাগৰ শৰাই আগবঢ়োৱাৰ অন্তত অনুষ্ঠান ভাগৰ সফল সামৰণি পৰে।

# ৰঙিয়াৰ ১২৫ নং তুলসীবাৰী বুনিয়াদী বিদ্যালয়ত বিদায় সম্বৰ্ধনা অনুষ্ঠান

**বিশেষ প্ৰতিনিধি ,ৰঙিয়া, ৯ জুনঃ** মানৱ সম্পদ গঢ়াৰ খনিকৰ হিচাপে নিয়োজিত হৈ ৰঙিয়াৰ ১২৫ নং বুনিয়াদী প্ৰাথমিক বিদ্যালয়ত সুদীৰ্ঘ কাল শিক্ষকৰূপে সেৱা আগবঢ়োৱা কুমুদ কলিতাৰ ৩০ এপ্ৰিলত কৰ্ম জীৱনৰ সামৰণি পৰা উপলক্ষে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা গ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক গয়ৰাম ৰাজবংশীৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্ধনা সভাত বিদ্যালয় কৰ্তৃপক্ষৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰে । বিদ্যালয়খনৰ প্ৰধান শিক্ষক ডম্বৰুধৰ লহকৰে আঁত ধৰা অনুষ্ঠানটোত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সদানন্দ ৰাজবংশী , অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেনু কলিতা, অংগনবাড়ী কৰ্মী দেৱযানী কলিতা,সহায়িকা পুতুলী কলিতা, কুমুদ কলিতাৰ সহধৰ্মিনী বিনিতা কলিতাকে ধৰি আন কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত বিদ্যালয় কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজে ফুলাম গামোচা , মানপত্ৰ,শৰাইকে ধৰি বিভিন্ন উপহাৰ প্ৰদানেৰে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। এগৰাকী সুদক্ষ অভিনেতা হিচাপেও সু পৰিচিত বিদায়ী শিক্ষক কুমুদ কলিতাই আৱেগিক পৰিৱেশত ভাষণ ৰাখি কয় যে বিদায় ক্ষণৰ এই স্বীকৃতিয়ে পৰৱৰ্তী সময়ত সামাজিক কাম কাজত জড়িত হোৱাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা হৈৰ'ব । সভাৰ সামৰণিত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়।

# ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বৃক্ষৰোপণ কাৰ্যসূচী

**ডিব্ৰুগড়, ৯ জুনঃ** ডিব্ৰুগড় প্ৰেছ ক্লাবে ১৭১ নম্বৰ বেটেলিয়ন চি.আৰ.পি.এফ. আৰু বন বিভাগৰ সহযোগত ডিব্ৰুগড়ৰ চৌকিডিঙীস্থিত প্ৰেছ ক্লাবৰ নিজা প্ৰাংগণত এক বৃক্ষৰোপণ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চি.আৰ.পি.এফৰ ডি.আই.জি. (অপাৰেচনছ) প্ৰভাকৰ ত্ৰিপাঠী। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চি.আৰ.পি.এফ. ১৭১ নম্বৰ বেটেলিয়নৰ কমাণ্ডিং অফিচাৰ এছ কেনগু আৰু পংকজ পি শ্বাহ, চেকেণ্ড-ইন- কমাণ্ড সঞ্জয় মাৰৱাৰ, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা প্ৰাক্তন ৰঞ্জী ট্ৰফী ক্ৰিকেটাৰ কামাখ্যা শইকীয়া, আকাশবাণী ডিব্ৰুগড়ৰ প্ৰাক্তন অনুষ্ঠান মুৰব্বী লোহিত চন্দ্ৰ ডেকা আৰু ৰাধাকৃষ্ণ কলা, বাণিজ্য আৰু বিজ্ঞান মহাবিদ্যালয়ৰ সঞ্চালক তথা অধ্যক্ষ বিকাশ গগৈ। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ অন্যান্য বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানৰ সময়ত ডি.আই.জি. ত্ৰিপাঠীৰ নেতৃত্বত আমন্ত্ৰিত অতিথি আৰু প্ৰেছ ক্লাবৰ সদস্যসকলে নাহৰ গছ পুলি ৰোপণ কৰে। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ, যাৰ নাহৰ গছৰ প্ৰতি এক বিশেষ দুৰ্বলতা আছে। তেওঁৰ প্ৰতি সন্মান জনাই এই বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়িত কৰা হয়। আমন্ত্ৰিত অতিথিসকলে সমবেত ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে আৰু তেওঁলোকক ডিব্ৰুগড় প্ৰেছ ক্লাবৰ স্মাৰক তথা পৰম্পৰাগত অসমীয়া গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।ডি.আই.জি. ত্ৰিপাঠীয়ে নিজৰ ভাষণত গছ-গছনিৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে আৰু নিজৰ বক্তব্য স্পষ্ট কৰিবলৈ ক'ভিড-১৯ মহামাৰীৰ প্ৰসংগ টানি আনে। তেওঁ কয়, ক'ভিডৰ সময়ত অক্সিজেনেই আছিল ৰোগীৰ একমাত্ৰ ঔষধ। কেৱল গছ-গছনিয়েহে আমাক অক্সিজেন দিব পাৰে । ইয়াৰ লগতে তেওঁ ৰাইজক অধিক গছপুলি ৰোপণ কৰিবলৈ আৰু বৰ্তমানৰ সেউজ বিপ্লৱ সুৰক্ষিত কৰিবলৈ আহ্বান জনায়। আকাশবাণীৰ অৱসৰপ্ৰাপ্ত বিষয়া লোহিত চন্দ্ৰ ডেকাই তেওঁৰ ভাষণত গছপুলি ৰোপণ কৰাৰ পিছত তাৰ প্ৰতিপালন কৰাৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, গছপুলি এটা ৰোপণ কৰাটোৱেই কেৱল আৰম্ভণি। ইয়াক এডাল ডাঙৰ গছলৈ ৰূপান্তৰিত কৰিবলৈ সঠিকভাৱে চোৱাচিতা আৰু যত্ন ল'ব লাগিব। ডিব্ৰুগড়ৰ এগৰাকী জ্যেষ্ঠ ফটো সাংবাদিক তথা যোগ বিশেষজ্ঞ জগদীশ ভৰালীয়ে নিজৰ প্ৰচেষ্টাত চৌকিডিঙীত থকা ডিব্ৰুগড় প্ৰেছ ক্লাবৰ চৌহদত তিনিজোপা মহা নিম গছৰ পুলি ৰোপণ কৰে। পৰিৱেশ সুৰক্ষা আৰু জৰুৰী পাৰিপাৰ্শ্বিক প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে উদযাপন কৰা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে দেশজুৰি অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীৰ অংশ হিচাপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# সমন্বয়ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াৰ সহযোগত বিশ্ব পৰিৱেশ দিৱস পালন

**বাতৰি কাকত কলগাছিয়া , ৯ জুনঃ** বৰপেটা সামাজিক বনানীকৰণ সংমণ্ডলৰ উদ্যোগত আৰু সমন্বয় ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াৰ সহযোগত বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত ১৪৪ নং জনীয়া প্ৰাথমিক বিদ্যালয় আৰু ৮৩৪ নং প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অমৃত বৃক্ষ আন্দোলনৰ কাৰ্যসূচীৰ প্ৰতি সহাঁৰি জনাই সমন্বয় ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াই বৃহত্তৰ জনীয়া অঞ্চলৰ স্কুল, কলেজ, চিকিৎসালয় আদি বিভিন্ন অনুষ্ঠানত ৫ লাখ গছপুলি ৰোপনৰ কাৰ্যসূচী হাতত লৈছে বুলি সমন্বয় ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়ে। তাৰে শুভাৰম্ভ হিচাপে জনীয়াৰ ১৪৪ নং প্ৰাথমিক বিদ্যালয় আৰু ৮৩৪ নং প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপন কৰা হয়। এই গছপুলি ৰোপন কাৰ্যসূচীত সমন্বয় ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াৰ সভাপতি সনাতন বায়ন, কাৰ্যকৰী সভাপতি সঞ্জীৱ কুমাৰ দাস, উপ-সভাপতি বোৰহান আলী, সম্পাদক ইমান আলী, কাৰ্যকৰী সদস্য আৰ্শাদুল ইছলাম জনীয়া গাঁও পঞ্চায়তৰ সদস্যাকে আদি কৰি কেইবা গৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ১৪৪ নং জনীয়া প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অৰিবিনাশ বায়ন আৰু শিক্ষক দিপুৰাম বায়নে। তদ্ৰূপ ৮৩৪ নং সালেকুৰা প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহাদেৱ সৰকাৰ আৰু শিক্ষক দিপু ওজাই। বিশ্ব পৰিৱেশ দিৱসৰ সম্পৰ্কে ১৪৪ নং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দিপুৰাম বায়ন আৰু ৮৩৪ নং সালেকুৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দিপু ওজা, দেৱান আব্দুল কায়েম, অঙ্গনৱাড়ী কৰ্মী ৰহিমা বেগমৰ লগতে সমন্বয় ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াৰ বিষয়ববীয়া সকলে বিশ্ব পৰিবেশ দিৱসৰ বিতংকৈ বুজাই কয়। সমন্বয় ৰক্ষী সাংস্কৃতিক অনুষ্ঠান জনীয়াৰ তৰফৰ পৰা বিশ্ব পৰিবেশ দিৱসৰ সংগতি ৰাখি আৰু মুখ্যমন্ত্ৰীৰ অমৃত বৃক্ষ আন্দোলনক আদৰণি জনাই ৰাইজৰ মাজত গছপুলি বিতৰণ, গছপুলি ৰোপন আৰু বিশ্ব পৰিবেশৰ ওপৰত সজাগতামূলক সভাৰ আয়োজন কৰা হৈছে বুলি জানিবলৈ পোৱা গৈছে। বিশ্বৰ গোলকীয় উষ্ণতাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাতত লোৱা অমৃত বৃক্ষ আন্দোলনক সৰ্বসাধাৰণ ৰাইজেও আদৰণি জনোৱা পৰিলক্ষিত হৈছে।

# মায়ঙৰ মোহনবাঁসী দাস কণিষ্ঠ মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন

**বাতৰি কাকত মায়ং ৯ জুনঃ** সমগ্ৰ বিশ্বতে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয় । সমগ্ৰ বিশ্বৰ লগতে মৰিগাঁও জিলাৰ মায়ঙৰ মোহনবাঁশী দাস কনিষ্ঠ মহাবিদ্যালয়তো দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয় এই বিশেষ দিনটো । স্বেচ্ছাসেৱী সংগঠন প্ৰাগজ্যোতি কমিউনিকেশ্যনৰ উদ্যোগত পালন কৰা পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন ফলমূল আৰু ঔষধি গছপুলি ৰোপণৰ পিছতে উলিওৱা হয় পৰিৱেশ সজাগতামূলক শোভাযাত্ৰা ।প্ৰায় ৭ শতাধিক ছাত্ৰ-ছাত্ৰীৰে মহাবিদ্যালয়খনৰ পৰা উলিওৱা শোভাযাত্ৰা ঝাৰগাঁও কৃষি বিজ্ঞান কেন্দ্ৰত উপস্থিত হৈ পৰিৱেশ সংক্ৰান্তীয় দিশ সমূহ পৰ্যালোচনা কৰে । ইয়াৰ পিছতে মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় পৰিৱেশ সজাগতামূলক বিভিন্ন প্ৰতিযোগিতা।চিত্ৰাংকন, ৰচনা,আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা। কুইজ প্ৰতিযোগিতাত মৰিগাঁও, জাগীৰোড, মায়ং,ঝাৰগাঁও, বুঢ়াবুঢ়ী আদি অঞ্চলৰ ছাত্ৰ- ছাত্ৰীয়ে অংশগ্ৰহণ কৰে ।

# বিদ্যাতকৈয়ো অক্সিজেন বেছি আৱশ্যক ঃ ৰূপক বৈশ্য

**বাতৰি কাকত , বৰনৰ্দ্দী , ৯ জুনঃ** বিদ্যাতকৈয়ো অক্সিজেন বেছি আৱশ্যক । এই মন্তব্য নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ । বিভিন্ন দেশৰ লগতে আমাৰ দেশখনৰো বিভিন্ন ৰাজ্যৰসমূহৰ লগতে অসমৰো ভিন্নস্থানত ৫৫৮ সংখ্যক বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয় । একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই প্ৰাসংগ সংগতিৰে উল্লেখ কৰি কয় যে, গছপুলি ৰোপনৰ লগতে সংৰক্ষণ তথা লালন-পালন কৰিলেহে জীৱকূলক ৰক্ষা কৰিব পৰা যায় । এই চিন্তাৰে প্ৰতিগৰাকী সচেতন লোকে একোটিকৈ গছপুলি ৰোৱাৰ সংকল্প গ্ৰহণেৰে নিজ গৃহৰ চৌহদকে ধৰি অন্যস্থানসমূহতো একোটিকৈ গছপুলি ৰোপন কৰাৰ যি মানসিকতা গঢ় লৈ উঠিছে, সেয়া আদৰণীয় । নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ চিবিএছইৰ অধীনৰ ইংৰাজী মাধ্যমৰ শিক্ষা প্ৰতিষ্ঠান কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীতো পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস । সেই উপলক্ষে দৈনন্দিন প্ৰাত:সভাৰ ঠিক পিচতেই একাডেমীখনৰ চৌহদটো পৰিস্কাৰ কৰি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক লগত লৈ অধ্যক্ষ সমন্বিতে শিক্ষক-শিক্ষয়িত্ৰীসকলে শ্ৰমদান কৰে। তাৰপিচত একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্য, জ্যেষ্ঠ শিক্ষয়িত্ৰী লীলা বেজবৰুৱা প্ৰমুখ্যে বহুকেইগৰাকী শিক্ষক-কৰ্মচাৰীয়ে চৌহদটোত একোটিকৈ মেহগনি, দেৱদাৰু আৰু শিলিখা গছৰ পুলি ৰোপন কৰে । গছপুলি ৰোপনৰ উপৰি সংৰক্ষণ আৰু লালন-পালন কৰা সন্দৰ্ভত আলোচনা কৰাৰ লগতে জৈৱ পচনশীল আৰু জৈৱ অপচনশীল সামগ্ৰীৰ পৃথকীকৰণৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলক সম্যক ধাৰণা দিয়া হয় আৰু নিৰ্দিষ্ট স্থানত আৱৰ্জনাসমূহ ৰখা হয় । তাৰপিচত তিনিটা শাখাত বিভক্ত কৰি সেউজীয়া পৰিৱেশৰ ওপৰত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় । উল্লেখ্য যে, একাডেমীখনৰ অধ্যক্ষ বৈশ্যৰ নিৰ্দেশমৰ্মে ছাত্ৰ-ছাত্ৰীসকলে পুৱাৰ ভাগত নিজ নিজ গৃহৰ চৌহদত একোটিকৈ গছপুলি ৰোপন কৰে ।

# ৰঙিয়াত বিশ্ব পৰিৱেশ দিৱস পালন-কুঁহি অনুষ্ঠান সম্পন্ন

**বিশেষ প্ৰতিনিধি,ৰঙিয়া, ৯ জুনঃ** ৰঙিয়াৰ ৰণ্‌দিয়া (শতদল)সাহিত্য সভাৰ উদ্যোগত, স্বেচ্ছাসেৱী অনুষ্ঠান পৰমাৰ্থ আৰু বিদ্যাজ্যোতি শিশু নিকেতনৰ সহযোগত কামৰূপ জিলা সাহিত্য সভাৰ বিশ্ব পৰিবেশ দিৱস আৰু কুঁহি অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপায়ণ কৰা হয় । তৰণীস্থিত নিকেতন প্ৰাঙ্গণত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পুৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শুক্লেশ্বৰ কলিতা, কামৰূপ জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়া আৰু বিদ্যাজ্যোতি শিশু নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতাই গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বন্তিপ্ৰ;লন কৰি জাতীয় জীৱনৰ পুৰুধা সকলৰ প্ৰতি শ্ৰদ্ধা?লি জনাই বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি উমেশ চন্দ্ৰ কলিতাই। ৰূপকোঁৱৰ, কলাগুৰু, সুধাকণ্ঠ ভূপেন হাজৰিকা,প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি স্মৃতি তৰ্পণ কৰে ৰূপহী ৰঙিয়াৰ সভাপতি অৰূপ দাস, ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক উজ্বল ডেকা, উপ সভাপতি সবিতা বৰ্মন মজুমদাৰ আৰু আজীৱন সভ্য ৰীণা কলিতা মহন্তই। বিদ্যাজ্যোতি শিশু নিকেতনৰ শিক্ষয়িত্ৰী সকলে সভাৰ "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক আৰম্ভণি গীত পৰিৱেশন কৰে। ১৪ বছৰৰ অনুধৰ্বৰ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে সাহিত্য সভাৰ বিশেষ "কুঁহি" অনুষ্ঠানৰ উদ্বোধন কৰে জ্যেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰীয়ে। কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাই আঁত ধৰা তথা ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ সভাপতি পংকজ পল্লৱ শৰ্মাই পৰিচালনা কৰা কণমানিহঁতৰ বিচিত্ৰানুষ্ঠান "ৰংমেলা"ত অৰ্ধশতাধিক শিশু শিল্পীয়ে গীত,নৃত্য, কবিতা আবৃত্তি, বক্তৃতা, অভিনয় আদিৰ লগতে পৰিবেশ সজাগতা অনুষ্ঠান পৰিৱেশন কৰি সমবেত লোকসকলক আপ্লুত কৰে । অংশগ্ৰহণকাৰী সকলো ছাত্ৰ- ছাত্ৰীক অভিনন্দন পত্ৰ আৰু উপহাৰেৰে উৎসাহিত কৰে উদ্যোক্তাসকলে।ইফালে বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি ১৪ বছৰৰ অনুধৰ্বৰ ছাত্ৰ-ছাত্ৰীৰ মাজত তৰণীস্থিত চিত্ৰকলা বিদ্যালয়ৰ সহযোগত অঞ্চলটোৰ বহুকেইখন বিদ্যালয়ৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাৰ ক শাখাত (পঞ্চম শ্ৰেণীলৈ) ইচা শালৈ,ৰিমলী ডেকা,কংকন দাস আৰু শ্লোক বৈদ্যঋষি কলিতা তথা খ শাখাশ্চপঞ্চমৰ পৰা অষ্টম শ্ৰেণীলৈণ্ণত বৃষ্টি কলিতা, মহবুব আখটাৰ, ছিয়া কলিতা আৰু হিয়াশ্ৰী কলিতাই ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু নিচুকণি পুৰস্কাৰ লাভ কৰে । পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰ- ছাত্ৰী সকলক যোগ্যতাৰ প্ৰমাণপত্ৰ, স্মাৰক, গ্ৰন্থ আৰু উপহাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে কামৰূপ জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধি, সম্পাদক ৰজনী শালৈ, সহকাৰী সম্পাদক তথা সাংবাদিক তৰণী চৰণ কলিতা, চিন্ময়'চিচ্ একাডেমিৰ অধ্যক্ষা অশোকা দত্ত,ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়(ক)ৰ অধ্যক্ষ জাভেদ জামান, সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চন, অৱসৰী সহ খণ্ড উন্নয়ন বিষয়া চম্পাৱতী দাস, প্ৰমুখ্যে কামৰূপ জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকল, ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ বিষয়ববীয়া, আজীৱন সভ্যসকল তথা বহুকেইজন আমন্ত্ৰিত বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে । কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতা আৰু সাংগঠনিক সম্পাদক জয়ন্ত জিত কলিতাৰ তত্বাৱধানত আয়োজিত অনুষ্ঠানসূচী সফল ৰূপায়ণত উপস্থিতি আৰু সহযোগিতা আগবঢ়োৱা সদৌটিকে কামৰূপ জিলা সাহিত্য সভাৰ কুঁহি উপ সমিতিৰ কাৰ্যকৰী সভাপতি ভানু চৌধুৰী ঠাকুৰীয়া, আহ্বায়ক কমল নাৰায়ণ বৈশ্য, ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ সম্পাদক চৈয়দ মোস্তাফা আহমেদ আৰু বিদ্যাজ্যোতি শিশু নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতা প্ৰমুখ্যে উদ্যোক্তাসকলে আন্তৰিক ধন্যবাদ জনাই কৃতজ্ঞতা প্ৰকাশ কৰে । জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠান সফল সামৰণি ঘটে ।

# ওদালগুৰি লোকনিৰ্মাণ বিভাগৰ পথ নিৰ্মাণৰ বিধ্বস্ত ৰূপ



**টংলা, ৯ জুনঃ** ওদালগুৰি জিলাৰ টংলাস্থিত হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখতে ওদালগুৰি লোকনিৰ্মাণ বিভাগে নিৰ্মাণ কৰি থকা অসম মালা আঁচনিৰ বেংবাৰীৰ পৰা ভেৰগাঁও, টংলাহৈ নাওকাটালৈ যোৱা গুৰুত্বপূৰ্ণ পথটোৰ দক্ষিণ দিশত পকী নলা নিৰ্মাণ নকৰি পুৰণি আৰু চাপৰ পকী নলাটোকে ৰাখি ভেঞ্চুচালি কৰা কাৰ্য দেখি ৰাইজে বেজৰ নাকত খৰ বুলি মন্তব্য কৰিছে। স্থানীয় প্ৰশাসনৰ মুৰব্বী হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু সেই কাৰ্যালয় সন্মুখত লোকনিৰ্মাণ বিভাগে টংলা সাপ্তাহিক বজাৰ শিৱ মন্দিৰৰ পৰা প্ৰায় দুশ মিটাৰ দৈৰ্ঘৰ পকী নলাচোৱা নিৰ্মাণ নকৰি পুৰণি নলাটোৰ লগতে পকী পথ নিৰ্মাণ কৰা কাৰ্যই ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। ইফালে পুৰণি পকী নলাৰ লগতে বিদ্যুৎ বিভাগে লোৰ বিদ্যুৎ খুঁটা পুতি ইতিমধ্যে বিদ্যুৎ তাৰ সংযোগ কৰা দেখা গৈছে। তদুপৰি আঁচনি অনুসৰি পথটোৰ পকী নলা একাংশ লোকৰ সুবিধা অনুসৰি উচ্চতা কম বেছি কৰা, পথটোৰ বহল কিছুমান স্থানত অতিৰিক্ত কৰি কিছুমান স্থানত পূৰ্বৰ দৰে অতি ঠেক কৈ নিৰ্মাণ কৰি লোকনিৰ্মাণ বিভাগে ঠিকাদাৰৰ লগত মিতিৰালি কৰি ৰাইজৰ সমস্যা সমাধানৰ ক্ষেত্ৰত পিঠি দিয়া বুলি অভিযোগ কৰিছে। অসম মালা আঁচনিৰ অধীনত ওদালগুৰি লোকনিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মাণ কৰা বেংবাৰীৰ পৰা নাওকাটালৈ প্ৰায় ৩৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ উক্ত পথটো ওদালগুৰি জিলাৰ বাবে মেৰুদণ্ড স্বৰূপ যদিও পকী পথটো পুণৰ নিৰ্মাণৰ কামত বিভাগটোৱে লৰা ধেমালী কৰা পৰিলক্ষিত হৈছে। ৰাইজৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ নকৰি কেৱল মন্ত্ৰীৰ ঘনিষ্ঠ ঠিকাদাৰক সন্তুষ্ট কৰিবলৈ যেনে উঠি পৰি লাগিছে ওদালগুৰি লোকনিৰ্মাণ বিভাগ। উক্ত পকী পথ নিৰ্মাণত বিভাগটোৱে অতি প্ৰয়োজনীয় স্থানবোৰত পকী নলা নিৰ্মাণ নকৰি অপ্ৰয়োজনীয় স্থানত নিৰ্মাণ কৰিছেপকী নলা। তাৰোপৰি ৰহস্যজনকভাৱে হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখতে অতি প্ৰয়োজনীয় পকী নলা পুনৰ নিৰ্মাণ নকৰি কিহৰ স্বাৰ্থত পুৰণি পকী নলাটো ৰাখি থলে আৰু সকলো জানি বুজি চক্ৰ বিষয়া গৰাকী নিমাত হৈ থকাৰ অন্তৰালত কি ৰহস্য আছে তাকে লৈ সচেতন মহলৰ মাজত বো বা আৰম্ভ হৈছে। আনহাতে জিলাখনৰ চৰকাৰী পথ সম্পৰ্কে বিস্তৃত জ্ঞান নথকা বুলি চৰ্চিত লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাগৰাকীৰ ভূমিকা শূণ্য হোৱাত সুযোগ বুজি তলতীয়া কনিষ্ঠ আৰু সহকাৰী অভিযন্তাসকলে জিলাখনত অতি লেহেমীয়া গতিত আৰু কিছু কিছু ক্ষেত্ৰত স্থবিৰ হৈ থকা পকী পথ নিৰ্মাণৰ কামবোৰৰ ক্ষেত্ৰত চকু মুদা কুলীৰ ভাওঁ ধৰা পৰিলক্ষিত হৈছে। ওদালগুৰি জিলা লোকনিৰ্মাণ বিভাগৰ কাম কাজত হতাশ হৈ ৰাইজে অতি শীঘ্ৰে আঁচনি অনুসৰি পকী পথৰ দুই কাষে বিশেষকৈ টংলা সাপ্তাহিক বজাৰ শিৱ মন্দিৰৰ পৰা চৰকাৰী দোঙলৈ পকী নলা নিৰ্মাণ কৰি পথ নিৰ্মাণৰ সকলো আসোঁৱাহ দূৰ কৰিবলৈ ওদালগুৰি জিলা আয়ুক্তক অনুৰোধ জনাইছে।



# দুৰাৰোগ্য ৰোগত আক্ৰান্ত কামপুৰৰ কণমাণি সয়ঞ্জিতা

## মুখ্যমন্ত্ৰীক সাহায্যৰ বাবে পিতৃ-মাতৃৰ

**বাতৰি কাকত,কচুৱা,১২ জুন ঃ** পখিলা খেদাৰ বয়সত দুৰাৰোগ্য ৰোগত আক্ৰান্ত কামপুৰ লংজাপৰ এজনী কণমাণি। জন্মৰ দুবছৰৰ পৰা এক জটিল ৰোগত আক্ৰান্ত হোজাই সমষ্টিৰ লংজাপৰ ৰঞ্জিত দাস আৰু সুৰভি বৰদলৈৰ একমাত্ৰ কন্যা আঠ বছৰীয়া সয়ঞ্জিতা দাস। দিন হাজিৰা কৰা ৰঞ্জিত দাসে সন্তানটিক বহু চিকিৎসা কৰালে যদিও বৰ্তমানলৈকে খোজকাঢ়িব নোৱাৰে শিশুটিয়ে। শৰীৰৰ বিভিন্ন স্থানত ঘাঁ শিশুটিৰ। অন্য শিশুৰ দৰে সমনীয়াৰ লগত বিদ্যালয়লৈ গৈ পঢ়ি শুনি খেলিব বিচাৰে শিশুটিয়ে। শেহতীয়াকৈ ৰঞ্জিত দাসৰ পত্নীও এক জটিল ৰোগত আক্ৰান্ত । চিকিৎসকৰ মতে অস্ত্ৰোপ্ৰচাৰ কৰিব লাগে পত্নীকো । উপায়হীন ৰঞ্জিত দাসে সহায় বিচাৰি স্থানীয় হোজাই সমষ্টিৰ বিধায়কক বহু বাৰ কাকুটি মিনতি কৰিলে যদিও কোনো সুফল নাপালে। দাসে মুখ্যমন্ত্ৰীক সাহাৰ্যৰ বাবে আবেদন কৰিলে যদিও আজিকোপতি কোনো সুফল নাপালে। আনকি দুখীয়া পৰিয়ালটোৱে চৰকাৰী ঘৰ, অৰুণোদয়কে ধৰি কোনো চৰকাৰী আঁচনি লাভ নকৰিলে। সংবাদ মাধ্যমৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীলৈ কাতৰ আহ্বান পৰিয়ালটোৰ। আমাক কোনো চৰকাৰী আঁচনি নালাগে পত্নী আৰু কণমানি সন্তানটিৰ সু- চিকিৎসা প্ৰদান কৰি সুস্থ কৰি দিয়ক, হাত জোৰ কৰি মুখ্যমন্ত্ৰী গৰাকীলৈ আহ্বান দুৰ্ভগীয়া পৰিয়ালটোৰ।

# এছ্এছবিৰ দ্বাৰা অস্ত্ৰ উদ্ধাৰ, এজন ব্যক্তিক গ্ৰেপ্তাৰ

**বঙাইগাঁও, ৯ জুনঃ** সশস্ত্ৰ সীমা বল (এছ.এছ.বি.)ৰ নাহৰণি আৰু সৰলপাৰা কোম্পানীয়ে নিশা প্ৰায় ১১.৩০ বজাত কোকৰাঝাৰ আৰক্ষীৰ সৈতে যৌথ অভিযান চলাই এটা দেশীয় বন্দুক উদ্ধাৰ কৰে। এই অভিযান শিখনা জৌলাও ৰাষ্ট্ৰীয় উদ্যান এলেকাত অবৈধ চিকাৰ কাৰ্যকলাপত জড়িত সন্দেহজন লোকৰ বিৰুদ্ধে লাভ কৰা বিশেষ গোপন তথ্যৰ ভিত্তিত চলাইছিল। অভিযানৰ সময়ত অভিযানকাৰী দলে ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় সীমাৰ পৰা প্ৰায় ৩.৫ কিলোমিটাৰ দূৰত অৱস্থিত পশ্চিম সৰলপাৰাৰ আমগুৰি গাঁও এলেকাৰ পৰা এই দেশীয় বন্দুকটো উদ্ধাৰ কৰে । লগতে এই ঘটনাৰ সৈতে জড়িতৰ অভিযোগত আমগুৰি গাঁৱৰ বাসিন্দা লখী ৰাম মুৰ্মুক গ্ৰেপ্তাৰ কৰে । পিছত গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ লগতে উদ্ধাৰ কৰা অস্ত্ৰ অধিক আইনী ব্যৱস্থা গ্ৰহণৰ বাবে কোকৰাঝাৰ আৰক্ষীৰ হাতত চমজাই দিয়ে । উল্লেখ্য যে সশস্ত্ৰ সীমা বলে সীমান্ত অঞ্চলত অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত নিজৰ দৃঢ় প্ৰতিশ্ৰুতি অনুসৰি স্থানীয় আৰক্ষী আৰু অন্যান্য সংস্থাসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি নিৰন্তৰভাৱে কাম কৰি আছে।

# নলবাৰী থানাত হীৰেন নামৰ এজন যুৱকৰ বিৰুদ্ধে এজাহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী ৯ জুনঃ** ইছলাম ধৰ্মৰ প্ৰৱৰ্তক, নবী হজৰত মহম্মদ সন্দৰ্ভত হীৰেন নামৰ এজন যুৱকে সামাজিক মাধ্যমত বিতৰ্কিত মন্তব্য কৰাৰ পিছতে ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে । সামাজিক মাধ্যমত বিৰূপ মন্তব্য কৰাৰ বিৰুদ্ধে নলবাৰীৰ বড় মছজিদ জামাত সমিতিয়ে নলবাৰী সদৰ থানাত এখন এজাহাৰ দাখিল কৰে । ইয়াৰ জৰিয়তে সামাজিক সম্প্ৰীতি বিনষ্ট নকৰিবলৈ সকলোকে আহ্বান জনাই বড় মছজিদ জামাত সমিতিৰ সভাপতি আব্দুল মজিদে ।

# অ'এনজিচিৰ থলুৱা বিৰোধী নীতিৰ বিৰুদ্ধে শিৱসাগৰত আটাছুৰ ৰাজহুৱা সভা

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ , ৯ জুনঃ** ষাঠিৰ দশকতে খাৰুৱা তেলৰ সন্ধানত শিৱসাগৰলৈ আগমন ঘটা তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডয়ে বিগত দুটা দশকৰ পৰা অসমীয়া বিৰোধী এক স্থিতি অতি সংগোপনৰে গ্ৰহণ কৰি আহিছে। অ'এনজিচিৰ এই চতুৰালিৰ ক্ৰমাৎ বৰ্হি প্ৰকাশ ঘটাত এতিয়া অ'এনজিচিয়ে সমগ্ৰ অ'এনজিচিৰ ব্যৱস্থাটোকেই ব্যক্তিগত খণ্ডৰ হাতত তুলি দিবলৈ এক ব্লুপ্ৰিণ্ট তৈয়াৰ কৰিছে। যাকলৈ সৰল হৈ পৰিছে উজনি অসম। অতি শেহতীয়াকৈ অ'এনজিচিয়ে অতি চতুৰালিৰে অ'এনজিচিৰ অসম সম্পদৰ গুৰুত্বপূৰ্ণ কাৰ্যালয় সমূহ দেৰাডুনলৈ স্থানান্তৰিত কৰি আহিছে। সমান্তৰাল ভাৱে অ'এনজিচিত নতুন নিযুক্তিৰ ক্ষেত্ৰত বৰ্হি ৰাজ্যতে নতুন নিযুক্তি দি পৰৱৰ্তী সময়ত বদলিকৰণ দেখুৱাই শিৱসাগৰলৈ অনা হৈছে বৰ্হি ৰাজ্যৰ প্ৰাৰ্থী সকলক। অ'এনজিচিৰ উৎপাদন আৰু খননৰ সম্পূৰ্ণ ক্ষমতা আৰু প্ৰযুক্তি থকাৰ পিছতো এটাৰ পিছত আনখন তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীৰ হাতত গতাই দিয়াকলৈ ক্ৰমাৎ উজনি অসম প্ৰতিবাদমুখৰ হৈ পৰিছে। ধাৰাবাহিক ভাৱে অ'এনজিচিয়ে অসম আৰু অসমীয়া বিৰোধী স্থিতি গ্ৰহণ কৰি অহাৰ ফলশ্ৰুতিত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ আহ্বানত শিৱসাগৰ নগৰৰ যুৱ দলত অনুষ্ঠিত কৰা হয় অ'এনজিচিৰ অসম বিৰোধী নীতিৰ প্ৰতিবাদত এখনি ৰাজহুৱা সভা। বিভিন্ন জাতি - জনগোষ্ঠীয় দল - সংগঠনৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনৰ উদ্বোধনী কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিৱসাগৰ প্ৰেছ ক্লাৱৰ সভাপতি ডঃ সব্যসাচী মহন্তই। উদ্বোধনী ভাষণত অধ্যক্ষ গৰাকীয়ে কয় যে - সাম্প্ৰতিক সময়ত অ'এনজিচিক ব্যক্তিগতকৰণৰ দিশলৈ নিয়াৰ এটা জোৰদাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কোন দিনা অ'এনজিচি সম্পূৰ্ণ ৰূপে ব্যক্তিগত খণ্ডৰ হাতলৈ গুচি যায় ইয়াৰ কোনো নিশ্চয়তা নাই। বৰ্তমান সময়ত থলুৱাৰ কথাটো বাদেই, আনকি নিযুক্তিয়েই নোহোৱা হ'ল। যি নিযুক্তি হয়, সেইয়া অসমৰ বাহিৰত হয় আৰু তেওঁলোকক শিৱসাগৰলৈ বদলি হৈ অহা দেখুওৱা হয়। আনহাতে তৈলক্ষেত্ৰ সমূহৰ বিষয়ে লক্ষ্য কৰিলে দেখা পোৱা যাব যে বৰ্তমান সময়ত অ'এনজিচিয়ে নিজা ববীয়াকৈও ১৩ খন তৈলক্ষেত্ৰত আৰু ব্যক্তিগত প্ৰতিষ্ঠানে ঠিকাভিত্তিক ১৭ খন তৈলক্ষেত্ৰতত খনন চলাই আহিছে। ইয়াৰ মূল কাৰণ ৰৰ্ক অভাৱ ৰীগ অথবা প্ৰাকৃতিক ভাৱে উৎপাদন হ্ৰাস পোৱা ৰীগ। অ'এনজিচিৰ উৎপাদন হ্ৰাস পোৱা এনে ১৭ খন তৈলক্ষেত্ৰ বৰ্তমান ব্যক্তিগত কোম্পানীক গতাই দিয়া হৈছে। বাকী ১৩ খন তৈলক্ষেত্ৰ, যি অহৰহ ভাৱে প্ৰাকৃতিক ভাৱে তেল আৰু গেছৰ উৎপাদন অব্যাহত আছে সেইয়া অ'এনজিচিয়ে নিজা ববীয়াকৈ চলাই আছে। এতিয়া প্ৰশ্ন উত্থাপন হৈছে যে অ'এনজিচিৰ কৰ্তৃপক্ষই অতি চতুৰালিৰে উল্লেখিত তৈলক্ষেত্ৰ সমূহত প্ৰাকৃতিক ভাৱে তেল আৰু গেছৰ উৎপাদন হ্ৰাস পোৱা দেখুৱাই ব্যক্তিগত প্ৰতিষ্ঠানক গতাই দিছে নেকি এইয়া এক গুৰুত্বপূৰ্ণ বিষয়। আনহাতে অ'এনজিচিয়ে ব্যক্তিগত কোম্পানীৰ হাতত তৈলক্ষেত্ৰ সমূহ গতাই দিয়াৰ আন এটা দিশ হ'ল যে নতুন নিযুক্তি বন্ধ কৰা আৰু কম মূল্যত ব্যক্তিগত কোম্পানীৰ দ্বাৰা কৰ্মচাৰীক নিয়োগ কৰা। এই ব্যৱস্থাৰ জৰিয়তে অ'এনজিচিয়ে এক অৰ্থনৈতিক প্ৰৱঞ্চনা থলুৱা লোকৰ বিৰুদ্ধে গঢ়ি তুলিছে বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে তেওঁ কয় যে বিগত ছটা দশকতকৈও অধিক কাল নৱৰত্ন কোম্পানী অ'এনজিচিয়ে ধাৰাবাহিক ভাৱে বাণিজ্যিক খনন আৰু উৎপাদন শিৱসাগৰৰ বুকুত কৰি আহিছে। যদিও শিৱসাগৰৰ বুকুত অ'এনজিচিয়ে এনেদৰে বাণিজ্যিক খনন আৰু উৎপাদন কৰি আহিছে তথাপিও শিৱসাগৰবাসীয়ে পৰোক্ষ অথবা প্ৰত্যক্ষ ভাৱে অ'এনজিচিৰ এই উৎপাদনৰ পৰা লাভান্বিত হোৱা নাই। যিহেতু অ'এনজিচিয়ে আমাৰ উৎপাদনশীল মাটি লৈ ইয়াত খনন চলাইছিল । আমি দেশৰ সম্পদ হিচাপে অ'এনজিচিক গণ্য কৰি আমি আমাৰ মাটি অ'এনজিচিক দিছিলো। এই মাটিৰ পৰা হোৱা লাভৰ এশ শতাংশ অধিকাৰ আমাৰ আছে। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ দৰে নিজ ৰাজ্যৰ ভূ-গৰ্ভত থকা সম্পদৰ অধিকাৰ তেওঁলোকৰ দৰে যদিও দেশৰ সংবিধানে আমাক দিয়া নাই তথাপিও আমাৰ নিজ মাটিৰ ওপৰত কিঞ্চিত হ'লেও অধিকাৰ শিৱসাগৰবাসীৰ আছে, আৰু ই আমাৰ ন্যায্য অধিকাৰ হয় বুলি অধ্যক্ষ গৰাকীয়ে কয়। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা ৰাজহুৱা সভাখনত অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত বিষয়া পোনাৰাম মিলিয়ে কয় যে অ'এনজিচিৰ অসম সম্পদত নতুন নিযুক্তি নোহোৱাৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল মেচিনেৰী। নতুন প্ৰযুক্তি উদ্ভাৱন হোৱাৰ হেতুকে এতিয়া অ'এনজিচিত মানুহে কৰা কাম সমূহ মেচিনে কৰিছে। মেচিনৰ দ্ৰুত আগমনৰ বাবে মানুহৰ ঠাই সমূহ মেচিনে দখল কৰি লোৱাৰ বাবেই এতিয়া নতুন নিযুক্তি অ'এনজিচিয়ে নিদিয়া হ'ল বুলি তেওঁ উল্লেখ কৰে। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ সৌমাৰ জ্যোতি মহন্তৰ সহিতে জ্যেষ্ঠ সাংবাদিক মনোজ বৰঠাকুৰে নিজা বক্তব্যত উল্লেখ কৰে যে শিৱসাগৰ তৈল নগৰী হিচাপে ঘোষণা কৰাৰ দাবী পূৰ্বৰ পৰাই উত্থাপন হৈ আহিছে। শিৱসাগৰৰ সমাজ জীৱনৰ সৈতে জড়িত প্ৰতিগৰাকী লোকৰ এইয়া এক ন্যায্য দাবী। কিন্তু আজি অ'ত দিন অতিবাহিত হোৱাৰ পিছতো অ'এনজিচি কৰ্তৃপক্ষই সেইয়া কাৰ্যত: নকৰিলে। ইপিনে বৰ্তমান অ'এনজিচিয়ে অসম সম্পদত লোকচানৰ সন্মুখীন হোৱা বুলি বহু তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীক গতাই দিছে। যদিহে অ'এনজিচিয়ে লোকচানৰ সন্মুখীন হৈছে তেন্তে 'অইল'ৰ সৈতে অ'এনজিচি সংযুক্ত হৈ খনন আৰু উৎপাদনত একত্ৰ ভাৱে আগবাঢ়ি যাওক বুলি দুয়োগৰাকী বক্তাই কয়। আজিৰ সভাত অংশগ্ৰহণ কৰি সচেতন নাগৰিক এনামউদ্দিন আহমেদে কয় যে আমাৰ তৈলক্ষেত্ৰ পুঁজিপতি কাপোৰ উদ্যোগী আৰু তীখা উদ্যোগীক গতাই দিলে খাৰুৱা তেলৰ উৎপাদন কিদৰে বৃদ্ধি পাব । উপসাগৰীয় যুদ্ধৰ বাবে সাম্প্ৰতিক সময়ত তেল আৰু প্ৰাকৃতিক গেছৰ নাটনিৰ লগতে মূল্যবৃদ্ধিৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে । কিন্তু অ'এনজিচিয়ে অসমত দৈনিক হেজাৰ হেজাৰ ঘনমিটাৰ প্ৰাকৃতিক গেছ জ্বালাই দিছে । এনেদৰে জ্বলাই দিয়া গেছেৰে অসমৰ হেজাৰ হেজাৰ লোকৰ চৌকা জ্বলিল হেতেন । আচলতে অ'এনজিচিয়ে আমাৰ ভবিষ্যত জ্বলাই নিঃশেষ কৰিছে । এনামউদ্দিন আহমেদে কয় অ'এনজিচিয়ে ৫০০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰা চ্যুকাফা মাল্টিস্পেচিয়েলিটি হাস্পতালত এৰিয়া দৰিদ্ৰ পৰিয়ালৰ লোকে চিকিৎসা কৰাব নোৱৰা অৱস্থাৰ সন্মুখীন হৈছে । ৰেহাই মূল্যৰ ব্যৱস্থা নাই । তদুপৰি সকলো বিভাগৰ অভিজ্ঞ চিকিৎসকো নাই । আনহাতে অ'এনজিচিত হাজাৰ হাজাৰ পদ খালী থকাৰ পিছটো থলুৱা যুৱক যুৱতীক নিযুক্ত দিয়া নাই । সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে কয় যে এই ৰাজহুৱা সভা হৈছে অ'এনজিচিৰ থলুৱা বিৰোধী স্থিতিৰ বাবে। অ'এনজিচিয়ে যেতিয়ালৈকে অসমৰ যুৱক যুৱতীৰ বাবে নতুন নিযুক্তি প্ৰক্ৰিয়া নুখুলিব তেতিয়ালৈকে অক্সএনজিচিৰ বিৰুদ্ধে সংগ্ৰাম চলি যাব। তেওঁ কয় যে এটা সময়ত অ'এনজিচিয়ে প্ৰায় দহ হেজাৰ কৰ্মচাৰীৰ দ্বাৰা খনন আৰু উৎপাদনৰ কাম চলাই গৈছিল। কিন্তু সাম্প্ৰতিক সময়ত মাত্ৰ ওঠৰশ কৰ্মচাৰীৰ দ্বাৰা অ'এনজিচি পৰিচালিত হৈ আছে। এই ওঠৰশ কৰ্মচাৰী থকাৰ পিছতো অ'এনজিচিয়ে নতুন নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা নাই। তেওঁ কয় যে আমাৰ স্পষ্ট মত , অ'এনজিচিয়ে থলুৱা বিদ্বেষী নীতি পৰিহাৰ কৰি নতুন নিযুক্তি দিব লাগিব। সমান্তৰালভাৱে কোনো কাৰণতে অ'এনজিচিৰ কোনো এটা কাৰ্যালয় শিৱসাগৰৰ পৰা স্থানান্তৰিত কৰিব নোৱাৰিব। ইয়াৰ লগতে অ'এনজিচিৰ শিৱসাগৰত যি চিকিৎসা খণ্ড আছে ইয়াক জনসাধাৰণৰ বাবে উন্নত আৰু সহজলভ্য কৰিব লাগিব। এই কাম বিলাক যেতিয়ালৈকে অ'এনজিচিয়ে সম্পূৰ্ণ নকৰে তেতিয়ালৈকে সদৌ তাই আহোম ছাত্ৰ সন্থাই ৰাইজৰ সহযোগত অ'এনজিচিৰ বিৰুদ্ধে সংগ্ৰাম চলাই নিব বুলি সংগঠনটোৰ স্থিতি স্পষ্ট কৰে। স্মৰ্তব্য যে আজিৰ ৰাজহুৱা সভাৰ মূল দাবী সমূহ হৈছে অ'এনজিচিৰ কাৰ্যালয় স্থানান্তৰ বন্ধ কৰা, এশ শতাংশ থলুৱা নিযুক্তি হ'ব লাগিব, অ'এনজিচিৰ ব্যক্তিগতকৰণ চক্ৰান্ত বন্ধ কৰা, অ'এনজিচিৰ ঠিকা আৱন্টনৰ নিয়ন্ত্ৰণ শিৱসাগৰ জিলাৰ নাজিৰাত ৰখাৰ ব্যৱস্থা কৰা, অ'এনজিচিৰ চিকিৎসালয়ত পৰিকাঠামো উন্নত কৰাকে আদি কৰি দহ দফীয়া এক দাবী উত্থাপন কৰে। এইৰাজহুৱা সভাত শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক ভৈৰৱ মুণ্ডাৰ সহিতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে নিজা মতামত দাঙি ধৰে।




*'খেতি বচাওঁ ' অভিযানৰ কৃষকৰ মাজত সজাগতা সভাত সৰুক্ষেত্ৰীত এলেকাত বৰপেটা কৃষি বিষয়া মুনিন্দ্ৰ বসুমতাৰী ভাষণৰত অৱস্থাৰ এক দৃশ্য*

# নলবাৰী শ্বহীদ ভৱন বাকৰিত মাধুৰ্য বৰ্মনলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**মজিবুৰ ৰহমান, নলবাৰী , ৯ জুনঃ** নিজৰ ভনীয়েকক ৰক্ষা কৰিবলৈ গৈ কৰুণ মৃত্যুক আঁকোৱালি লোৱা পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক মাধুৰ্য বৰ্মনলৈ আজি নলবাৰীত শ্ৰদ্ধাঞ্জলি প্ৰদান কৰা হয়। নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত নলবাৰীৰ শ্বহীদ ভৱন বাকৰিত আয়োজিত শ্ৰদ্ধাঞ্জলি প্ৰদান অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱাই মাধুৰ্য বৰ্মনৰ প্ৰতিচ্ছবিৰ সমুখত এগছি বন্তি প্ৰজ্বলন কৰি প্ৰথমে শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে। ইয়াৰ পিছতে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰে বিশিষ্ট শিক্ষাবিদ দীনমণি ভাগৱতী, ফণীধৰ ডেকা, বিশিষ্ট শিল্পী অবিনাশ মজুমদাৰ, ক্ৰীড়াবিদ হৰিশ তালুকদাৰ, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি বীৰেণ কুমাৰ চক্ৰৱৰ্তী, নলবাৰী হৰিমন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক নলিনী শীল, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা, জ্যেষ্ঠ সাংবাদিক ৰমেন কলিতা, বিশিষ্ট নাগৰিক অজিত ভাগৱতী, বিশিষ্ট ক্ৰীড়া সংগঠক বিকাশ ভট্টাচাৰ্য, নলবাৰী জিলা লেখক সভাৰ সাধাৰণ সম্পাদক বিজয় বৰুৱা, সাংবাদিক মজিবুৰ ৰহমানকে ধৰি বিভিন্নজনে বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে।ইয়াৰ পিছত ভাষণ দি সদৌ অসম ছাত্ৰ সন্থাৰ উপসভাপতি ভৱজিৎ বেজবৰুৱাই কয় যে মাধুৰ্য বৰ্মনৰ হত্যাই যাতে শেষ হত্যা হয়। মাধুৰ্য বৰ্মনৰ হত্যাকাৰীৰ হত্যাই আমাক শান্তি দিছে। এনে হত্যাকাণ্ডৰ হত্যাকাৰীৰ বাবে মৃত্যুৰ বাহিৰে আন একো শাস্তি থাকিব নোৱাৰে। মাধুৰ্যৰ হত্যাৰ লগত যদি আন কোনো লোক জড়িত আছে প্ৰশাসনে ইয়াক বিচাৰি উলিয়াই শাস্তি প্ৰদান কৰিব লাগে। শ্ৰদ্ধাঞ্জলি প্ৰদান অনুষ্ঠানত বক্তব্য ৰাখি নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি বীৰেণ কুমাৰ চক্ৰৱৰ্তীয়ে কয় এজন ফুলকুমীয়া ল'ৰাক নিৰ্মম ভাৱে হত্যা কৰা কাৰ্যক অসমৰ সকলোৱে গৰিহণা দিছে ছাত্ৰ নেতা বিশাল বিক্ৰম চৌধুৰীয়ে পৰিচালনা কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰশান্ত নাৰায়ণ চৌধুৰী, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অক্ষয় ডেকাকে ধৰি বিভিন্নজন লোকে মাধুৰ্য বৰ্মনৰ হত্যাই শেষ হত্যা হওঁক, তাৰেই কামনা কৰে । অনুষ্ঠানত মাধুৰ্যৰ আত্মাৰ চিৰশান্তি কামনা কৰি মৌন প্ৰাৰ্থনা কৰা হয়। শ্ৰদ্ধাঞ্জলি প্ৰদান অনুষ্ঠানৰ পিছতে পাঠিকা অনামিকা কলিতাৰ দলে নাগাৰা নাম পৰিৱেশন কৰে।

# ৰূপহীহাটৰ মাগুৰমাৰীৰ পৰা বোৱাৰী সন্ধানহীন

**বাতৰি কাকত লাওখোৱা ৯ জুনঃ** ৰূপহীহাটৰ মাগুৰমাৰীৰ পৰা এগৰাকী বোৱাৰী সন্ধানহীন হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে যোৱা বৃহঃবাৰে মাগুৰমাৰীৰ হালিমা খাতুন নামৰ বোৱাৰী গৰাকীয়ে ঘৰত কোনো নথকাত ঘৰৰ পৰা পলায়ন কৰে। পিছত ঘৰৰ মানুহে ঘৰত আহি বোৱাৰী গৰাকীক বিচাৰি নোপোৱাত সকলো আত্মীয় স্বজনৰ লগতে বোৱাৰী গৰাকীৰ দেউতাকৰ ঘৰতো বিচাৰ খোচাৰ কৰিও বোৱাৰী গৰাকীৰ কোনো সন্ধান উলিয়াব পৰা নাই। যাৰ বাবে পৰিয়ালটি চিন্তিত হৈ পৰিছে।যাৰ বাবে বোৱাৰী গৰাকীৰ শহুৰেকে কাষ চাপিছে সংবাদ মাধ্যমৰ। শহুৰেকে সংবাদ মাধ্যমৰ আগত কয় যে কোনোৱে যদি বোৱাৰী গৰাকীৰ সন্ধান উলিয়াই দিব পাৰে তেন্তে পুৰস্কাৰ প্ৰদান কৰিব বুলি কয়। ঘটনা সন্দৰ্ভত পৰিয়ালটিয়ে কাৰৈমাৰী আৰক্ষী পহৰা চকীত অৱগত কৰিছে। যদি কোনো সদাশয় ব্যক্তিয়ে বোৱাৰী গৰাকীৰ কোনো সন্ধান লাভ কৰে তেনেহলে কাৰৈমাৰী আৰক্ষী পহৰা চকী বা ৮৪৮৬৬৬৩৪২৪ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালটিয়ে কাতৰ আহ্বান জনাইছে।

# তেজপুৰত যুৱক গ্ৰেপ্তাৰঃ ভূৱা পৰিচয়েৰে প্ৰেমৰ সম্পৰ্ক স্থাপনৰ অপচেষ্টাৰ অভিযোগ

**বাতৰি কাকত,তেজপুৰ, ৯ জুনঃ** নিজৰ প্ৰকৃত পৰিচয় লুকুৱাই যুৱতীক প্ৰেমৰ ফান্দত পেলোৱাৰ অপচেষ্টা কৰা অভিযোগত জয়নাল আলী নামৰ এজন যুৱকক একাংশ লোকে তেজপুৰৰ ৰবৰবাগানৰ একনম্বৰ উপ-পথত কৰায়ত্ত কৰি গতাই দিছে তেজপুৰ আৰক্ষী থানাত ।উল্লেখযোগ্য যে, বিশ্বনাথ জিলাৰ জিনজিয়া আৰক্ষী থানা অন্তৰ্গত বুঢ়াগিং নিৰলাবস্তিৰ যুৱক জয়নাল আলীৰ বিৰুদ্ধে নিজকে জয় নামেৰে পৰিচয় দি তেজপুৰৰ এটা পৰিয়ালৰ ঘৰত ভাড়াতীয়া হিচাপে থকা এগৰাকী হিন্দু যুৱতীৰে বলপূৰ্বক প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলাৰ অপচেষ্টা চলোৱা বুলি অভিযোগ উঠিছে।এখন মহাবিদ্যালয়ৰ ছাত্ৰী যুৱতী গৰাকীয়ে দাখিল কৰা এজাহাৰ অনুসৰি, যুৱকজনে ২০২৫ৰ পৰাই তেওঁৰ ফোন নম্বৰ সংগ্ৰহ কৰি টংলাৰ যুৱতী গৰাকীক প্ৰেমৰ প্ৰস্তাৱ দি আহিছিল।আনকি অভিযুক্ত যুৱকজনে যুৱতীগৰাকীক প্ৰেমৰ প্ৰস্তাৱ মানি নল'লে প্ৰাণেমৰাৰ ভাবুকি দিয়ে বুলিও এজাহাৰত উল্লেখ কৰা হৈছে । যুৱকজনে যুৱতী গৰাকীৰ ভাড়াঘৰত উপস্থিত হৈ দিনৰ প্ৰায় ১.৩০বজাত যুৱতীগৰাকীৰ হাতত ধৰি যুৱকজনৰ লগতে নিবলৈ ধৰাত যুৱতীগৰাকীয়ে চিঞৰবাখৰ কৰে আৰু তেতিয়া স্থানীয় একাংশলোকে যুৱকজনক কৰায়ত্ত কৰি সোধাপোছা কৰাত যুৱকজনে নিজৰ প্ৰকৃত নাম জয়নাল আলী বুলি প্ৰকাশ কৰে।আনহাতে, যুৱকজনক পাছত তেজপুৰ আৰক্ষীক গটাই দিয়া হয়।আৰক্ষীয়ে যুৱকজনৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে এইসন্দৰ্ভত ৩০৮/২৬নম্বৰৰ এক গোচৰ ৰুজু কৰিছে বুলি প্ৰকাশ কৰিছে আৰক্ষী সূত্ৰই।আনহাতে,এই ঘটনা সন্দৰ্ভত যুৱকজনক আৰক্ষীক গটাই দিয়া সকলে সংবাদমাধ্যমৰ আগত কোনো মন্তব্য দিবলৈ অস্বীকাৰ কৰে।ইয়াৰ বিপৰীতে আন একাংশই প্ৰকাশ কৰা মতে যুৱক আৰু যুৱতী দুয়ো একেখন মহাবিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰী আৰু দুয়োৰে মাজত পৰিচয় থকাৰ উপৰি যুৱকজনহে ৰবৰবাগানত ভাড়াঘৰত থকাৰ বিপৰীতে যুৱতীগৰাকী আন এক অঞ্চলত পেয়িংগেষ্ট হিচাপেহে থাকে।ইতিমধ্যে যুৱতীগৰাকীৰ অভিভাৱকৰ স'তে যোগাযোগ কৰা বুলি আৰক্ষীসূত্ৰে জানিব পৰা গৈছে।সমগ্ৰ ঘটনা সন্দৰ্ভত বৰ্তমান আৰক্ষীৰ অনুসন্ধান অব্যাহত আছে।

# Indigenous peoples forum ৰ সমিতি গঠন

**বাতৰি কাকত ৰঙিয়া বিশেষ ৯ জুনঃ** আজি ৰঙিয়াত Indigenous peoples forum ৰ এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত নয়ন দাসক সভাপতি আৰু জয়ন্ত ভূএগক সম্পাদক হিচাপে লৈ Indigenous peoples forum ৰ ৰঙিয়া জিলা সমিতিখন গঠন কৰা হয় । বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা সভাত সভাপতিত্ব কৰে ৰাজ্যিক সভাপতি গজেন্দ্ৰ ভড়ালীয়ে । অসমৰ প্ৰতিটো খিলঞ্জীয়া জনগোষ্ঠী সামাজিক, সাংস্কৃতিক, শৈক্ষিক তথা অৰ্থনৈতিক দিশত যাতে স্বাৱলম্বী হ'ব পাৰে সেইবিষয়ে ভৰালীয়ে মন্তব্য আগবঢ়ায় । ভাৰতৰ অন্যৰাজ্যৰ নিচিনাকৈ অসমতো নাগৰিকত্বৰ ভিত্তি বৰ্ষ ১৯৫১ হ'বই লাগিব বুলি ভৰালীয়ে কয়। সভাত উপস্থিত থকা ৰাজ্যিক কাৰ্যকৰী সভাপতি তিলক কলিতা আৰু ৰাজ্যিক উপ-সভাপতি ছত্ৰধৰ দাসে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায় । উক্ত অনুষ্ঠানত সকলো খিলঞ্জীয়া জনগোষ্ঠীকে সমৰ্থন আগবঢ়াবলৈ সভাপতি গজেন্দ্ৰ ভৰালীয়ে আহ্বান জনায় ।

## অন্তঃসত্ত্বা মহিলা আহত

আৰু আকিৰুল শেখ।এজাহাৰত উল্লেখ কৰা অনুসৰি, সোমবাৰে আবেলি এখন চাহৰ দোকানত বাকী ধন-পইচাক কেন্দ্ৰ কৰি ইলিয়াছ শেখ আৰু মোমিনুৰ আলীৰ মাজত প্ৰথমে তৰ্ক-বিতৰ্কৰ সৃষ্টি হয়।পৰৱৰ্তী সময়ত এই সাধাৰণ বাক-বিতণ্ডাই ভয়ংকৰ ৰূপ ধাৰণ কৰে। ঘটনাস্থলীত বিয়লি প্ৰায় ৫ বজাত এলেকাটোৰ এজন প্ৰভাৱশালী ৰাজনৈতিক নেতা ৰফিকুল ইছলামৰ উপস্থিতিত ভাবুকি আৰু নিৰ্দেশত এই ভয়ংকৰ আক্ৰমণ সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰিছে ভুক্তভোগী পৰিয়ালৰ লোকে। অভিযোগ অনুসৰি, অভিযুক্ত সকলে সংঘবদ্ধভাৱে আক্ৰমণ চলোৱাত ৯ মহীয়া অন্তঃসত্ত্বা এজনী মহিলা আৰু তেওঁৰ ভাতৃ গুৰুতৰভাৱে আহত হয়।ঘটনাৰ খবৰ পাই গোঁসাইগাঁৱ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আহত দুয়োজনক উদ্ধাৰ কৰি গোঁসাইগাঁৱ আৰ,এন,বি,অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু দুয়োজনৰ শাৰীৰিক অৱস্থা সংকটজনক হোৱাত নিশাৰ ভিতৰতে উন্নত চিকিৎসাৰ বাবে তেওঁলোকক কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ প্ৰেৰণ কৰা হয়। বৰ্তমান আহতদ্বয় কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসাধীন হৈ আছে। ইপিনে,আহত ৯ মহীয়া অন্তঃসত্ত্বা মহিলাগৰাকীৰ স্বাস্থ্যৰ অৱস্থা সংকটমুক্ত হোৱা নাই বুলি বাতৰি সংগ্ৰহ কৰাৰ মূহুৰ্তলৈকে জানিব পৰা গৈছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত উদ্বেগৰ সৃষ্টি কৰাৰ লগতে স্থানীয় লোকসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে, ভুক্তভোগী পৰিয়ালৰ লোকে ঘটনাটোৰ নিৰপেক্ষ আৰু উচিত তদন্তৰ দাবী জনাই দোষীসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক দাবী জনাইছে।

## ২৪-২৫ অক্টোবৰত চলচ্চিত্ৰমৰ দশম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ

আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। উল্লেখ্য, ২০১৭ চনৰ পৰা প্ৰতিবছৰে চলচ্ছিত্ৰমে ৰাষ্ট্ৰীয় চুটি ছবি, মহোৎসৱ অনুষ্ঠিত কৰি আহিছে । প্ৰতিবছৰে কৰি অহাৰ দৰে এইবছৰো এক মিনিটৰ পৰা ২৫ মিনিট দৈৰ্ঘৰ চুটি ছবিৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ মূল বিষয় 'আমাৰ ঐতিহ্য আমাৰ গৌৰৱ'ৰ । বিশ্ব সংবাদ কেন্দ্ৰ অসমৰ সহযোগী অনুষ্ঠান চলিচিত্ৰম (www.chalachitram.in) ৰ উদ্যোগত অনুষ্ঠিত এই ৰাষ্ট্ৰীয় ছবি মহোৎসৱ প্ৰতিযোগিতাত উত্তৰ-পূবৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ মাজত সীমাবদ্ধ থাকিব । ভাৰতীয় ঐতিহ্য, খিলঞ্জীয়া সমাজ, স্বাধীনতা আন্দোলনৰ নায়ক, মহাকাব্য আৰু পৌৰাণিক কাহিনী, জাতীয় সংহতি, কলা আৰু সংস্কৃতি, পাণ্ডুলিপি, চিত্ৰকলা, সংগ্ৰহালয়, সংগীতজ্ঞ, লেখক, খিলঞ্জীয়া উৎসৱ, জাতি-জনগোষ্ঠী, কীৰ্তিচিহ্ন আৰু ঐতিহ্য ক্ষেত্ৰ, সমাজ সংস্কাৰ, পৰম্পৰাগত ক্ৰীড়া, মহিলা সবলীকৰণ, পৰম্পৰা আৰু পাৰিবাৰিক মূল্যবোধ, যোগ আৰু আয়ুৰ্বেদ, সাংস্কৃতিক জাতীয়তাবাদ, চাহ আৰু তেল, পৰিৱেশ, কৃষি, শিক্ষা, মানৱ অধিকাৰ, উত্তৰ-পূব ভাৰতৰ পৰ্যটনৰ সম্ভাৱনা আদি বিষয়ক ছবি গ্ৰহণ কৰা হ'ব। তদুপৰি, ভাৰতীয় কলা-সংস্কৃতি, পৰম্পৰা, নাৰী, দেশপ্ৰেম, ডিজিটেল পৃথিবী, উন্নয়ন, পৰিবেশ, মানুহ আৰু প্ৰকৃতি আৰু ভাৰতীয় পৰিয়াল বিষয়ক চুটি কাহিনী ছবি, তথ্যচিত্ৰ আৰু এনিমচেন ছবিয়ে প্ৰতিযোগিতাত অংশ গ্ৰহন কৰাৰ লগতে মহোৎসৱৰ আদৰ্শৰ লগত মিল থকা চুটি আৰু পূৰ্ণ দৈৰ্ঘৰ ছবিও প্ৰদৰ্শনৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা থকাৰ কথা আয়োজক সকলে জানিবলৈ দিয়ে। প্ৰতিযোগিতাৰ সকলো তথ্যৰ বাবে চলচ্ছিত্ৰমৰ, ৱেবচাইট 'চলচ্ছিত্ৰম ডট ইন'ত চাব পাৰিব। উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে চলচ্চিত্ৰমে কেতবোৰ নিয়মাৱলী সন্নিবিষ্ট কৰিছে। সেই অনুযায়ী ২০২৫ বৰ্ষৰ ১ ছেপ্টেম্বৰৰ পৰা ২০২৬ বৰ্ষৰ ১ ছেপ্টেম্বৰৰ ভিতৰত নিৰ্মিত ছবিয়ে এই মহোৎসৱত অংশগ্ৰহন কৰিব পাৰিব। ১০ জুনৰ পৰা ৩০ জুনৰ ভিতৰত মাছুলবিহীনভাৱে , ৰ জুলাইৰ পৰা ১৯ জুলাইলৈকে (৫০০ টকা মাচুলৰে) আৰু ২০ জুলাইৰ পৰা চ ছেপ্টেম্বৰৰ ভিতৰত (মাচুল ১০০০ টকা) জমা দিব পাৰিব। ইফালে চলচ্চিত্ৰমৰ বাবে জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়াক সভাপতি, অভিনেতা-পৰিচালক ভগৱত প্ৰীতমক সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰাৰ প্ৰকাশ কৰিছে বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদক কিশোৰ শিৰমে।

## ২১ জুনত নীট দেশজুৰি সতৰ্কতা কেন্দ্ৰৰ

এইবাৰ নীট পৰীক্ষাৰ স্বচ্ছতা ঘূৰাই আনিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। ২১ জুনত অনুষ্ঠিত হ'বলগীয়া নীটৰ পুনৰ পৰীক্ষাত কোনোধৰণৰ খেলিমেলি বা জালিয়াতি যাতে হ'ব নোৱাৰে, তাৰ বাবে নেচনেল টেষ্টিং এজেঞ্চী (এনটিএ)এ প্ৰশ্নকাকত প্ৰস্তুতকৰ্তাসকলক একপ্ৰকাৰ গোপন কক্ষত চক্ৰবেহুৰ দৰে বন্দী কৰাৰ সিদ্ধান্ত লৈছে। জানিব পৰা মতে, চৰ জুনৰ পৰীক্ষালৈকে প্ৰশ্নকাকত প্ৰস্তুত কৰা সমগ্ৰ দলটোক কঠোৰ নিৰাপত্তাৰ মাজত সম্পূৰ্ণ একাষৰীয়াকৈ ৰখা হ'ব। এই সময়ছোৱাত তেওঁলোকে কোনোধৰণৰ ইণ্টাৰনেট, ম'বাইল ফোন ব্যৱহাৰৰ লগতে বাহিৰৰ কোনো ব্যক্তিৰ সৈতে যোগাযোগ কৰিব নোৱাৰিব। উল্লেখ্য যে ২ মে'ত ২২ লাখ শিক্ষাৰ্থীয়ে অৱতীৰ্ণ হোৱা নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ তথ্য পোহৰলৈ অহাৰ পিছতে সমগ্ৰ দেশত হাহাকাৰ লাগিছিল। ঘটনা সন্দৰ্ভত চিবিআয়ে তদন্ত কৰি ১৩জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰে অধিকাংশই অধ্যাপক আৰু এনটিএৰ সৈতে জড়িত ব্যক্তি। ইয়াৰ পিছতে ২১ জুনত পুনৰ নিকাভাৱে পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয় চৰকাৰে।

## ৰাজ্যত প্ৰয়োজনীয় খাদ্যসামগ্ৰী উৎপাদনৰ লক্ষ্যৰে সকলোৱে কাম কৰিব লাগিব

জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপেও আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰি এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। দুয়োখন জিলাতে অনুষ্ঠিত পৰ্যালোচনা বৈঠকত অভিভাৱক মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA), মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানকে ধৰি কৃষি, স্বাস্থ্য, লোকনিৰ্মাণ, জলসিঞ্চন আদি বিভিন্ন বিভাগৰ গুৰুত্বপূৰ্ণ আঁচনি আৰু কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মন্ত্ৰী হাজৰীকাই জনসাধাৰণৰ কল্যাণৰ স্বাৰ্থত চৰকাৰী আঁচনিসমূহ আন্তৰিকতা, নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰূপায়ণ নিশ্চিত কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। তেওঁ জিলাখনৰ সকলো চিকিৎসালয় আৰু স্বাস্থ্য প্ৰতিষ্ঠানত সৰ্বোচ্চ পৰ্যায়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ স্বাস্থ্য বিভাগক বিশেষ নিৰ্দেশনা প্ৰদান কৰে। লগতে উন্নয়নমূলক কাম-কাজ অধিক ফলপ্ৰসূভাৱে আগবঢ়াই নিয়াৰ বাবে বিভাগসমূহৰ মাজত সমন্বয় আৰু সহযোগিতা বৃদ্ধিৰ ওপৰত তেঁও গুৰুত্ব আৰোপ কৰে। মন্ত্ৰী হাজৰীকাই কয় যে হোজাই আৰু নগাঁও জিলাৰ সামগ্ৰিক বিকাশ, উন্নয়ন আৰু সমৃদ্ধিৰ ধাৰা অব্যাহত ৰাখিবলৈ সকলো পক্ষই একেলগে কাম কৰিব লাগিব। প্ৰতিখন জিলাকে শক্তিশালী, উন্নত আৰু সমৃদ্ধিশালী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ উল্লেখ কৰে। আনহাতে, এইবাৰ কৃষি বিভাগৰ দায়িত্ব লাভ কৰা মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় খাদ্যসামগ্ৰীসমূহ অসমতেই উৎপাদন কৰাৰ ক্ষেত্ৰত সকলো সংশ্লিষ্ট বিভাগে সমন্বিতভাৱে কাম কৰিব লাগিব। এই ক্ষেত্ৰত প্ৰতিটো বিভাগক নিজৰ দায়িত্ব আন্তৰিকতাৰে পালন কৰিবলৈ তেওঁ আহ্বান জনায়। ইফালে, পুৱাৰ ভাগত মন্ত্ৰী হাজৰীকাই নগাঁও জিলাৰ কঠিয়াতলীস্থিত নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰে। অসম সৰ্বশিক্ষা অভিযানৰ অধীনত নিৰ্মিত এই নতুন ভৱনটোৱে শিক্ষাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উন্নত শিক্ষণ-অনুকূল পৰিৱেশ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। আজি মন্ত্ৰীগৰাকীৰ জিলা দুখন ভ্ৰমণৰ সময়ত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে দুয়োখন জিলাৰ অন্তৰ্গত বিধায়কসকল আৰু সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে মন্ত্ৰী পীযুষ হাজৰীকাই নগাঁও আৰু হোজাই জিলাৰ উপৰি কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰো অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰিছে।

## নলবাৰীত বৃহত্তৰ অসমীয়া মঞ্চৰ তীব্ৰ প্ৰতিবাদ বহিৰাগতক সকীয়নি

এইঘটনাৰ পুনৰাবৃত্তি নহবলৈ নলবাৰীতো আজি বৃহত্তৰ অসমীয়া মঞ্চই সাব্যস্ত কৰে প্ৰতিবাদ। একাংশ বহিৰাগত লোকে অসমীয়া সমাজৰ ওপৰত দাদাগিৰি চলোৱাৰ লগতে অসমৰে মাটিত থিয় হৈ 'অসমীয়া গ' বেক' শ্ল'গান প্ৰদান কৰা কাৰ্য কোনো কাৰনতে সহ্য কৰা নহব বুলি সকীয়াই দিছে বৃহত্তৰ অসমীয়া মঞ্চৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা ক্ষিতিশ তালুকদাৰে। এই সমগ্ৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি বহিৰাগত শক্তিক সকীয়াই দিয়ে বৃহত্তৰ অসমীয়া মঞ্চৰ সভাপতি গৰাকীয়ে। খিলঞ্জীয়াৰ ওপৰত হোৱা যিকোনো অন্যায়, আক্ৰমণ আৰু ভাবুকিৰ বিৰুদ্ধে একগোট হৈ সমগ্ৰ অসমজুৰি তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিব বুলিও হুংকাৰ দিছে বৃহত্তৰ অসমীয়া মঞ্চই ।

## ডিগবৈত পথ দুৰ্ঘটনাত দুই যুৱক নিহত

প্ৰচণ্ড জোৰে খুন্দা মৰাৰ ফলত জ্যোতিষ্মান দত্ত আৰু চাহিল হুছেইন থিতাতে নিহত হয় বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাৰ পিছত বহু সময় ধৰি দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ ভিতৰত আবদ্ধ হৈ পৰে দুই যুৱক। ঘটনাস্থলীত ডিগবৈ আৰক্ষী আৰু ৰাইজ উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। ডিগবৈ মুলীয়াবাৰীৰ বিশিষ্ট ব্যৱসায়ী যতীন দত্তৰ পুত্ৰ জ্যোতিষ্মান দত্ত আৰু ডিগবৈ ইটাভাতাৰ আৰ এছ এৰিয়া নিবাসী ইমৰান হুছেইনৰ পুত্ৰ চাহিল হুছেইনৰ অকাল মৃত্যুত সমগ্ৰ ডিগবৈত শোকৰ ছাঁ পৰে।

## অসমৰ মাষ্টাৰ ট্ৰেইনাৰৰ প্ৰশিক্ষণ কাৰ্যসূচী

পৰা ৪৪ জন বিষয়া আৰু লোকপিয়ল সঞ্চালকালয় (ডি চি অ'), অসমৰ ১৫ জন বিষয়াসহ মুঠ ৫৯ জন মাষ্টাৰ ট্ৰেইনাৰ একত্ৰিত কৰা হৈছে। এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে প্ৰশিক্ষকসকলৰ এক শক্তিশালী গোট গঢ়ি তোলা, যিসকলে ১১০৯ জন ফিল্ড ট্ৰেইনাৰক প্ৰশিক্ষণ প্ৰদান কৰিব। পৰৱৰ্তী সময়ত এই ফিল্ড ট্ৰেইনাৰসকলে ৰাজ্যজুৰিত ২০২৭ চনৰ লোকপিয়লৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে ৮৩,৫৩৫ গৰাকী গণনাকাৰী আৰু পৰ্যবেক্ষকক প্ৰশিক্ষণ প্ৰদান কৰিব। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত আছিল অসমৰ লোকপিয়ল সঞ্চালক তথা মুখ্য প্ৰধান লোকপিয়ল বিষয়া বিশ্বজিৎ পেগু, অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ সচিব যতীন বৰা, ভাৰত চৰকাৰৰ দক্ষতা উন্নয়ন আৰু উদ্যমিতা মন্ত্ৰালয়ৰ সঞ্চালক (ই এন পি) তথা আই আই ই, গুৱাহাটীৰ প্ৰীতম দত্ত, ২০২৭ চনৰ লোকপিয়লৰ বাবে ৰাজ্য চৰকাৰৰ ন'ডেল বিষয়া তথা অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ অতিৰিক্ত সচিব পাৰ্থ পেগু, ডিচিঅ' অসমৰ উপ মহাপঞ্জীয়ক তথা অতিৰিক্ত মুখ্য প্ৰধান লোকপিয়ল বিষয়া ভাৰতী চন্দা, ডি চি অ' অসমৰ যুটীয়া সঞ্চালক তথা যুটীয়া মুখ্য প্ৰধান লোকপিয়ল বিষয়া ড° নিজৰা শৰ্মা আৰু আই আই ইৰ অধ্যাপক সদস্য এ এছ এছ দেৱান। এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা মাষ্টাৰ ট্ৰেইনাৰসকলক সম্বোধন কৰি, বিশিষ্ট ব্যক্তিসকলে তথ্যভিত্তিক পৰিকল্পনা, প্ৰশাসন ব্যৱস্থা আৰু নীতি নিৰ্ধাৰণৰ বাবে ২০২৭ চনৰ লোকপিয়লৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় কাৰ্যসূচী হিচাপে ইয়াৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মকৰ্তাসকলক গুণগত প্ৰশিক্ষণ প্ৰদান কৰিব আৰু তথ্য সংগ্ৰহৰ উচ্চ মানদণ্ড বজাই ৰাখি লোকপিয়ল সফল সম্পন্ন কৰাটো নিশ্চিত কৰাত মাষ্টাৰ ট্ৰেইনাৰসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। প্ৰথম দিনা কাৰিকৰী অধিৱেশনত প্ৰশিক্ষণ দক্ষতা, গৃহতালিকা আৰু গৃহপিয়লৰ মুখ্য দিশবোৰ সামৰি লোৱা হয়, য'ত লোকপিয়লৰ ধাৰণা, প্ৰক্ৰিয়া, ক্ষেত্ৰ পৰ্যায়ৰ প্ৰটক্সকল আৰু লোকপিয়ল ২০২৭ৰ বাবে প্ৰস্তুত কৰা ডিজিটেল সঁজুলি আৰু এপ্লিকেচনসমূহৰ ব্যৱহাৰ অন্তৰ্ভুক্ত আছিল। আন্তঃক্ৰিয়ামূলক আলোচনা আৰু প্ৰদৰ্শনে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ ভূমিকা, দায়িত্ব আৰু প্ৰশিক্ষণ পদ্ধতিৰ বিষয়ে এক বিস্তৃত ধাৰণা প্ৰাপ্ত কৰিবলৈ সহায় কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচী চাৰিজন ৰাষ্ট্ৰীয় প্ৰশিক্ষকৰ দ্বাৰা প্ৰদান কৰা হৈছে— অসমৰ যুটীয়া সঞ্চালক তথা যুটীয়া মুখ্য প্ৰধান লোকপিয়ল বিষয়া বিকাশ নাথ, অসমৰ সহকাৰী সঞ্চালক তথা সহকাৰী মুখ্য প্ৰধান লোকপিয়ল বিষয়া নয়ন মনি গগৈ, অৰুণাচল প্ৰদেশৰ যুটীয়া সঞ্চালক তথা যুটীয়া মুখ্য প্ৰধান লোকপিয়ল বিষয়া উৎপল শৰ্মা আৰু অৰুণাচল প্ৰদেশৰ সহকাৰী সঞ্চালক তথা সহকাৰী মুখ্য প্ৰধান লোকপিয়ল বিষয়া মহম্মদ চফিকুৰ ৰহমান। এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক অধিক মনোযোগী শিক্ষণ আৰু ফলপ্ৰসূ পাৰস্পৰিক যোগাযোগৰ সুবিধাৰ বাবে দুটা গোটত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। অধিৱেশনবোৰত সকলো মাষ্টাৰ ট্ৰেইনাৰৰ সক্ৰিয় অংশগ্ৰহণ আৰু আগ্ৰহ পৰিলক্ষিত হয়, যি লোকপিয়ল ২০২৭ ৰ সফল পৰিচালনাৰ প্ৰতি তেওঁলোকৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। সমগ্ৰ ৰাজ্যখনত ধাৰাবাহিক প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰাৰ বাবে মাষ্টাৰ ট্ৰেইনাৰসকলৰ ক্ষমতা শক্তিশালী কৰাৰ লক্ষ্যৰে গভীৰ কাৰিকৰী আৰু ব্যৱহাৰিক অধিৱেশনৰ সৈতে এই প্ৰশিক্ষণ কাৰ্যসূচী পৰৱৰ্তী তিনিদিনলৈ অব্যাহত থাকিব।

**(বিকাশ নাথ)**
**যুটীয়া সঞ্চালক, ডি চি অ', অসম**

## নাবালিকাৰ নিৰ্যাতনকাৰীক ১০ বছৰৰ কাৰাদণ্ড

অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ তথা বিশেষ পকচ' আদালতৰ ন্যায়াধীশ আলহাজ ছাবিনা মজুমদাৰে এই শাস্তি ঘোষণা কৰে। দোষী সাব্যস্ত হোৱা যুৱকজন আগমনী আৰক্ষী থানাৰ অন্তৰ্গত খেৰবাৰী তৃতীয় খণ্ড গাঁৱৰ ফণী শীলৰ পুত্ৰ দয়াল শীল ওৰফে ৰাহুল বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে ২০২৪ চনৰ ৫ জানুৱাৰীত ভুক্তভোগী কিশোৰীগৰাকীৰ পিতৃয়ে আগমনী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে আগমনী থানাৰ গোচৰ নম্বৰ ০৪/২০২৪ ৰুজু কৰি ক্ষিপ্ৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। লগতে আদালতে অভিযুক্ত দয়াল শীলক পকচ' আইনৰ ধাৰা ৪ আৰু ভাৰতীয় দণ্ডবিধিৰ ৩৬৬ নং ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰে।

## তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিব জাপানৰ প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোডীৰ সৈতে বাৰ্ষিক ভাৰত-জাপান শীৰ্ষক বৈঠকত অংশগ্ৰহণ কৰিবলৈ অসমত উপস্থিত হৈছিল। কিন্তু সেই সময়ত অসমত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক স্থগিত ৰখা হৈছিল। ইফালে, বৰ্তমানৰ জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ ভাৰত ভ্ৰমণ যদি নিশ্চিত হয় তেন্তে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত টাকাইচিৰ এয়াই হ'ব প্ৰথমটো ভাৰত ভ্ৰমণ কাৰ্যসূচী। আৰু সেয়েহে ই ভাৰতৰ লগতে বিশেষকৈ অসমৰ বাবে এক কুটনৈতিক দিশত অতিকৈ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। আশা কৰা হৈছে যে, জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনে বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, আন্তঃগাঁথনি উন্নয়ন আৰু অৰ্থনৈতিক সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। লগতে ইণ্ডো-পেচিফিকৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কেও আলোচনা কৰাৰ সম্ভাৱনা আছে। য'ত জাপান আৰু ভাৰত দুয়োখন দেশেই গুৰুত্বপূৰ্ণ কৌশলগত অংশীদাৰ হিচাপে কৰিছে আত্মপ্ৰকাশ। ভাৰতৰ এক্ট ইষ্ট পলিচিৰ পৰিপ্ৰেক্ষিতত জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে এই বৈঠক অনুষ্ঠিত কৰিবলৈ অসমক বাচনি কৰাৰ সম্ভাৱনা আছে। যদি তেনে হয় তেন্তে পূব এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ অধিক অৰ্থনৈতিক আৰু কৌশলগত সম্পৰ্ক গঢ়ি তুলিব। মন কৰিবলগীয়া যে যোৱা এটা দশকত জাপান উত্তৰ-পূব ভাৰতৰ অন্যতম গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় অংশীদাৰ হিচাপে পৰিগণিত হৈছে। দেশখনে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আন্তঃগাঁথনি, নগৰ উন্নয়নমূলক বহু প্ৰকল্প আৰু সংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত সহায় আগবঢ়াই আহিছে। অসমতেই জাপানৰ সহায়-সহযোগিতাত বিশুদ্ধ খোৱা পানী যোগান ব্যৱস্থাৰ পৰা আৰম্ভ কৰি বিভিন্ন বৃহৎ পথৰ আন্তঃগাঁথনি প্ৰকল্পলৈকে বহু কাম সম্পন্ন হৈছে। আনহাতে, পৰ্যবেক্ষকসকলৰ মতে, উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ গুৱাহাটীত ভাৰত-জাপান শীৰ্ষ বৈঠক অনুষ্ঠিত হ'লে ই আন্তঃৰাষ্ট্ৰীয় কুটনীতি আৰু বিনিয়োগৰ ক্ষেত্ৰত অঞ্চলটোৰ বৃদ্ধি পোৱা গুৰুত্বৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিব। আশা কৰা হৈছে যে- জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে বৈঠকত বহিব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। এই বৈঠকৰ ফলত ভাৰত আৰু জাপানৰ জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু উদ্যোগপতি সকলো অসমলৈ আহিব। আৰু জাপানৰ প্ৰধানমন্ত্ৰী টাকাইচিৰ ভাৰত ভ্ৰমণ নিশ্চিত হ'লে ই এনে এক সময়ত অনুষ্ঠিত হ'ব যেতিয়া ভাৰত আৰু জাপানে ইণ্ডো-পেচিফিক অঞ্চলত পৰিৱৰ্তিত ভূ-ৰাজনৈতিক পৰিস্থিতিৰ মাজত স্থিতিশীল যোগান শৃংখল, উন্নত উৎপাদন ব্যৱস্থা, স্বচ্ছ শক্তি আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা অধিক গভীৰ কৰাৰ প্ৰচেষ্টা চলাই আছে। শীঘ্ৰেই দুয়োখন দেশৰ চৰকাৰে এই ভ্ৰমণসূচীৰ আনুষ্ঠানিক তথ্য প্ৰকাশ কৰিব বুলি বৰ্তমান অসমৰ লগতে দেশৰ সচেতন মহল আশাবাদী।

## স্বাধীনতাৰ ৭৯ বছৰ পিছতো ঘোগাপাৰা - আহোম খাট পথত নপৰিল এটা শিল

পৰিৱেশ সৃষ্টি হোৱা এই কেচা পথটোৰ বাবে গঞা ৰাইজ গুৰুতৰ ভাৱে অসুস্থ হ'লে এম্বুলেন্স সেৱা লাভ কৰা দূৰৈৰ কথা, এখন ব্যক্তিগত চাৰি চকীয়া বাহন আনি ৰোগী চিকিৎসালয়ত নিয়া অসম্ভৱ। আজিৰ এই বিশ্বায়নৰ দিনতো বিশেষকৈ বাৰিষাত ৰাইজে ৰোগীক ঠেলাৰে অনা নিয়া কৰিবলৈ বাধ্য হয়। দেশে স্বাধীনতা লাভৰ ৭৯ বছৰ পিছতো ঘোগাপাৰা - আহোম খাট পথত নপৰিল এটা শিল। ৰাইজে পকী পথ লাভ কৰা দূৰৈৰ কথা শিল বালি নপৰা এই কেঁচা পথটো প্ৰতি বছৰে খৰালি দিনত ৰাইজে শ্ৰম দান কৰি মেৰামতি কৰিবলৈ বাধ্য হয়। গাঁওবাসীয়ে উক্ত পথটোৰ সম্পৰ্কত নিজৰ ক্ষোভ প্ৰকাশ কৰি কয় যে, পথটোৰ জৰাজিৰ্ণ অৱস্থাৰ বাবে জনপ্ৰতিনিধিয়ে গাঁওখনলৈ এনেই অহা দুৰৈৰ কথা, আনকি নিৰ্বাচনৰ সময়ত ভোট বিছাৰিও নাহে। কেতিয়াবা দুই এক নেতা আহিলে এই মূল জৰাজিৰ্ণ পথটোৰ বিকল্প পথৰে আহিবলৈ বাধ্য হয় বুলি স্থানীয় ৰাইজে অৱগত কৰে। ৰাইজে স্থানীয় বিধায়ক আৰু বিটিচিৰ পাৰিষদ সকলক উক্ত পথটো মেৰামতি কৰি যাতায়াতৰ বাবে সুচল কৰিবলৈ বাৰে বাৰে অনুৰোধ কৰি আজিলৈকে কোনো সঁহাৰি পাবলৈ সক্ষম নহল। ৰাইজৰ পক্ষত থিয় দি পথটোৰ উন্নয়ন কৰিবলৈ খৈৰাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা বিটিচিৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰী আৰু বিধায়ক মহেশ্বৰ বড়োক অনুৰোধ জনাইছে।

## দিল্লীক অসমৰ কাষ চপাই অনা

অৱহেলিত হৈ ৰয়।

মই নিজেও সেই প্ৰজন্মৰে এজন।

এই অনুভৱ অসমৰ জনমানসত কিমান গভীৰভাৱে শিপাই আছিল, সেই কথা ৰাজহুৱা জীৱনৰ আৰম্ভণিৰ পৰাই মই দেখি আহিছোঁ। এনে চিন্তা-ভাবনাই আমাৰ কথা-বতৰাক গঢ় দিছিল, আন্দোলনসমূহক তীব্ৰতৰ কৰিছিল আৰু আশা-আকাংক্ষাক প্ৰভাৱিত কৰিছিল। দিল্লীয়ে যে অসমক মাহীআইৰ চকুৰে চায়, এই বিশ্বাস আমাৰ ৰাজনৈতিক শব্দাৱলীৰ এক অংশ হৈ পৰিছিল। ই কেৱল ভাষাৰ অলংকাৰ নাছিল, ই আছিল ঐতিহাসিক অভিজ্ঞতাৰ আৱেগিক প্ৰকাশ।

সেইবাবেই বিগত দশকটোত হোৱা পৰিৱৰ্তনক কেৱল উন্নয়নমূলক পৰিৱৰ্তন বুলি কৈয়েই সামৰিব নোৱাৰি, ই হৈছে এক ঐতিহাসিক ভুলৰ শুধৰণি।

২০১৪ চনত শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়া প্ৰধানমন্ত্ৰী হোৱাৰ পাছৰে পৰা দিল্লী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সম্পৰ্কত এক মৌলিক পৰিৱৰ্তনৰ সূচনা হয়। তেখেতে এই অঞ্চলটোক দূৰৱৰ্তী সীমান্ত হিচাপে গণ্য নকৰি দেশৰ ৰাষ্ট্ৰীয় চিন্তা-চৰ্চাৰ কেন্দ্ৰলৈ লৈ আনিলে আৰু উত্তৰ-পূৰ্বাঞ্চলক 'অষ্টলক্ষ্মী' বুলি অভিহিত কৰিলে। তেখেতে অসমৰ কৌশলগত স্থিতি আৰু সাংস্কৃতিক ঐতিহ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিলে। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, তেখেতে এই স্বীকৃতি কেৱল কথাতে আবদ্ধ নাৰাখি বাস্তৱ পদক্ষেপলৈ ৰূপান্তৰিত কৰিলে।

ই কেৱল আন্তঃগাঁথনিৰ পৰিৱৰ্তনেই নহয়, মানুহৰ মানসিকতাৰো পৰিৱৰ্তন ঘটালে। এসময়ত নিজৰ মনত বিচ্ছিন্নতাবোধ পুহি ৰখা প্ৰজন্মটো এতিয়া মূলসূঁতিৰ সৈতে সংযুক্ত হৈ পৰিল।

ইয়াৰ পিছৰ প্ৰজন্মটো এক নতুন আত্মবিশ্বাসেৰে ডাঙৰ-দীঘল হৈছে। আজি অসমৰ যুৱ সমাজে স্বাভাৱিকতে দিল্লী দূৰৈত আৰু আমাৰ প্ৰতি উদাসীন বুলি নাভাবে। তেওঁলোকে নিজৰ ৰাজ্যখনক দেশৰ বিকাশ যাত্ৰাৰ এক অবিচ্ছেদ্য অংশ আৰু সুযোগৰ থলী ৰূপে গণ্য কৰে। তেওঁলোকে বিশ্বাস কৰে যে, আমাৰ অঞ্চলটোৰ আশা-আকাংক্ষাই এতিয়া প্ৰয়োজনীয় গুৰুত্ব লাভ কৰিছে। মানুহৰ মানসিকতাৰ এই পৰিৱৰ্তনেই সম্ভৱতঃ প্ৰধানমন্ত্ৰীৰ অসমলৈ আটাইতকৈ ডাঙৰ অৱদান।

এই পটভূমিতে আমাৰ উন্নয়নৰ যাত্ৰাৰ সূচনা হৈছে।

এসময়ত অসমৰ খাৰুৱা তেল ৰাজ্যখনৰ ভিতৰতে শোধন কৰাৰ দৰে এটা সৰু দাবীৰ বাবেও অসমবাসীয়ে আন্দোলন কৰিবলগীয়া হৈছিল। তেল শোধনাগাৰ আন্দোলনৰ স্মৃতি আমাৰ ৰাজনৈতিক চেতনাৰ মাজত আজিও সজীৱ হৈ আছে। বহুদিনলৈকে অসমৰ সম্পদসমূহৰ বহিৰ্গমন হৈছিল আৰু স্থানীয় মূল্য-সংযোজন অত্যন্ত সীমিত হৈ ৰৈছিল। আজি সেই কাহিনী সলনি হৈছে।

নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে। এই কাম সম্পূৰ্ণ হ'লে ইয়াৰ বাৰ্ষিক পৰিশোধন ক্ষমতা ৩ মিলিয়ন মেট্ৰিকটনৰ পৰা ৯ মিলিয়ন মেট্ৰিকটনলৈ বৃদ্ধি পাব। পাৰাদ্বীপৰ পৰা নুমলীগড়লৈ নতুন পাইপলাইনৰ কাম সম্পূৰ্ণ হোৱাৰ পথত আৰু শক্তিখণ্ডৰ নতুন আন্তঃগাঁথনিয়ে অসমৰ ঔদ্যোগিক সামৰ্থ্য বৃদ্ধি কৰিছে। যি এসময়ত বঞ্চনাৰ প্ৰতীক আছিল, সিয়েই এতিয়া ৰূপান্তৰৰ প্ৰতীক হৈ উঠিছে।

ঔদ্যোগিক পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। জাগীৰোডে এসময়ত কেৱল উদ্যোগ খণ্ডৰ অৱনতিৰ কথাহে মনত পেলাইছিল। স্তব্ধ হৈ পৰা নগাঁও কাগজ কল, পৰিত্যক্ত আৱাসিক এলেকা আৰু ঔদ্যোগিক সংস্থাপনৰ ম্লান হৈ পৰা স্মৃতি— এই আটাইবোৰ অসমৰ হতাশাজনক পৰিৱেশৰ অংশ হৈ পৰিছিল। কিন্তু ইতিহাসৰ গতি সলনি হ'ব পাৰে। বৰ্তমান সেই একে স্থানতে টাটা ইলেকট্ৰনিক্সে ২৭,০০০ কোটি টকা বিনিয়োগেৰে এটা ছেমিকণ্ডাক্টৰ প্ৰকল্প নিৰ্মাণ কৰি আছে। এসময়ত উদ্যোগ গঢ়াৰ সপোন মৰহি যোৱা অসমে আজি ছেমিকণ্ডাক্টৰৰ আন্তঃৰাষ্ট্ৰীয় মানচিত্ৰত স্থান লাভ কৰিছে। এনে কিছুমান কাহিনীয়ে উপেক্ষাৰ পৰা আকাংক্ষালৈ আমাৰ যাত্ৰাক সুস্পষ্ট ৰূপত প্ৰতিফলিত কৰিছে।

ৰাজ্যখনলৈ ঘূৰি অহা শান্তিও এই নতুন অধ্যায়ৰ অন্যতম কেন্দ্ৰবিন্দু।

এসময়ত সমগ্ৰ অসমত হিংসা আৰু আতংকই বিৰাজ কৰিছিল। উগ্ৰপন্থা, বোমা বিস্ফোৰণ, অপহৰণ আৰু গুলীচালনা আদিয়ে আমাৰ দৈনন্দিন জীৱনক অনিশ্চিত কৰি তুলিছিল। তেনে এক পৰিৱেশত পৰ্যটন আৰু বিনিয়োগৰ কথা কল্পনা কৰাটো অসম্ভৱ আছিল। কিন্তু শেহতীয়াকৈ বড়ো গোটসমূহৰ সৈতে হোৱা চুক্তি, ২০২৩ চনত আলফাৰ সৈতে হোৱা ত্ৰিপাক্ষিক চুক্তি আৰু কাৰ্বি, আদিবাসী, ডিমাচা তথা অন্যান্য সংগঠনসমূহৰ সৈতে হোৱা শান্তি চুক্তিসমূহে বাস্তৱৰ সেই ছবিখন সম্পূৰ্ণ সলাই পেলালে। এই চুক্তিসমূহে পুৰণি সংঘাতৰ অন্ত পেলোৱাৰ লগতে নতুন বিশ্বাস গঢ়াৰ পথ মুকলি কৰিছে। শান্তিয়ে সম্ভাৱনাক পুনৰুজ্জীৱিত কৰিছে আৰু সম্ভাৱনাই কঢ়িয়াই আনিছে বিনিয়োগ।

৭৫ খন দেশৰ অংশগ্ৰহণেৰে অনুষ্ঠিত 'এডভাণ্টেজ আছাম ২.০'- য়ে ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিছে। ৰিলায়েন্স, আদানী, টাটা, বেদান্ত আৰু জিন্দালৰ দৰে আগশাৰীৰ উদ্যোগ গোষ্ঠীসমূহে এতিয়া গুৰুত্বসহকাৰে আৰু নতুন আশা লৈ অসমত বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিছে। কিছুদিন আগলৈকে যিটো কথা অসম্ভৱ যেন লাগিছিল, আজি সেয়া একেবাৰে স্বাভাৱিক হৈ পৰিছে। অসমে এতিয়া আৰু কাৰোবাৰ চকুত পৰিবলৈ অপেক্ষা কৰি থকা নাই; বৰঞ্চ ই নিজকে এক অন্যতম প্ৰধান বিনিয়োগৰ গন্তব্যস্থান হিচাপে প্ৰতিষ্ঠা কৰিছে। আন্তঃগাঁথনিৰ উন্নয়নেও সেই একেই সত্যকে দোহাৰিছে।

স্বাধীনতাৰ পিছৰ প্ৰায় সাতটা দশক ধৰি অসমৰ জীৱনৰেখা আৰু ভৌগোলিক গাঁথনিৰ আধাৰস্বৰূপ মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত মাত্ৰ তিনিখনহে দলং আছিল। শেহতীয়া বছৰবোৰত সেই ছবিখন দ্ৰুতগতিত সলনি হৈছে। কেইবাখনো নতুন দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে, বহুকেইখন নিৰ্মীয়মাণ অৱস্থাত আছে— যাৰ ফলত যোগাযোগৰ মানচিত্ৰই নতুন ৰূপ পাইছে। অলপতে উদ্বোধন কৰা 'কুমাৰ ভাস্কৰ বৰ্মা সেতু' এনে এক অন্যতম মাইলৰ খুঁটি। ধুবুৰী-ফুলবাৰী দলং, যোৰহাট-মাজুলী দলং আৰু শৰাইঘাটৰ তৃতীয়খন দলঙৰ দৰে প্ৰকল্পসমূহে অভূতপূৰ্ব দ্ৰুততাৰে ৰাজ্যখনৰ বিভিন্ন অঞ্চলক পৰস্পৰৰ সৈতে সংযুক্ত কৰিছে।

স্বাস্থ্যসেৱাৰ ক্ষেত্ৰতো সমানেই গুৰুত্বপূৰ্ণ ৰূপান্তৰ ঘটিছে। এসময়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানসমূহৰ বাবে সংগ্ৰাম কৰিবলগীয়া হোৱা অসমত এতিয়া 'এইমছ গুৱাহাটী'ৰ দৰে আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠান আছে। চিকিৎসা মহাবিদ্যালয়সমূহৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। ২০২১ চনৰ সাতখনৰ পৰা এতিয়া চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা চৈধ্যখন হৈছে আৰু কেইবাখনো নিৰ্মীয়মাণ অৱস্থাত আছে। ৰাজ্যখনে অভাৱৰ পৰা সম্প্ৰসাৰণৰ দিশলৈ, পৰনিৰ্ভৰশীলতাৰ পৰা সামৰ্থ্য বিকাশৰ দিশলৈ গতি কৰিছে। পৰিবহণৰ ক্ষেত্ৰতো ৰে'ললাইনৰ দ্বৈতকৰণ, বৈদ্যুতিকীকৰণ, গুৱাহাটী বিমানকোঠৰ নতুন টাৰ্মিনেল, ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া সুৰংগ, কাজিৰঙাৰ এলিভেটেড কৰিডৰ আৰু গুৱাহাটী ৰিং ৰোড— এই সকলোবোৰে উন্নয়নৰ ন-প্ৰত্যাশাক প্ৰতিফলিত কৰিছে।

কিন্তু এই দলং, বিমানবন্দৰ, কাৰখানা আৰু শোধনাগাৰসমূহৰ উপৰি আন এক পৰিৱৰ্তন ঘটিছে— সেয়া হৈছে আৱেগিক দূৰত্বৰ পৰিৱৰ্তন।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আটাইতকৈ স্থায়ী অৱদান সম্ভৱতঃ এইয়ে যে তেওঁ এই অঞ্চল আৰু ৰাষ্ট্ৰীয় ৰাজধানীৰ মাজৰ মানসিক ব্যৱধান হ্ৰাস কৰিলে। তেওঁ কেৱল নীতি নিৰ্ধাৰণ কৰি নহয়, সঠিক দৃষ্টিভংগী আৰু উপস্থাপনাৰে সেয়া সম্ভৱ কৰি তুলিলে। যেতিয়া তেওঁ অসমৰ গামোচাখন ডিঙিত লয়, সেয়া কেৱল এক আনুষ্ঠানিক সৌজন্যতা নহয়। যেতিয়া তেওঁ কাজিৰঙাত নৈশযাপন কৰা প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী হিচাপে ইতিহাস গঢ়ে, তেতিয়া ই এক গভীৰ তাৎপৰ্য বহন কৰে। তেওঁ বাৰে বাৰে উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিছে। তেওঁৰ 75তকৈও অধিকবাৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণে এই অঞ্চল যে ভাৰতৰ ভাগ্যৰ সৈতে সংযুক্ত হৈ আছে, তাৰেই বাৰ্তা বহন কৰিছে। আৰু সেই বাৰ্তা আজি সঠিকভাৱে হৃদয়ংগম কৰা হৈছে।

আজি অসম অধিক আত্মবিশ্বাসী, অধিক সংযুক্ত আৰু অধিক আশাবাদী। অৱহেলাৰ পুৰণি ভাষা এতিয়া ক্ৰমান্বয়ে আশাৰ ভাষালৈ ৰূপান্তৰিত হৈছে। আৱেগিক গতিপথ সলনি হৈছে— ক্ষোভৰ পৰা অংশগ্ৰহণলৈ, দূৰত্বৰ পৰা আত্মীয়তালৈ।

১০ জুনত শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰি ভাৰতৰ আটাইতকৈ দীৰ্ঘদিন ধৰি নিৰন্তৰভাৱে সেৱা আগবঢ়োৱা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে ইতিহাস গঢ়িব। ই ৰাষ্ট্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ ক্ষণ। অসমেও নিজাকৈ গভীৰভাৱে ইয়াৰ গুৰুত্ব অনুভৱ কৰিছে। এয়া এজন নেতাৰ ঐতিহাসিক অৱদানক স্বীকাৰ কৰাৰ এক উপযুক্ত ক্ষণ, যিগৰাকীৰ কাৰ্যকালত অসমে কেৱল আন্তঃগাঁথনিৰ উন্নয়নকে প্ৰত্যক্ষ কৰা নাই; ভাৰতৰ ভিতৰত নিজৰ স্থান আৰু মৰ্যাদাৰে এক নতুন আত্মবিশ্বাসো লাভ কৰিছে।

এই ঐতিহাসিক সফলতাৰ ক্ষণত তেখেতলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। মই সৰ্বশক্তিমান ঈশ্বৰৰ ওচৰত তেখেতৰ সুস্বাস্থ্য, দীৰ্ঘায়ু আৰু নিৰন্তৰ শক্তিৰ বাবে প্ৰাৰ্থনা জনাইছোঁ, যাতে একেই দূৰদৰ্শিতা, দৃঢ়তা আৰু উৎসৰ্গিত মনোভাৱেৰে তেখেতে দেশমাতৃৰ সেৱাত আত্মনিয়োগ কৰি যাব পাৰে।

## ধেমাজিত জলসম্পদ বিভাগৰ বিৰুদ্ধে

লগতে সাপেখাতি স্থানীয় অঞ্চলৰ অগণন ৰাইজে এই প্ৰতিবাদত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে জলসম্পদ বিভাগৰ চৰম গাফিলতিৰ বিৰুদ্ধে ক্ষোভ উজাৰি কাৰ্যালয় চৌহদতে জিলা জলসম্পদ বিভাগৰ এক প্ৰতিকৃতিও দাহ কৰে। উল্লেখযোগ্য যে হাতত প্লে-কাৰ্ড আৰু চৰকাৰ তথা বিভাগবিৰোধী বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদকাৰীসকলে সমগ্ৰ কাৰ্যালয় চৌহদ উত্তাল কৰি তোলে। প্ৰায় এক ঘণ্টাতকৈও অধিক সময় ধৰি চলা এই প্ৰতিবাদী কাৰ্যসূচীৰ ফলত জলসম্পদ বিভাগৰ কাম-কাজ সম্পূৰ্ণৰূপে অচল হৈ পৰে। লগতে প্ৰতিবাদকাৰী সংগঠনসমূহৰ নেতৃত্বই অভিযোগ উত্থাপন কৰি কয় যে গাইনদী সাপেখাতি অঞ্চলৰ মথাউৰিটো স্থানীয় ৰাইজৰ সুৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ। কিন্তু বিভাগীয় বিষয়া আৰু ঠিকাদাৰৰ মিতিৰালিৰ বাবে মথাউৰি নিৰ্মাণৰ নামত চৰকাৰী পুঁজিৰ অপচয় কৰা হৈছে আৰু অত্যন্ত নিম্নমানৰ কাম কৰা হৈছে। বাৰিষাৰ পূৰ্বে মথাউৰিটো সঠিকভাৱে নিৰ্মাণ নকৰিলে সমগ্ৰ অঞ্চলটো বানৰ কবলত পৰাৰ আশংকাই দেখা দিছে। ধেমাজি জিলা জলসম্পদ বিভাগে এই অনিয়মৰ বিৰুদ্ধে অতি শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত ইয়াতকৈও ভয়াবহ আন্দোলন গঢ়ি তোলা হ'ব বুলি সংগঠনসমূহে হুংকাৰ প্ৰদান কৰে।

# ভাৰতীয় দৰ্শকৰ বাবে তিনিখন টি-২০ মেচৰ সময় সলনি ইংলেণ্ডৰ



**নতুন দিল্লী, ৯ জুনঃ** ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডে ভাৰতীয় দৰ্শকৰ বাবে তিনিখন টি-২০ মেচৰ সময় সলনি কৰিছে। প্ৰথমে নিশা ১১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া খেলসমূহ এতিয়া এঘণ্টা পূৰ্বে নিশা ১০ বজাৰ পৰা আৰম্ভ হ'ব। জুলাই মাহত ইংলেণ্ড ভ্ৰমণ কৰি তিনিখন এদিনীয়া আৰু ৫ খন টি-২০ মেচ খেলিব ভাৰতে। ১ জুলাইৰ পৰা ১১ জুলাইলৈ অনুষ্ঠিত হ'ব টি-২০ শৃংখলা, ১৪ জুলাইৰ পৰা ১৯ জুলাইলৈ অনুষ্ঠিত হ'ব এদিনীয়া শৃংখলা। ইয়াৰ পূৰ্বে ভাৰতীয় দলটোৱে ২৬ আৰু ২৮ জুনত আয়াৰলেণ্ডৰ বিৰুদ্ধে দুখন মেচৰ টি-২০ শৃংখলাও খেলিব। ভাৰতত টিভি দৰ্শক বৃদ্ধিৰ বাবেই মেচ পুনৰ নিৰ্ধাৰণৰ সিদ্ধান্ত লোৱা হৈছে। ইচিবিয়ে সম্প্ৰচাৰক স্কাই স্প'ৰ্টছ (ইউ কে) আৰু চ'নী স্প'ৰ্টছ নেটৱৰ্ক (ইণ্ডিয়া)ৰ সৈতে এই বিষয়ে আলোচনা কৰে। ভাৰতৰ বিৰুদ্ধে হোৱাইট বল শৃংখলাৰ পৰা এইবাৰ যথেষ্ট লাভৰ আশা কৰিছে ইচিবিয়ে। মেচডেৰ ৰাজহ আৰু সম্প্ৰচাৰৰ অধিকাৰ দুয়োটাৰে পৰা ব'ৰ্ডে লাভৱান হোৱাৰ সম্ভাৱনা আছে। খবৰ অনুসৰি ২০২৭ চনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে এছেছ শৃংখলা আয়োজন কৰাৰ পিছতো ইচিবিয়ে লোকচানৰ সন্মুখীন হৈছে।ইয়াৰ ফলত ইণ্ডিয়া ছিৰিজৰ গুৰুত্ব আৰু অধিক বৃদ্ধি পাইছে। ভাৰত আৰু ইংলেণ্ডৰ মাজত টি-২০ ছিৰিজ প্ৰথমে আৰম্ভ হ'ব যদিও এই ছিৰিজৰ টিকট এতিয়াও সম্পূৰ্ণ বিক্ৰী হোৱা নাই। তিনিওখন এদিনীয়াৰ টিকট সম্পূৰ্ণ বিক্ৰী হৈ গৈছে। ইয়াৰ মূল কাৰণ হৈছে বিৰাট কোহলী আৰু ৰোহিত শৰ্মাৰ অনুৰাগী। অৱশ্যে এদিনীয়া খেলৰ টিকট প্ৰি-বুক কৰা হৈছিল, কিয়নো কোহলী আৰু ৰোহিত দুয়োজনেই ইতিমধ্যে টি-২০ আৰু টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।

## আয়াৰলেণ্ড-ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ শৃংখলাক লৈ ঘোষণা কৰা ভাৰতীয় দলত বৃহৎ পৰিৱৰ্তন

**নতুন দিল্লী, ৯ জুন ঃ** আয়াৰলেণ্ড আৰু ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ শৃংখলাৰ বাবে ঘোষণা কৰা ভাৰতীয় দলত এক বৃহৎ পৰিৱৰ্তন ঘটিছে। মহম্মদ চিৰাজৰ ঠাইত সোঁহাতৰ বেগী বলাৰ প্ৰসিদ্ধ কৃষ্ণক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে টি-২০ ছিৰিজৰ দুয়োখন খেলৰ বাবে। বিচিচিআইৰ চিকিৎসা দল আৰু দল পৰিচালনাৰ মাজত হোৱা আলোচনাৰ অন্তত ছিৰাজক কৰ্মবোজা ব্যৱস্থাপনাৰ অংশ হিচাপে জিৰণি লোৱাৰ পৰামৰ্শ দিয়া হৈছে। দীঘলীয়া আন্তঃৰাষ্ট্ৰীয় ছিজনৰ পূৰ্বে তেওঁ সম্পূৰ্ণৰূপে সুস্থ হৈ উঠাৰ বাবে সতৰ্কতামূলক ব্যৱস্থা হিচাপে এই সিদ্ধান্ত গ্ৰহণ



কৰা হৈছে। এতিয়া আয়াৰলেণ্ড আৰু ইংলেণ্ড ভ্ৰমণত ছিৰাজৰ ঠাইত প্ৰসিদ্ধ কৃষ্ণক স্থান দিয়া হ'ব। ২০২৬ চনৰ এদিনীয়া বিশ্বকাপ আৰু টি-২০ বিশ্বকাপৰ অংশ মহম্মদ চিৰাজে আফগানিস্তানৰ বিৰুদ্ধে এককালীন টেষ্টতো অংশগ্ৰহণ কৰিছিল যদিও আফগানিস্তানৰ বিৰুদ্ধে এদিনীয়া শৃংখলাৰ বাবে জিৰণি লোৱা হৈছে। বিচিচিআইয়ে বিচাৰে যে আগন্তুক এদিনীয়া আৰু টেষ্ট শৃংখলাৰ বাবে ছিৰাজ সম্পূৰ্ণৰূপে ফিট হওক, আৰু সম্ভৱতঃ এই কাৰণেই তেওঁলোকে তেওঁক আয়াৰলেণ্ড আৰু ইংলেণ্ড শৃংখলাৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত লৈছে। ছিৰাজে ১৭খন টি-২০ত ১৭টা উইকেট দখল কৰিছে। ভাৰতীয় দলৰ হৈ পুখন টি-২০ত ৮ টা উইকেট দখল কৰিছে প্ৰসিদ্ধ কৃষ্ণই। আই পি এল ২০২৬ত গুজৰাট টাইটানছ (জি টি)ৰ হৈ খেলি তেওঁ ১২খন মেচত ১৬টা উইকেট দখল কৰিছিল। আয়াৰলেণ্ডত দুখন টি-২০ আৰু ইংলেণ্ডত পাঁচখন খেল অনুষ্ঠিত হ'ব। আয়াৰলেণ্ড আৰু ইংলেণ্ডৰ টি-২০ শৃংখলাৰ বাবে ভাৰতৰ পৰিৱৰ্তন কৰা দলঃ শ্ৰেয়াছ আয়েৰ (অধিনায়ক), অভিষেক শৰ্মা, সঞ্জু চেমছন (উইকেটকীপাৰ), ঈশান কিষাণ (উইকেটকীপাৰ), শিৱম ডুবে, তিলক বৰ্মা (ভাইচ অধিনায়ক), নীতিশ কুমাৰ ৰেড্ডী, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, বৰুণ চক্ৰৱৰ্তী, ৰবি বিষ্ণোই, হৰ্ষিত ৰাণা, আৰ্শদীপ সিং, ৰাজকুমাৰ যাদৱ, বৈভৱ সূৰ্য্যবংশী, প্ৰসিদ্ধ কৃষ্ণ।

## আয়াৰলেণ্ড-ইংলেণ্ড ভ্ৰমণত বৈভৱ সূৰ্যবংশীৰ সৈতে থাকিব পিতৃ-মাতৃ

**মুম্বাই, ৯ জুনঃ** ভাৰতীয় ক্ৰিকেটৰ উদীয়মান তাৰকা বৈভৱ সূৰ্যবংশীৰ পিতৃ-মাতৃয়ে ৰাষ্ট্ৰীয় দলৰ আগন্তুক আয়াৰলেণ্ড আৰু ইংলেণ্ড ভ্ৰমণৰ সময়ত তেওঁৰ সৈতে থাকিব। ব্ৰিটেইনত থকাৰ সমগ্ৰ খৰচ বহন কৰাৰ সিদ্ধান্ত লৈছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। মাত্ৰ ১৫ বছৰীয়া সূৰ্যবংশীয়ে ৰাজস্থান ৰয়েলছৰ হৈ আই পি এলত আকৰ্ষণীয় প্ৰদৰ্শনৰ পিছত শনিবাৰে ভাৰতীয় টি-২০ দলত অন্তৰ্ভুক্ত হয়। বিচিচিআইৰ এজন বিষয়াই কয় যে ব'ৰ্ডে তেওঁৰ পিতৃ-মাতৃৰ সকলো খৰচ বহন কৰিব। আমি বিশ্বাস কৰোঁ যে ইমান কম বয়সৰ এজন খেলুৱৈৰ বাবে পৰিয়ালৰ সমৰ্থন থকাটো অতি গুৰুত্বপূৰ্ণ। ভাৰতীয় দলটোৱে ২৬ আৰু ২৮ জুনত বেলফাষ্টত আয়াৰলেণ্ডৰ বিৰুদ্ধে দুখন টি-২০ মেচ খেলিব। ইয়াৰ পিছত দলটোৱে ইংলেণ্ডলৈ গৈ পাঁচখন টি-২০ আন্তঃৰাষ্ট্ৰীয় আৰু তিনিখন এদিনীয়া খেলৰ শৃংখলা খেলিব। জাপানত অনুষ্ঠিত হ'বলগীয়া আগন্তুক এছিয়ান গেমছৰ বাবে ভাৰতীয় দলত অন্তৰ্ভুক্ত হৈছে বাওঁহাতৰ বেটছমেন সূৰ্যবংশীকো। বৰ্তমান সূৰ্যবংশী ইণ্ডিয়া এ দলৰ সৈতে শ্ৰীলংকাত আছে, য'ত দলটোৱে আফগানিস্তানৰ সৈতে এদিনীয়া ত্ৰিদেশীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

# নৰেন্দ্ৰ মোদীঃ দেশৰ সেৱাত এক অবিৰত যাত্ৰা

■ ড° কৰণ সিং
প্ৰাক্তন সাংসদ

২০২৬ চনৰ ১০ জুনত ভাৰতে গণতান্ত্ৰিক যাত্ৰাৰ এক উল্লেখযোগ্য মুহূৰ্তৰ সাক্ষী হ'ব, কিয়নো সেইদিনটোতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাৰ্যকালৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ ইতিহাসৰ আটাইতকৈ দীৰ্ঘদিন ধৰি শাসনত থকা প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হ'ব। স্বাধীনতাৰ পিছৰে পৰা নিৰৱচ্ছিন্নভাৱে ৰাজহুৱা জীৱনৰ সৈতে জড়িত হৈ থকাৰ বাবেই পূৰ্বৰ দুগৰাকী দীৰ্ঘদিন ধৰি শাসনত থকা প্ৰধানমন্ত্ৰীৰ সৈতে ঘনিষ্ঠভাৱে মত বিনিময় কৰাৰ সুযোগ পাইছো। পণ্ডিত জৱাহৰলাল নেহৰু মোৰ গুৰু আছিল। ঔপনিৱেশিকতাবাদ, দৰিদ্ৰতা, দেশ বিভাজন আৰু সাম্প্ৰদায়িক চেতনা আদিৰে ভাৰাক্ৰান্ত দেশ এখন শাসন কৰাৰ দায়িত্ব তেওঁৰ ওপৰত আহি পৰিছিল। তেওঁৰ মহান কৃতিত্ব আছিল এয়াই যে এখন বিশাল আৰু বৈচিত্ৰ্যময় উপমহাদেশক এক কাৰ্যক্ষম গণতান্ত্ৰিক গণৰাজ্যলৈ ৰূপান্তৰ কৰাত তেওঁ সফল হৈছিল। ইন্দিৰা গান্ধীৰ সৈতে দহ বছৰ তেওঁৰ মন্ত্ৰীসভাত কাৰ্যনিৰ্বাহ কৰি থাকোতে বাংলাদেশ সৃষ্টিৰ ক্ষেত্ৰত তেওঁৰ সৰ্ববৃহৎ জয় আৰু জৰুৰীকালীন অৱস্থাৰ সময়ত তেওঁৰ আটাইতকৈ ক'লা অধ্যায়, উভয়ৰে সাক্ষী হৈছিলো ।ইয়াৰ মাজতে বৰ্তমাৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ কৃতিত্ব হৈছে প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালৰ প্ৰত্যাহ্বানসমূহ সফলতাৰে অতিক্ৰম কৰাটো । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এনে সফলতাৰহ আঁৰত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ জড়িত হৈ আছে। তেওঁ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ভাৰতখন জৱাহৰলাল নেহৰুৰ যুগৰ ভাৰতৰ পৰা বহু গুণে পৃথক। মোদীৰ দিনতে দেশৰ জনসংখ্যা পূৰ্বৰ প্ৰায় ৩৪ কোটিৰ পৰা প্ৰায় ১৪৬ কোটিলৈ বৃদ্ধি পোৱাৰ বিপৰীতে ভোটাৰৰ সংখ্যা প্ৰায় ৰৰ কোটিৰ পৰা ৮৩ কোটিৰো অধিকলৈ বৃদ্ধি পাইছে। তেওঁ নিজৰ দলটোক একেৰাহে তিনিটাকৈ সংসদীয় নিৰ্বাচনত বিজয়ৰ দিশত আগুৱাই নিয়াটো নিশ্চয়কৈ উল্লেখযোগ্য ৰাজনৈতিক সাফল্য। পৰৱৰ্তী সাধাৰণ নিৰ্বাচনত যদি তেওঁ পুনৰ সফল হয় তেন্তে তেওঁ ভাৰতীয় ৰাজনীতিত আন এক অভূতপূৰ্ব অভিলেখ গঢ়ি তুলিব পাৰিব।

নৰেন্দ্ৰ মোদীৰ দিনত ক'ভিড-১৯ মহামাৰী, বিশ্বজোৰা মুদ্ৰাস্ফীতিৰ চাপ, ভূ-ৰাজনৈতিক সংঘাত আৰু যোগান শৃংখলৰ ব্যাঘাতৰ ফলত হোৱা সংকটৰ মাজতো ভাৰতে শক্তিশালী বিকাশৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। ভাৰত এতিয়া বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বিকশিত প্ৰধান অৰ্থনীতিসমূহৰ ভিতৰত আছে। টেলিভিছন, ডিজিটেল মিডিয়া আৰু ছ'চিয়েল নেটৱৰ্কিং প্লেটফৰ্মৰ জৰিয়তে অভূতপূৰ্ব বাস্তৱ সময়ৰ নিৰীক্ষণৰ যুগত তেওঁ শাসন কৰিছে। তেওঁৰ সমাজ কল্যাণমূলক পদক্ষেপ - স্বচ্ছ ভাৰত, গ্ৰাম্য অনাময় ব্যৱস্থাৰ সম্প্ৰসাৰণ, মহিলাৰ বাবে স্বচ্ছ ৰন্ধন ইন্ধন, গ্ৰাম্য বিদ্যুৎকৰণ, দৰিদ্ৰ লোকৰ বাবে গৃহ নিৰ্মাণ কাৰ্যসূচী, সৌৰশক্তিৰ পদক্ষেপ আৰু শ শ কোটি নাগৰিকক উপকৃত কৰা খাদ্য সুৰক্ষা ব্যৱস্থাকে ধৰি - আন বহু পদক্ষেপে কোটি কোটি লোকক উপকৃত কৰিছে। সেয়াই চৰকাৰৰ কৃতিত্ব।

প্ৰধানমন্ত্ৰী মোদীৰ দিনত শিক্ষা আৰু স্বাস্থ্যসেৱা প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণো এক উল্লেখযোগ্য দিশ। জৱাহৰলাল নেহৰুৱে প্ৰথম আই আই টি আৰু এইমছ প্ৰতিষ্ঠা কৰিছিল। নৰেন্দ্ৰ মোদীৰ দিনত আই আই টি, এইমছ আৰু আই আই এমৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। এই প্ৰতিষ্ঠানসমূহে ভাৰতৰ মানৱ মূলধনত এক বৃহৎ বিনিয়োগক প্ৰতিনিধিত্ব কৰে আৰু দেশৰ ক্ৰমবৰ্ধমান পেছাদাৰী, বৈজ্ঞানিক আৰু বৌদ্ধিক আকাংক্ষাক প্ৰতিফলিত কৰি আহিছে। আন্তঃগাঁথনিৰ উন্নয়নো এই সময়ছোৱাৰ এক সংজ্ঞায়িত বৈশিষ্ট্য হৈ পৰিছে। ঘাইপথ, বিমানবন্দৰ, ৰে'লৱেৰ আধুনিকীকৰণ, ডিজিটেল সংযোগ আৰু ৰাজহুৱা আন্তঃগাঁথনিৰ দ্ৰুত সম্প্ৰসাৰণে দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশৰ ভেটি স্থাপন কৰিছে। বিমুদ্ৰাকৰণ আৰু ৩৭০ অনুচ্ছেদ বাতিলকে ধৰি মোদীয়ে গ্ৰহণ কৰা কিছুমান সিদ্ধান্ত নিঃসন্দেহে বিতৰ্কৰ বিষয় হৈ আহিছে। গণতন্ত্ৰত বৃহৎ নীতিগত পদক্ষেপত এনে হোৱাটো স্বাভাৱিক। ইমানৰ পিছতো নৰেন্দ্ৰ মোদীয়ে নিজৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দৃঢ়তা প্ৰদৰ্শন কৰি আহিছে।

বৈদেশিক পৰিক্ৰমাৰ প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁৰ বিস্তৃত আন্তঃৰাষ্ট্ৰীয় যোগাযোগে বিশ্বৰ প্ৰধান শক্তিসমূহৰ লগতে উন্নয়নশীল বিশ্বৰ দেশসমূহৰ সৈতেও ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰি তুলিছে। ভাৰতৰ ক্ৰমবৰ্ধমান কূটনৈতিক প্ৰভাৱ , গ্ল'বেল চাউথত গ্ৰহণ কৰা নেতৃত্বৰ ভূমিকা, আন্তঃৰাষ্ট্ৰীয় মঞ্চত বৰ্ধিত গ্ৰহণযোগ্যতাই বিশ্বৰ মঞ্চত ভাৰতৰ মান বৃদ্ধি কৰিছে। উপসাগৰীয় দেশসমূহৰ ক্ষেত্ৰতো মোদীয়ে গ্ৰহণ কৰা স্থিতি বিশেষভাৱে উল্লেখযোগ্য। ভাৰত ধৰ্মনিৰপেক্ষতাৰ পৰা আঁতৰি গৈছে বুলি তেনে দেশ সমূহে আশংকা কৰা সত্ত্বেও মোদীৰ প্ৰচেষ্টা এক নতুন বাতাবৰণ গঢ় লৈ উঠিছে। সেই দেশসমূহ এতিয়া ভাৰতৰ বাবে অপৰিসীম কৌশলগত আৰু অৰ্থনৈতিক গুৰুত্বপূৰ্ণ অঞ্চলৰ হিচাবে চিহ্নিত হৈছে। এই প্ৰসংগতে মই আৰু এটা কথা যোগ দিব বিচাৰিছো যে যদিও আমাৰ সংবিধানৰ প্ৰস্তাৱনাত পৃথিৱীখনকে অন্তৰ্ভুক্ত কৰা হৈছে, কিন্তু দুৰ্ভাগ্যজনকভাৱে ই হিন্দু বিৰোধী প্ৰৱণতা এটাও জাগ্ৰত কৰা যেন ভাব হয়। এই পটভূমিত মোদীয়ে তেওঁৰ কাৰ্যকালত লাভ কৰা এক বৃহৎ সাফল্য হৈছে উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায়ৰ পিছতে অযোধ্যাত শ্ৰী ৰাম লল্লা মন্দিৰ নিৰ্মাণ কৰাটো। লাখ লাখ ভাৰতীয়ৰ বাবে এয়া আছিল দীৰ্ঘদিনীয়া সপোন।

নৰেন্দ্ৰ মোদীৰ আটাইতকৈ চিৰস্থায়ী অৱদান হৈছে ভাৰতীয় জনসাধাৰণৰ সৈতে পোনপটীয়াকৈ সংযোগ স্থাপন কৰি ভাৰতৰ ভৱিষ্যতৰ প্ৰতি আস্থা জগাই তোলাটো । য'ত ভাৰতে নিজকে কেৱল উন্নয়নশীল ৰাষ্ট্ৰ হিচাপে নহয়, ক্ৰমাৎ বিকাশৰ দিশে অগ্ৰসৰ হোৱা অৰ্থনীতি হিচাবে নিজকে প্ৰতিষ্ঠা কৰিছে। প্ৰযুক্তিগত আৰু কৌশলগত প্ৰভাৱৰ সৈতে ভাৰতে এতিয়া উত্থানশীল বিশ্ব শক্তি হিচাপে পৰিগণিত হৈছে। অসংখ্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পিছতো নৰেন্দ্ৰ মোদীয়ে গণতান্ত্ৰিক শাসন ব্যৱস্থা অক্ষুণ্ণ ৰখাত সফল হৈছে। আগন্তুক প্ৰত্যাহ্বানসমূহ এতিয়াও ভয়ংকৰ হৈয়েই আছেঃ ভাৰতৰ ফেডাৰেল গাঁথনি শক্তিশালী কৰা, শিক্ষাৰ মান উন্নত কৰা, যুৱ জনসংখ্যাৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা, পৰিৱেশ সম্পৰ্কীয় উদ্বেগৰ সমাধান কৰা আৰু সৰ্বাংগীন বৃদ্ধি নিশ্চিত কৰা আদি হৈছে সন্মুখত থকা প্ৰত্যাহ্বান। নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ৰাজনীতিক ৰূপান্তৰিত কৰিছে। স্বাধীনতাৰ পিছত ভোটাৰৰ সৈতে ইমান প্ৰত্যক্ষ সংযোগ স্থাপন কৰা নেতা কমেইহে আছে। মোদীয়ে সেয়া বিগত দশকত কৰিছে। ভাৰতে নিজৰ বিকাশৰ পৰৱৰ্তী পৰ্যায়ত প্ৰৱেশ কৰাৰ লগে লগে আৰু অধিক প্ৰজ্ঞা, ধৈৰ্য্য আৰু জাতীয় সহমতৰ প্ৰয়োজন হ'ব। স্বাধীনতাৰ প্ৰাকক্ষণৰ পৰা ভাৰতৰ যাত্ৰাৰ সাক্ষী হোৱা এজন হিচাপে মোৰ আশা এয়াই যে আগন্তুক বছৰবোৰত আমাৰ দেশখন কেৱল ক্ষমতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰতে নহয়, প্ৰজ্ঞা, কৰুণা আৰু জাতীয় ঐক্যৰ ক্ষেত্ৰতো উজলি উঠিব। দলীয় ৰাজনীতিৰ উৰ্ধলৈ গৈ আমি সকলোৱে প্ৰধানমন্ত্ৰী মোদীয়ে যাতে অনাগত দিনত দেশৰ আৰু অধিক সেৱা কৰিব পাৰে সেই কামনাই কৰা উচিত।

# বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত চতুৰ্থ স্থানলৈ অৱনমিত নিউজিলেণ্ড



**লণ্ডন, ৯ জুন ঃ** দেওবাৰে লৰ্ডছত অনুষ্ঠিত হোৱা প্ৰথমখন টেষ্টত ১১৫ ৰানৰ হতাশাজনক পৰাজয়ৰ সৈতে ইংলেণ্ড ভ্ৰমণ আৰম্ভ হোৱাৰ পাছত নিউজিলেণ্ড দলটো ২০২৫-২৭ বৰ্ষৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত দ্বিতীয়ৰ পৰা চতুৰ্থ স্থানলৈ অৱনমিত হৈছে। বৰষুণে মেচখনত ব্যাঘাত জন্মাইছিল। প্ৰথম ইনিংছত ইংলেণ্ডে ১৪০ ৰানত অল আউট হোৱাৰ পিছত তেওঁলোকৰ বলাৰসকলে সুন্দৰ প্ৰদৰ্শন আগবঢ়াই নিউজিলেণ্ডক ১১৩ ৰানত অল আউট কৰে।দ্বিতীয় ইনিংছত এমিলিঅ' গেয়ে ৫৭ ৰান সংগ্ৰহ কৰি আয়োজক দলটোক সুদৃঢ় আৰম্ভণি কৰে আৰু ইংলেণ্ডে ২২৬ ৰান সংগ্ৰহ কৰে। অৱশ্যে নিউজিলেণ্ডৰ বেটিঙত সংগ্ৰাম অব্যাহত থাকে। বৰষুণ প্ৰভাৱিত তৃতীয় দিনটোত ১০ অভাৰতকৈও কম খেল অনুষ্ঠিত হয়। চতুৰ্থ দিনটোত গুপ্তঙ্গপ্ত ৰানত আৰম্ভণি কৰাৰ পিছতো গ্লেন ফিলিপছে অপৰাজিত ৪৪ ৰান সংগ্ৰহ কৰাৰ পিছতো নিউজিলেণ্ডে ১৩৮ ৰানত অল আউট হয়। বেগী বলাৰ অলি ৰবিনছন আছিল মেচখনৰ তাৰকা, প্ৰথম ইনিংছত পাঁচটা উইকেট দখল কৰাৰ পিছত দ্বিতীয় ইনিংছত বেটৰ সৈতে উপযোগী ২৯ ৰান সংগ্ৰহ কৰাৰ লগতে ২/৩৮১ সংখ্যাও লাভ কৰে। নিউজিলেণ্ডৰ বিৰুদ্ধে তিনিখন টেষ্ট শৃংখলাৰ প্ৰথমখন মেচত জয়লাভ কৰাৰ পিছতো ইংলেণ্ড ডব্লিউ টি চি পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। এই পৰ্যন্ত খেলা ১১খন মেচত চাৰিখনত জয় লাভ কৰিছে। ইফালে, নিউজিলেণ্ড দলটোৱে চাৰিখন মেচৰ পৰা ৫৮৩ শতাংশ লাভ কৰি শীৰ্ষ দুই পৰা চতুৰ্থ স্থানলৈ অৱনমিত হৈছে। ৮খন মেচৰ ভিতৰত ৭খন মেচত জয়লাভ কৰি অষ্ট্ৰেলিয়া টেবুলৰ শীৰ্ষত আছে।

## ডিফেণ্ডাৰ ৱেছলীৰ সলনি ব্ৰাজিলৰ বিশ্বকাপৰ দলত এডাৰছন

**ৰিঅ' ডি জেনেৰিঅ', ৯ জুন ঃ** ব্ৰাজিলৰ মুখ্য প্ৰশিক্ষক কাৰ্লো এন্সেল'টিয়ে আঘাতপ্ৰাপ্ত ডিফেণ্ডাৰ ৱেছলীৰ সলনি বিশ্বকাপৰ দলত মিডফিল্ডাৰ এডাৰছনক নিযুক্তি দিছে। শনিবাৰে ইজিপ্তৰ বিৰুদ্ধে ব্ৰাজিলৰ প্ৰীতি মেচখনত ২-১ গ'লত জয়লাভ কৰা ৱেছলী বাওঁ উৰুত আঘাত পোৱাৰ বাবে খেলপথাৰৰ পৰা আঁতৰিছিল। ব্ৰাজিলৰ ফুটবল কনফেডাৰেচনে এক বিবৃতিত কয় যে ৱেছলী দলৰ প্ৰিয় খেলুৱৈ আৰু বিশ্বকাপত অংশ ল'ব নোৱাৰিলেও তেওঁক দলৰ ভৱিষ্যত পৰিকল্পনাৰ অংশ হিচাপে গণ্য কৰা হ'ব। ব্ৰাজিলৰ মুখ্য প্ৰশিক্ষক কাৰ্লো এন্সেল'টিয়ে নিশ্চিত কৰিছে যে চূড়ান্ত অনুমোদন লাভ কৰাৰ পিছত আটালাণ্টাৰ এডাৰছনক ২৬ জনীয়া দলত মাতি অনা হ'ব। নিউয়ৰ্ক আৰু নিউ জাৰ্চিত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় দলটোৰ প্ৰশিক্ষণ শিবিৰত যোগদান কৰাৰ সম্ভাৱনা আছে এডাৰছনে। প্ৰায় দুবছৰ পূৰ্বে মেক্সিকোৰ বিৰুদ্ধে প্ৰীতি মেচত আৰম্ভণিৰ লাইনআপকে ধৰি ব্ৰাজিলৰ ৰাষ্ট্ৰীয় ফুটবল দলৰ হৈ ছিনিয়ৰ পৰ্যায়ত তিনিবাৰকৈ খেলিছে ২৬ বছৰীয়া এডাৰছনে। কানাডা, মেক্সিকো আৰু আমেৰিকাত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপত খেলাৰ আশা কৰা ৬০ জনতকৈ অধিক ছিৰি এ খেলুৱৈৰ ভিতৰত তেওঁ অন্যতম।ব্ৰাজিলে ১৩ জুনত মৰক্কোৰ বিৰুদ্ধে বিশ্বকাপৰ গ্ৰুপ চি অভিযান আৰম্ভ কৰিব, তাৰ পিছত ১৯ জুনত হাইটি আৰু ২৪ জুনত স্কটলেণ্ডৰ বিৰুদ্ধে খেল অনুষ্ঠিত হ'ব।

# আফগানিস্তানৰ বিৰুদ্ধে এদিনীয়া শৃংখলা খেলিবলৈ ৰোহিত শৰ্মা-হাৰ্দিক পাণ্ডিয়াক অনুমতি

**মুল্লানপুৰা, ৯ জুনঃ** দেওবাৰৰ পৰা ধৰ্মশালাত আৰম্ভ হ'বলগীয়া তিনিখন মেচৰ এদিনীয়া শৃংখলাত আফগানিস্তানৰ বিৰুদ্ধে খেলিবলৈ ভাৰতৰ ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ চেণ্টাৰ অৱ এক্সিলেন্সে তাৰকা অল ৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়া আৰু জ্যেষ্ঠ বেটছমেন ৰোহিত শৰ্মাক অনুমতি প্ৰদান কৰিছে। পাণ্ডিয়া আৰু ৰোহিতে আঘাতৰ বাবে মুম্বাই ইণ্ডিয়ানছৰ হৈ আই পি এলৰ কেইবাখনো মেচত অংশ ল'ব নোৱাৰিলে। পাণ্ডিয়া পিঠিৰ বিষত ভুগিছিল, আনহাতে ৰোহিতৰ হামষ্ট্ৰিং ষ্ট্ৰেইন হৈছিল। ২ জুনৰ পৰা বেংগালুৰুৰ চেণ্টাৰ অৱ এক্সিলেন্সত আছে পাণ্ডিয়া। বিচিচিআইৰ এক সূত্ৰই মতে ২ জুনত চেণ্টাৰ অৱ এক্সিলেন্সত উপস্থিত হোৱাৰ পূৰ্বে হাৰ্দিক বিদেশৰ ছুটীত আছিল। পিছৰ পাঁচ দিনত তেওঁ বিভিন্ন মেচৰ দৰে পৰিস্থিতিত প্ৰশিক্ষণ লৈছিল আৰু আনকি ১০ অভাৰৰ সম্পূৰ্ণ কোটাও বল কৰিছিল। সূত্ৰটোৱে লগতে কয় যে তেওঁ কোনো সমস্যাৰ সন্মুখীন হোৱা নাছিল আৰু তথ্য অনুসৰি চেণ্টাৰ অৱ এক্সিলেন্সৰ শক্তি আৰু কণ্ডিচনিং প্ৰশিক্ষকে বিভিন্ন পেৰামিটাৰত তেওঁৰ ফিটনেছ ক্লিয়াৰ কৰিছে।প্ৰাক্তন অধিনায়ক ৰোহিতও হামষ্ট্ৰিং ষ্ট্ৰেইনৰ মূল্যায়নৰ বাবে চেণ্টাৰ অৱ এক্সিলেন্সত আছিল আৰু মূল্যায়নৰ পিছত তেওঁক খেলিবলৈ অনুমতি দিয়া হৈছে। সোমবাৰে ভাৰতৰ সহকাৰী প্ৰশিক্ষক সীতানু কোটাকে কয় যে পাণ্ডিয়াৰ ফিটনেছ সম্পৰ্কে তেওঁৰ হাতত কোনো তথ্য নাই যদিও তেওঁ বিশ্বাস কৰে যে অল ৰাউণ্ডাৰগৰাকী সুস্থ হৈছে। পাণ্ডিয়া ভাৰতৰ সীমিত অভাৰৰ দলৰ বাবে এক গুৰুত্বপূৰ্ণ খেলুৱৈ, তেওঁৰ দ্ৰুত বলিং আৰু ডেথ অভাৰত আক্ৰমণাত্মক বেটিঙেৰে দলটোক ভাৰসাম্য প্ৰদান কৰে। আটাইতকৈ ভাল কথাটো হ'ল পাণ্ডিয়াই প্ৰশিক্ষণৰ সময়ত ১০ অভাৰত বলিং কৰি আহিছে, অৰ্থাৎ ৫০ অভাৰৰ ক্ৰিকেটৰ প্ৰত্যাহ্বানৰ বাবে তেওঁ সাজু। অৱশ্যে চণ্ডীগড়ত অনুষ্ঠিত হ'বলগীয়া আণ্ডাৰ লাইট প্ৰশিক্ষণৰ বাবে পাণ্ডিয়াই দলত যোগদান কৰিব নে পূৰ্বৰ পৰিকল্পনা অনুসৰি পোনপটীয়াকৈ ধৰ্মশালালৈ যাত্ৰা কৰিব সেয়া স্পষ্ট নহয়। তাৰকা বেটছমেন বিৰাট কোহলী ইতিমধ্যে হামষ্ট্ৰিঙৰ আঘাতৰ বাবে শৃংখলাৰ পৰা বাহিৰ হৈছে। ধৰ্মশালাৰ উপৰিও শৃংখলাৰ আন আন মেচসমূহ ক্ৰমে ১৭ আৰু ২০ জুনত লক্ষ্ণৌ আৰু চেন্নাইত অনুষ্ঠিত হ'ব।



এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন